# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Chandradhar Barua | |
| Title: অসম-সাহিত্য-সভা পত্ৰিকা | |
| Transliterated Title: Āsaāma Saāhaitaya Sabhaā Patarikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1929-29 (1849-50 Sak) | Edition: |
| Size: 23 cms - 4+230 pages | Genre: magazine |
| Volumes: 2 - 4 issues | Condition of the original: good. |
| Remarks: The magazine was 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা।

চ'ত—জেঠ, ১৮৪৯—৫০

দ্বিতীয় বছৰ ] মুঠ সংখ্যা—৭ [ তৃতীয় সংখ্যা



নং

তাং


## প্ৰাচ্য দৰ্শন।

দৃশ্ ধাতুৰ পাচত অনট্ প্ৰত্যয় হৈ দৰ্শন শব্দটো নিষ্পন্ন হয় ; ই দেখা কাৰ্য্য বুজায় ; তাৰ বাহিৰেও, জ্ঞানৰ দ্বাৰাই যি দেখিবলৈ পাওঁহক, যাৰ বিষয়ে পৰিপাটিকৈ অনুভৱ কৰোঁ, তাকো বুজায়। শাস্ত্ৰতো কৈছে, "দৰ্শনং দৰ্শনং নৃণাং" সেই কাৰণেই হিন্দুৰ শাস্ত্ৰসমূহ আলোড়ন কৰিবলৈ আৰম্ভ কৰাৰ পূৰ্ব্বেই বৈয়াকৰণিক-সকলে বিগ্ৰাৰ্থীক ধাতুৰ ভিন্ন ভিন্ন অৰ্থ আৰু তাৰ প্ৰতিপাদ্য বিষয়বিলাক বুজাই দিয়ে। কিন্তু নাস্তিক-সকলে দৃশ্ ধাতুৰ জ্ঞান অৰ্থ স্বীকাৰ নকৰে। কিছুমান পাশ্চাত্য দাৰ্শনিক পণ্ডিতেও এই নাস্তিকৰ মতকে সমৰ্থন কৰা দেখা যায়। সেই বিষয়ে পাচত আলোচনা কৰা হব।

যাবতীয় হিন্দুৰ সকলো শাস্ত্ৰৰ মূলত বেদ আছে। বেদ সমুদয় শাস্ত্ৰৰে জননী। আমাৰ আজিৰ আলোচ্য পৰম তত্বজ্ঞানপ্ৰদ ষড়দৰ্শনো বেদমূলক। কপিল, কনাদ, গৌতম ব্যাস আদিৰ মগজুৰপৰা বিস্তাৰিত ভাবে প্ৰচাৰ হোৱাৰ পূৰ্ব্বৰেপৰা বেদত ইয়াৰ চৰম আৰু পৰম তত্ত্ববিলাক অস্ফুট ভাবে অথচ সৰ্ব্বতোমুখী সূক্ষ্ম উপদেশা-কাৰে নিহিত আছে ; তাৰ বাহিৰেও, ছান্দোগ্য, তৈত্তিৰীয় আদি উপনিষদবিলাকতেই দৰ্শন শাস্ত্ৰৰ আলোচ্য বিষয় বিলাকৰ উল্লেখ আছে। দৰ্শন শাস্ত্ৰৰ বিস্তাৰিত ভাবে অলোচিত পৰব্ৰহ্ম, যে দৃশ্যমান পদাৰ্থ মাত্ৰৰেই আদি কাৰণ, এই কথা বহু পূৰ্ব্বেই ছান্দোগ্য উপনিষদে স্বীকাৰ কৰিছে, আৰু প্ৰচাৰ কৰি গৈছে—"সদ্ এব সোম্যেদ মগ্ৰ আসীৎ।" মুঠৰ ওপৰত যি আধ্যাত্মিক জ্ঞান লৈ দৰ্শন শাস্ত্ৰই জীৱৰ দুখ নিবৃত্তি কৰাত ব্যস্ত, আৰু লগে লগে চিৰসুখ চিৰশান্তি বিচাৰ কৰাত আত্মহাৰা, সেই অলৌকিক জ্ঞানৰাশি বেদ উপনিষদ আদিতেই বিকাশমান। গতিকে আমি এই স্থলতে ভাবি চাব লগা হল, এই বেদনিহিত জ্ঞানৰাশি কি উদ্দেশ্যে কোন অৱস্থাত ষড়দৰ্শন ৰূপে পৰিণত হৈ জগতৰ চৌপাশে জ্ঞানৰ বিজয় দুন্দুভি বজাই খলক লগাইছিল। যেতিয়া জ্ঞানী জীৱৰ পৰম লক্ষ্য বিষয়ত বাধা জন্মাবলৈ শত্ৰুৰ ভীষণ আক্ৰমণ আৰম্ভ হয়, তেতিয়া সেই জ্ঞানী আৰু

# গুৱালপাৰৰ ইতিহাস।

## ( প্ৰাকৃতিক বিবৰণ )

সুবৃহৎ শ্যামল শস্যক্ষেত্ৰপৰিশোভিত ভাৰত সম্ৰাজ্যৰ ভিতৰত অসম এখন প্ৰকাণ্ড প্ৰদেশ, আৰু প্ৰকৃতিৰ লীলাভূমি। ইয়াৰ চতুৰ্দ্দিক পৰ্ব্বতমালাৰে পৰিবেষ্টিত থকা হেতুকে ইয়াক এটা উপত্যকা বোলে। বৰ্ত্তমান সময়ত গুৱালপাৰ অসম প্ৰদেশৰ এখন ডাঙৰ জিলা। ভাৰতবৰ্ষখনক বিন্ধ্যাচলে যেনেকৈ বিভক্ত কৰিছে, ব্ৰহ্মপুত্ৰই নানা ভঙ্গীৰে প্ৰবাহিত হৈ গুৱালপাৰখনকো তেনেকৈ দুভাগ কৰি অতুল ঐশ্বৰ্য্যৰ অধিকাৰিণী কৰিছে।

ইয়াৰ উত্তৰে ভুটীয়া পৰ্ব্বত আৰু দক্ষিণে গাৰো-পৰ্ব্বত শ্ৰেণীয়ে মূৰ তুলি আৰু বাহু বিস্তাৰ কৰি অটল ভাবে থিয় হৈ থাকি, বিপক্ষ শত্ৰুৰ আক্ৰমণৰ পথ ৰুদ্ধ কৰি থৈছে। পূৰ্ব্ব সীমাত কামৰূপ জিলা আৰু বেগৱতী স্ৰোতস্বিনী মনাস আৰু সিঙ্গৰা নৈ; পশ্চিম ফালে কোচবিহাৰ, ৰংপুৰ জিলা আৰু সোণকোষ নৈয়ে পৰিবেষ্টন কৰি মধ্য ও পাৰ্শ্ববৰ্ত্তী জনপ্ৰাণীৰ অন্ন-জল যোগাই থাকিব লাগিছে।

গুৱালপাৰ জিলাৰ শিলে শিলে, দেৱমন্দিৰত, বনত অতীত কীৰ্ত্তিৰ ভগ্নাৱশেষ আৰু অপৰিসীম স্থপতি বিদ্যাৰ অনুপম শিল্পনৈপুণ্য আৰু কাৰুকাৰ্য্য; সমথল ক্ষেত্ৰত কোনো ঠাইত অভ্ৰভেদী গিৰিশৃঙ্গ, কোনো ঠাইত চাপৰ পৰ্ব্বত-মালা, কোনো ঠাইত শিমলু, সোণাৰু, শাল পৰিশোভিত সুবিস্তীৰ্ণ সমথল, কোনো কোনো ঠাইত সুশীতল বেগৱতী ক্ষুদ্ৰ ক্ষুদ্ৰ স্ৰোতস্বতী, কৰবাত বা নানা বিধ জলজন্তু সমন্বিত খাল, বিল; কৰবাত বজ্ৰত ধাৰাৰ নিচিনাকৈ প্ৰখৰ গতিৰে প্ৰবাহিত প্ৰস্ৰৱণৰ তটস্থ তাপসবৃন্দৰ অভিলষিত নয়নাভিৰাম নিৰ্জ্জন বনভূমি; কৰবাত নানা জাতীয় বিবিধ বিচিত্ৰ বৰ্ণেৰে চিত্ৰিত চৰাইৰ জাক আৰু নানা তৰহৰ তৰুৰাজিৰে হাবি আৰু পুৰণি কলীয়া হিন্দুকীৰ্ত্তি সৰ্ব্বত্ৰ বিৰাজ কৰিছে।

বঙ্গদেশত এনে পুৰণি হিন্দুকীৰ্ত্তি অথবা হিন্দু-বিলাকৰ অতীত কালৰ কোনো বিশেষ চিন আৰু প্ৰকৃতিৰ লীলাভূমি অতি দুৰ্লভ; কিন্তু সমগ্ৰ অসমৰ কথা এৰি অকল এই গুৱালপাৰ জিলাখনতে পৰিভ্ৰমণ কৰি চালেই কিমান যে প্ৰাকৃতিক সৌন্দৰ্য্য আৰু হিন্দু ৰজাবিলাকৰ ঐশ্বৰ্য্য ও বীৰত্বৰ চিন দেখি লগে লগে অদ্ভুত অদ্ভুত ঘটনাৱলী সম্বলিত পৌৰাণিক ইতিবৃত্ত জানিব পাৰি, মনত যে কিমান অনিৰ্ব্বচনীয় কৌতুহল ওপজে তাক বৰ্ণনা কৰি ওৰ পেলাব নোৱাৰি।

## ( গুৱালপাৰ নামৰ উৎপত্তি )

"গুৱালপাৰ" এই নামটো আধুনিক। এই চহৰখন পোন প্ৰথমে যি ঠাইত পতা হৈছে, তাত এটা পৰ্ব্বত আৰু পূৰ্ব্ব-পশ্চিম সীমাইদি পবিত্ৰ ব্ৰহ্মপুত্ৰ নদ আৰু উত্তৰ ফালৰপৰা বেগৱতী সুশীতলা মনাস নৈ বৈ আহি যোগীঘোপা নামেৰে ঠাইত দুইৰো সংগম হোৱাত, ইয়াৰ মাজতে এটা বহল মাজুলীৰ উৎপত্তি হয়। এই মাজুলী থলত গৰু, মহ আদি ৰাখিবৰ নিমিত্তে সুজল আৰু সুচল দেখি মৈমনসিং আৰু ৰংপুৰৰপৰা কিছুমান সদ্গোপ, গৰু-মহ লৈ উজাই আহি এই ঠাইখনত আৰু তাৰ কাষৰত থকা আন আন সুচল ঠাইত উপনিবেশ স্থাপন কৰে আৰু ইহঁতে বাস কৰা ঠাইখিনিৰ নাম "গোৱালটুলী" ৰাখে। মানৰ তীব্ৰ আক্ৰমণত ঘৰ দুৱাৰ এৰি অহা কিছুমান কলিতা আৰু মৎস্য-জীৱী মানুহে উজানৰ পৰা আহি এই ঠাইখনত বসতি কৰাত, টুলিৰ ঠাইত "পাৰা" শব্দ সোমোৱাত "গোৱালটুলীৰ" পৰা "গোৱালপাৰা" আৰু পাচত তাৰপৰা "গুৱালপাৰ" হ'ল। কিন্তু গোপ জাতি থকা ঠাইখিনি আজিলৈকে গোৱালটুলী বুলিহে প্ৰখ্যাত আছে।



অতীজতে গুৱালপাৰখন কামৰূপৰ এটা অংশ হৈ আছিল। যি ভূমিখণ্ডক আমি বৰ্ত্তমান গুৱালপাৰ জিলা বুলিছোঁ, তাৰ পূৰ্ব্বে এই নাম নাছিল। মুছলমানবিলাকে যেতিয়া কামৰূপ ৰাজ্যৰ পশ্চিমাংশ অধিকাৰ কৰে, তেতিয়া তাৰ শাসনৰ নিমিত্তে এই জিলাৰ ৰঙ্গামাটিত এজন প্ৰধান কাৰ্য্যকাৰক বা নৱাব আছিল। তেওঁ এই বিজিত প্ৰদেশখনক কামৰূপ, ঢেকেৰী, ঘোৰাঘাট এই কেইটা চৰকাৰত ভাগ কৰিছিল। প্ৰায় গোটেইখন গুৱালপাৰ জিলা চৰকাৰ ঢেকেৰীৰ অন্তৰ্গত আছিল। এই সময়ত বৰ্ত্তমান ধুব্ৰী পৰগণাও এই ঢেকেৰী চৰকাৰৰ ভিতৰত আছিল। ১৮২২ খৃঃ এই ঢেকেৰী বোলা ঠাইখনক ইংৰাজৰ ৰাজত্ব কালত যেতিয়া ৰংপুৰৰপৰা বেলেগ কৰি এখন নতুন জিলাত পৰিণত কৰে, তেতিয়াৰপৰা এই ঠাইখনক "গোৱালপাৰা জিলা" নাম দিয়া হয় আৰু ইয়াৰ সদৰ ঠাই "গুৱালপাৰ" নগৰত পাতে।

প্ৰাকৃতিক সীমা যেনে চিৰস্থায়ী নহয়, ৰাজনৈতিক সীমাও তেনেকুৱা স্থায়ী নহয়। আজি যিখন দেশ বা প্ৰদেশৰ সীমাৰ যি চিন দিয়া আছে, বহু কালৰ আগত বা পিচত সেই সীমা বা চিন নাছিল আৰু নেথাকিব। প্ৰশান্ত মহাসাগৰ এদিন চাহাৰাৰ নিচিনা বিশাল মৰুভূমি, আৰু অটল অভ্ৰভেদী হিমাচল সুগভীৰ বেগৱতী স্ৰোতস্বিনী ৰূপে যে পৰিণত নহব তাক কোনে কব পাৰে? ৰাজনৈতিক সীমা শাসনৰ সুযোগ আৰু সুবিধা-লৈহে ৰজাৰ দ্বাৰাই নিৰ্ণিত হৈ থাকে। সেই বাবে, যুগ, ধৰ্ম্ম আৰু কালৰ পৰিবৰ্ত্তনৰ লগে লগে যে আটাই-বিলাকৰে পৰিবৰ্ত্তন ঘটে, এইটো জগত স্ৰষ্টা পালন-কৰ্ত্তা আৰু নিয়ন্তিৰ লিখন।

ইং ১৮২৬ চনত যেতিয়া অসম প্ৰদেশ ইংৰাজ গৱৰ্ণমেণ্টৰ হাতলৈ আহে তেতিয়া অসমক বঙ্গদেশৰ এটা বিভাগ কৰি সেই বিভাগৰ লগত গুৱালপাৰক লগ লগায়। আৰু বঙ্গদেশৰ গবৰ্ণমেণ্টেই এই প্ৰদেশখন শাসন কৰে। ১৮৬৫ খৃঃ ভূটান যুদ্ধত ইংৰাজ গবৰ্ণমেণ্টে পূব দুৱাৰ অঞ্চল অধিকাৰ কৰি গুৱালপাৰ জিলাৰ লগত চামিল কৰাত এই জিলাৰ আয়তন বৃদ্ধি হয়। এই দুৱাৰ অঞ্চলক খাচ মহল বোলে। ইং ১৮৬৬ চনত জিলাখনক অসম বিভাগৰপৰা বেলেগ কৰি কোচ-বিহাৰৰ লগত ৰখা হৈছিল। কিন্তু ১৮৭৪ খৃষ্টাব্দত যেতিয়া অসমক বঙ্গদেশৰপৰা পৃথক কৰি এখন স্বকীয়া প্ৰদেশ গঠন কৰে, তেতিয়া গুৱালপাৰখনক আকৌ অসমৰ অন্তৰ্ভূক্ত কৰি লোৱা হয়। ইয়াৰ ভূমিপৰিমান ৩৮৯৭ বৰ্গমাইল; ১৯১১ খৃষ্টাব্দৰ গণনাত লোকসংখ্যা ৬০৩৪৩৬ ৰ ওপৰ।

## ( কোচ ৰাজবংশ )

সুপ্ৰসিদ্ধ পালবংশৰ ৰজাৰ ৰাজত্বৰ অন্তত খৃষ্টীয় ১৭শ শতাব্দিলৈকে এই অঞ্চলখন কোচ ৰজাবিলাকৰ কৰতলীয়া আছিল। গুৱালপাৰ কোচ ৰজাৰ জন্মস্থান আৰু কোচ ৰজাৰ ৰাজত্বৰ আদি ঠাই। এতিয়া পৌৰাণিক ৰজা আৰু ৰাজত্বকালৰ পুৰাতত্ব উল্লেখ কৰিবলৈ গ'লে বিশ্বসিংহৰ বা শিৱবংশীয় ৰজা আৰু ৰাজত্ব কালৰ ঘটনাৱলীহে এটা উল্লেখযোগ্য বিষয়। কিন্তু আটাইবিলাক কথা লিপিবদ্ধ কৰিবলৈ গলে এখন ডাঙৰ পুথি হৈ পৰে। আৰু বৰ্ত্তমান বিশ্বনী ৰাজ লৈ তুমুল আইন যুদ্ধ চলিছে, এনে স্থলত চমু বিবৰণ প্ৰকাশ কৰি নীৰৱ থকাহে সমীচীন।

## ( কোচ ৰাজবংশৰ উৎপত্তি )

এনে এটা কিম্বদন্তি আছে যে, হিমগিৰিৰ অলপ দূৰত চিদ্লীৰ ওচৰত "চিকনাই" নামেৰে এটা পৰ্ব্বত আছে। তাত "হাজো" নামেৰে এজন কোচ বংশৰ বীৰ-পুৰুষ আছিল। তেওঁৰ ২ জনী ছোৱালী আছিল। ডাঙৰ জনীৰ নাম জিৰা আৰু সৰু জনীৰ নাম হীৰা। হীৰা ৰূপে গুণে বৰ গুণৱতী আছিল। হাৰিয়া মেচ, নামান্তৰ, হৰি দাসেৰে সৈতে তেওঁলোকৰ বিয়া হয়। হৰিদাসে নিজৰ ঘৰৰ ওচৰতে পাহাৰৰ কাষত আহু খেতি কৰিবলৈ হাল বায়। নিঃসন্তান হীৰাই স্বামীৰ নিমিত্তে তালৈকে নিতৌ ভাত পানী লৈ যায়। সেই পৰ্ব্বতৰ নামনিত এজোপা ডাঙৰ বেল গছ পকা ফলৰ ভৰত মূৰ দোৱাই আছিল। সেই বৃক্ষৰ যোগী-বেশধাৰী গৰাকী ভূতভাৱন ভগৱান্ ভৱানীপতিয়ে

সেই বিয়া হোৱা ঠাইখন এতিয়াও ৰামৰায়ৰ কুঠি বুলি বিখ্যাত আছে। তাতেই ছত্ৰশাল সত্ৰ স্থাপিত হৈছে। চিলাৰায়ৰ ঔৰসত কমলাপ্ৰিয়াৰ গৰ্ভত ৰঘুদেৱৰ জন্ম হয়। মহাৰাজ নৰণাৰায়ণৰ কোনো সন্তান সন্ততি নোহোৱাৰ বাবে ৰঘুদেৱক স্বীয় ৰাজ্য দিবৰ মনেৰে সৰুৰেপৰা তেওঁৰ লগত ৰাখিছিল; কিন্তু পাচত তেওঁৰ পুত্ৰ ওপজাৰ কাৰণে ৰঘুদেৱ পিতৃ ৰাজ্যলৈ গমন কৰে। মহাৰাজ শুক্লধ্বজে ১৫৬২ খৃঃ অসম গড়গাঁৱৰ অধিপতি চুকুন্‌ফাৰ পুতেক চুখ্যাংফা অতিশয় উদ্ধত আৰু মহাবিক্ৰমশালী হৈ উঠাত, তেওঁক পৰাভূত কৰি চৰাইখোৱং নামধাৰী পৰ্ব্বতলৈ খেদাই দিয়ে। কোচ-বিহাৰৰ ৭।৮ ক্ৰোশ পূবফালে ৰাণীৰ হাটৰ অলপ দূৰত আজিও কিছুমান গড় আৰু পকী ঘৰৰ ভগ্নাৱশেষ আছে; এই ঠাইখনক "চিলাৰায়ৰ কোঠ" বোলে। বিজিত ৰাজ্যত শুক্ল বৰণৰ ধ্বজা পুতি ৰাখি চিন ৰাখিছিল বুলি এওঁৰ নাম "শুক্লধ্বজ" হৈছিল।

( মহাৰাজ ৰঘুদেৱনাৰায়ণ )

মহাৰাজ শুক্লধ্বজৰ মৃত্যুৰ পিচত ৰঘুদেৱ নাৰায়ণে পিতৃসিংহাসন লভি, তেওঁৰ ৰাজ্যত গদাধৰ নামৰ সুপ্ৰসিদ্ধ শিল্পনিপুণ কাৰিকৰৰ হতুৱাই মণিকুট পৰ্ব্বতৰ হয়গ্ৰীৱৰ গজাসন মন্দিৰ, আৰু কেদাৰনাথৰ সুৰম্য মন্দিৰৰ সংস্কাৰ কাৰ্য্য ১৫৮৩ খৃঃ সমাপ্ত কৰায়। ১৫৯৩ খৃঃ ৰঘুদেৱ স্বৰ্গী হলত তেওঁৰ জ্যেষ্ঠ পুত্ৰ পৰীক্ষিতনাৰায়ণ ৰাজসিংহাসনত বহে।

( মহাৰাজ পৰীক্ষিতনাৰায়ণ। )

কোচবিহাৰৰ মহাৰাজ লক্ষ্মীনাৰায়ণে সৈতে এওঁৰ বাদ-বিসম্বাদ আৰম্ভ হলত এই সুযোগতে ঢাকাৰ নবাবে ১৬০৩ খৃঃ পৰা কৰ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰাত নিজৰ সচীৱ কবিশিকৰ বৰুৱা আৰু জনদিয়েক লগৰীয়াৰে সৈতে, পৰীক্ষিৎনাৰায়ণ দিল্লীলৈ মগল বাদচাহৰ ওচৰলৈ গৈছিল, আৰু এই বিষয়ে আমূল বৃত্তান্ত জনাই সেই বাদচাৰ তৰফৰপৰা সেনা-সামন্ত লৈ মন্ত্ৰীক দিল্লী নগৰতে এৰি উভতি আহোতে ১৫১৬ খৃঃত পাটনাত বসন্ত ৰোগত মৰে। এই শোকৰ বাতৰি বাদচাৰ ওচৰলৈ তভালিকে যোৱাত ৰজাৰ কোনো নাই বুলি কোৱাত উক্ত ৰাজসচীৱ বাদচাহৰ পৰা "কাননগো" মকৰৰ হৈ আহি বিজ্‌নী মলুকৰ খুন্তাদি পৰগনাৰ অধিপতি হয়। ইয়াৰেপৰা গৌৰীপুৰৰ জমিদাৰীৰ সৃষ্টি হয়। ৰঙা মাটি বা পুৰণি গৌৰীপুৰ নামৰ ঠাইখনত ৰাজবাটী সজোৱা হয়। পিচত তাৰেপৰা ৰাজবাটী ভাঙ্গি আনি বৰ্ত্তমান গৌৰীপুৰত নিৰ্ম্মান কৰোৱা হল। জমিদাৰনী ভৱানীপ্ৰিয়া বৰুৱানীয়ে "ৰাণী" উপাধি লাভ কৰিছিল। এতিয়াৰ জমিদাৰ "ৰজা" উপাধিধাৰী হৈছে। বুঢ়া লোকৰ মুখে শুনিবলৈ পোৱা গৈছে যে, মহাৰাজ পৰীক্ষিতে লগত লৈ যোৱা মহামায়া দেৱীৰ সোণৰ প্ৰতিমূৰ্ত্তি আৰু ৰঘুদেৱনাৰায়ণৰ নামাঙ্কিত বৃহৎ কামান ইয়াতে এৰি যোৱাত গৌৰীপুৰ ৰজাৰ ঘৰত আজিলৈকে সুৰক্ষিত ভাবে আছে। এই দেৱী বৈষ্ণৱ ধৰ্ম্মাৱলম্বী হোৱাতো আজিলৈকে গৌৰীপুৰ ৰাজঘৰত দুৰ্গোৎসৱৰ পদ্ধতি চলি আহিছে। আৰু উক্ত মহামায়া বা গৌৰী-দেৱীৰ নাম অনুসাৰে গৌৰীপুৰ নাম হৈছে। কুলপ্ৰথা অনুযায়ী প্ৰত্যেক বছৰ দেৱীৰ মন্দিৰ বাদি শিমলু কাঠেৰে সজা হয়। উক্ত মহামায়াত বাজে অইন কোনো মাটিৰে সজা প্ৰতিমাৰ পূজা ইয়াত নহয়। আৰু ৰাতি দেৱীৰ মণ্ডপ মঙ্গলিচত ঝাৰ লণ্ঠনাদিৰ আলোক মালা থকাতো এটা প্ৰজ্জলিত "মশাল" ৰখা হয়।

( মহাৰাজ চন্দ্ৰনাৰায়ণ )

ৰজা পৰীক্ষিতৰ পুত্ৰ চন্দ্ৰনাৰায়ণ এইবিলাক বিষয় আদ্যোপান্ত জানিব পাৰি শোকে দুঃখে অধিৰ হয়। তেওঁ দিল্লিলৈ গৈ বাদচাহৰ পৰা নবাবৰ নামে শালিয়ানা ১২০০৲ টকাৰ মসাহৰা, আৰু তিনি চৰকাৰৰ মাজত ৬০০০৲ টকাৰ জায়গীৰ ভূমি পাই ৰাজধানীলৈ উভতি আহি ৰাজত্বত কায়েম হয়।

( মহাৰাজ জয়নাৰায়ণ )

মহাৰাজ চন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পাচত ৰাজা জয়নাৰায়ণৰ প্ৰাৰ্থনানুযায়ী ৰাজা মানসিংহ আহি অসমে সৈতে যুদ্ধ



কৰি চৰকাৰ ঢেকেৰী ও কামৰূপৰ সীমানা মনাস নৈৰ পৰা মকৰৰ কৰি দি উভতি যায়। এই সময়ত দলজিৎৰাম বটিয়ামাৰিৰ অধিপতি আছিল। ৰঘুনন্দন-পুৰ নামক গাৱঁত নবাবৰ এখন থানা বহিছিল। এই সময়ত ইয়াৰ কাষতে আৰু পাৰ্শ্ববৰ্ত্তী ঠাইত গণক-পুখুৰী, পদ্ম-পুখুৰী, ভেট-পুখুৰী, দীঘিপুখুৰী, ভূতপুখুৰী আদি বহুত পুখুৰী খনা হৈছিল বুলি জনা যায়। আমগুৰি, দেৱানগাওঁ, নকানাবাৰি প্ৰভৃতি গাৱঁৰ ঠায়ে ঠায়ে শিলৰ খুটি খুতি পোৱা আছে। এইবিলাকো সেই কালৰ চিন বুলি কয়। ৰজা মানসিংহক ঢেকেৰী পৰগণাৰ মানুহে "ৰাম ৰজা" বুলিছিল। বৰ্ত্তমান বিজ্‌নী ৰজাৰ ৰাজধানী অভয়াপুৰীৰ ওচৰত ৰজা মানসিংহই প্ৰস্তুত কৰোৱা "গড় বা কোট" ৰামৰজাৰ গড় বুলি অদ্যাবধি প্ৰখ্যাত থাকি পুৰণি কলীয়া কীৰ্ত্তিকলাপ ঘোষণা কৰিব লাগিছে; আৰু তাৰ ওচৰতে মাটিৰ তলৰ বহুত ইটাৰ দ'মৰ মাজৰ পৰা ১৮৯৭ খৃঃ ভীষণ ভূমিকম্পত কেবাটিও দেৱ দেৱীৰ মূৰ্ত্তি ভগ্নাৱস্থাত ওলাইছে। কাষৰতে বহুত শিলৰ পাট পোৱা গৈছে। দতমাৰ থানা, মৰনৈ গাৱঁৰ ভূগৰ্ভস্থিত ভগ্ন অট্টালিকা আদিয়ে আজিলৈকে ৰজা মানসিংহৰ স্মৃতি চিহ্ন ঘোষণা কৰিছে। গৌৰীপুৰৰ ওচৰত ৰঙ্গামাটিত সজা পকীঘৰে আজিলৈকে নবাবৰ কীৰ্ত্তিকাহিনী বিঘোষিত কৰিছে। মতান্তৰে অসমৰ ৰামৰজাৰ ৰাজধানী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত আছিল; ৰামৰজাৰ গড় বা কিল্লা তেৰেঁই সজা বুলি কয়।

( শিৱনাৰায়ণ )

মহাৰাজ জয়নাৰায়ণৰ পৰলোকৰ পিচত, তেওঁৰ পুতেক শিৱনাৰায়ণ বিজ্‌নীৰ বাজেও খুটাঘাট, হাবৰাঘাট, মেছপাৰা আৰু চিদলীৰ ৰজা হয়। এওঁ প্ৰজালোকৰ দ্বাৰা ঢাকদি কৰিত হাতী ধৰি ৮৬ টা হাতী মোগল বাদচাহক লালবন্দী দিছিল। এই সময়ত দেৱৰাজ বিদ্ৰোহী হৈ ভোট সেনাপতি চতুৰসিংহক বিজ্‌নীত আৰু সুৰনাৰায়ণক চিদলিত ৰজা পাতিলত, মহাৰাজ শিৱনাৰায়ণে চতুৰসিংহক খেদাই দি দেৱৰাজে সৈতে সন্ধি কৰিলে। দেৱৰাজে বছৰে বছৰে ভুটীয়া ঘোৰা, চামৰ, গন্ধবাস (কস্তুৰী) আদি দি এওঁৰ পৰা মানকী কাপোৰ আৰু শুকান মাছ আদি নিবলৈ ধৰিলে। মহাৰাজ শিৱনাৰায়ণৰ ১৮ পুত্ৰ আছিল, সৰ্ব্বাপেক্ষা প্ৰিয় পুত্ৰ বিজয়নাৰায়ণক ৰাজ্যভাৰ প্ৰদান কৰি, ধৈৰ্য্যনাৰায়ণ প্ৰভৃতি পুত্ৰগণক মেছপাৰা নামন্তৰে তিসিমপুৰ পৰগনাৰ শাসন ভাৰ দি মহাৰজাই কালক্ৰমে বৃদ্ধাৱস্থা প্ৰাপ্ত হৈ চত্বাৰিংশৎ বৎসৰ ৰাজত্ব কৰি মানৱলীলা সম্বৰণ কৰে।

( মহাৰাজ বিজয়নাৰায়ণ )

মহাৰাজ শিৱনাৰায়ণৰ পৰলোক প্ৰাপ্তিৰ পিচত তদীয়পুত্ৰ বিজয়নাৰায়ণ ৰাজ্যত অভিষিক্ত হয়। এওঁৰ ৰাজত্ব কালতে মুছাছউনিয়া নামেৰে এজন চাহাবে গুৱালপাৰত কুঠি স্থাপন কৰাত কাজিয়া হোৱাৰ কাৰণে মহাৰজাই কলিকতাত বন্দী অৱস্থাতে পৰলোক গমন কৰে। আৰু তেওঁৰ ভ্ৰাতাসকল নিঃসন্তানাৱস্থাত লোকান্তৰিত হল। এই মহাৰাজ অতিশয় সৰল আৰু সচ্চৰিত্ৰৱান থকাৰ বাবে অমাত্যবৰ্গ কৰ্ত্তৃক প্ৰতাৰিত হোৱা সত্তেও কাৰো প্ৰতি কোনো দণ্ড বিধানৰ ব্যৱস্থা কৰা নাছিল; এওঁৰ ৰাজত্ব কালতে বলৰাম চৌধাৰী নামেৰে এজন কৰ্ম্মচাৰীয়ে মেছপাৰা পৰগনাখন সম্ৰাট সচীৱৰ সহায়ে স্বীয় নামে লিখাই লয়। এয়ে মেছপাৰা জমিদাৰীৰ প্ৰথম সৃষ্টি।(১) এই আমলতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মোগল সম্ৰাটৰপৰা দেৱানী ভাৰ প্ৰাপ্ত হৈ ১৭৮৮ খৃঃ বিজ্‌নীৰ সম্পূৰ্ণ স্বাধীনতা ৰাখি মোগল সম্ৰাটক প্ৰদান কৰি বাৰ্ষিক ২০০০৲ টকা গ্ৰহণ কৰিবৰ নিয়ম কৰিলে। আৰু মহাৰাজৰ মৃত্যুৰ পাচত ইংৰাজ ৰাজপুৰুষসকলে কদ্ৰনাৰায়ণ নামেৰে এজন মানুহক সিংহাসনত বহুৱায়। দেৱীনাৰায়ণ, মকুন্দনাৰায়ণ আৰু মহেন্দ্ৰনাৰায়ণ নামেৰে মহাৰাজৰ তিনিজন পুত্ৰ আছিল। তেখেতসকলে দেৱৰাজৰ ওচৰলৈ গৈ আমূল বৃত্তান্ত জনালত, দেৱৰাজে ভোট সামন্ত দি সহায় কৰে। এই ভোট সৈন্য সহযোগে ঘোৰতৰ সংগ্ৰাম কৰি কদ্ৰনাৰায়ণক খেদি দি বিজ্‌নী ৰাজ্য উদ্ধাৰ কৰা হয়। মকুন্দনাৰায়ণ অগ্ৰজ

(১) ৰাণী অপেশ্বৰীৰ ১৮৭০ চনৰ ১৮ জুনৰ লেপ্টেনেণ্ট গৱৰ্ণৰ চাহাবৰ নামৰ আবেদন পত্ৰিকা। বিজ্‌নী ৰাজবংশৰ ৭৯ পিঠি।

সেই পাহাৰ গছ গছনি শূন্য হৈ বৃহৎ শিলারূপে দুভাগ হৈ পৰি আছে। এই নিমিত্তে এই পাহাৰৰ নাম "ভাউৰিকটা" হৈছে। তাৰ পিচত ভূমিশ্বৰীৰ নাকটো কাটি পেলায়; এই নিমিত্তে এই পৰ্ব্বতৰ নাম "নাককাটি" হৈছে। যোৱা ১৮৯৭ খৃঃ ভীষণ ভূমিকম্পত নাককাটিৰ টিঙ্গত থকা এই সুবৃহৎ প্ৰস্তৰ খণ্ড খহি পশ্চিম কালৰ নামনিত বাগৰি পৰিছে। ভাস্তৰীয়া কটাৰ কোনো অংশ উফৰি (ছিটিকি) গৈ যি ঠাইত পৰিছে সেই গাৱঁৰ নাম "ছিট্কা" গাওঁ হৈছে বুলি কয়।

ভৈৰবৰ চূড়া নামক পৰ্ব্বত সমগ্ৰ অসমৰ ভিতৰত ওখ। এই পৰ্ব্বতৰ কাষৰত থকা দলানী বিলত বহুত ঘোলা আছে। মহাপুৰুষীয়া ধৰ্ম্ম-প্ৰৱৰ্ত্তক শ্ৰীশঙ্কৰ দেৱ যেতিয়া ধৰচিয়ালৈ আহিছিল, তেতিয়া এই বিলত নাৱেৰে ফুৰোঁতে প্ৰতি ঘোলাত এটা এটা কৰি, কড়ি পেলাই যোৱাত এপোণ কড়িয়ে নুজুৰিলে। এই নিমিত্তে আজিলৈকে এই ঘোলা বোৰ আৰু তাৰ কাষৰত থকা গাওঁখন শঙ্কৰ ঘোলা বুলি প্ৰখ্যাত।

অভয়াপুৰীৰ ওচৰত থকা লালমাটি গাৱঁত গছ-গছনি থকা এটা টিলাৰ ওপৰত সূতাকটা শিলৰ যঁতৰ আদি তাঁতৰ সাজ সৰঞ্জাম আৰু প্ৰস্তৰ নিৰ্ম্মিত কিছুমান দেৱ-দেৱীৰ ভগ্ন মূৰ্ত্তি দেখিবলৈ পোৱা যায়।

পাচনীয়া গাৱঁৰ লেংটিয়াৰ পৰ্ব্বতশ্ৰেণীত আৰু ডুমুৰিয়াৰ লুভাই পাহাৰৰ ওপৰতো গৌৰীপাট আৰু শিৱ-লিঙ্গ আদি পুৰণীকীৰ্ত্তি দেখিবলৈ পোৱা যায়। কুকুৰ-মাৰি, মনাস, হটহটিয়া, কুজিয়া, আৰু ব্ৰহ্মপুত্ৰ এই পঞ্চনৈৰ সঙ্গম স্থলত আছে দেখি এই গাওঁখনৰ নাম পাঞ্চনীয়া বা পাচনীয়া হৈছে। এই গাৱঁৰ পৰ্ব্বতত অভ্ৰ খনি আছে।

উত্তৰ শালমৰা থানাৰ ওচৰত দক্ষিণ-পশ্চিমকালে এটা পৰ্ব্বতত মঠৰ ভিতৰত ধ্যানস্থ শিলৰ নিৰ্ম্মিত মহা-দেৱৰ প্ৰতিমূৰ্ত্তি আছে। ইয়াৰ বাজেও কালী, গণেশ প্ৰভৃতি দেৱদেৱীৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়। বহাগ-বিহুৰ সময়ত বহাগ মাহৰ ছয় দিনলৈ যাত্ৰীৰ সমাগম হয়।

কুঁচিয়াকটা আৰু বীৰঝোড়া গাৱঁত বাঘেশ্বৰী দেৱীৰ থান আছে।

ধুবুৰীৰপৰা দহ এঘাৰ মাইল পূবে টাঙ্গৰোৱা দক্ষিণকালে এখন বুঢ়া-বুঢ়ীৰ থান আছে। বিষুৱ সংক্ৰান্তি দিনা ইয়াত অসংখ্য যাত্ৰীৰ সমাবেশ হয়।

ব্ৰহ্মপুত্ৰৰ কাষৰতে পাগলাৰটেক্ নামক পৰ্ব্বতে আবৃত থকা এখন সুৰম্য বননিৰ মাজত এটি শিৱমন্দিৰ আছে।

লক্ষ্মীপুৰৰ ওচৰত ৰজা বিষ্ণুদেৱৰ নগৰৰ ধ্বংশাৱশে আজিলৈকে দেখিবলৈ পোৱা যায়।

দোলগোমাত শ্ৰীশ্ৰীমাধৱদেৱৰ বংশৰ অধিকাৰী ঠাকুৰ পতা এখন মহাপুৰুষৰ সত্ৰ আছে। মাঘ মাহত ইয়াত ডাঙৰ মহোৎসৱ হয়।

হাৱৰাঘাটৰ কৃষ্ণাই গ্ৰামৰ টক্ৰেশ্বৰী পৰ্ব্বতত টক্ৰেশ্বৰী দেৱীৰ মন্দিৰ আছে। বিজনীৰ ৰজাসকলে বিস্তৰ দি নিতৌ পূজাৰ বন্দবস্ত কৰি ৰাখিছে। এই পৰ্ব্বতত বহুত বান্দৰ আছে। ইবিলাকৰ মাজত এজন ৰজা আৰু এজনী ৰানী বান্দৰী থাকে। এনে এটা প্ৰবাদ আছে যে বিজনীত ৰজাৰাণীৰ সাল-সলনি হ'লে এই বান্দৰ ৰজা ৰাণীৰো সাল-সলনি হয়। বৰ্ত্তমান ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ দেখিবলৈ পোৱা যায়। ৰজাৰ অভাৱত যেতিয়া ৰাণী ৰাজপাটত বহে, তেতিয়া ইয়াতো তেনেকুৱা পৰিবৰ্ত্তন হয়। আৰু যেতিয়া অকল ৰজা ৰাজপাটত বহে তেতিয়াও তেনেকুৱা পৰিবৰ্ত্তন দেখা যায়। কিছুমান বান্দৰে সুযোগ পালে যাত্ৰীবিলাকৰ লগত নৈ যোৱা প্ৰসাদ কল আদি চুৰ কৰি লৈ যায়। এইবিলাকক লুটাৰু বান্দৰ বোলে। পূজাৰ সময় আনবিলাক বান্দৰ মন্দিৰৰ বিশাল প্ৰস্তৰ প্ৰাঙ্গণত আহি বেমেজালি ভাৱে যুদ্ধ-বাগৰ কৰি থাকে। পূজাৰ অন্তত যেতিয়া পূজাৰী বা দেউৰীয়ে ৰূপৰ পাত্ৰত কল প্ৰসাদ লৈ ৰজাক মাতিব, তেতিয়া ৰজা বান্দৰে আহি প্ৰাঙ্গনস্থিত নিজ আসনত বহি পূজাৰ কল প্ৰসাদ আদি আৰু যাত্ৰীবিলাকে দিয়া বস্তু আদি খাই শুচি যায়। আচৰিত বিষয় এই যে, যেতিয়া ৰজা বান্দৰ আহি শিলৰ চাপত বহে তেতিয়াৰেপৰা আটাইবিলাক বান্দৰে শান্ত শিষ্ট ভাৱে বহি থাকে। যেতিয়া কল প্ৰসাদ দিব, তেতিয়া



খাই লৈ গুচি যায়। আৰু যি মানুহৰ হাতৰপৰা একো বস্তু নলব, তাৰ কিবা এটা অচিৰাৎ বিপদৰ সম্ভাৱনা হৈছে বুলি জানিব লাগিব।

( ধৰ্ম্ম )

এই জিলাত হিন্দু আৰু ইছলাম ধৰ্ম্মাৱলম্বী মানুহৰ সংখ্যাই সৰহ। হিন্দু জাতিৰ ভিতৰত ব্ৰাহ্মণ, কায়স্থ, কলিতা, ৰাজবংশী, কোচ, নাপিত, মদাহী, মলুৱা, জলদা, যোগী, ডোম, কৈবৰ্ত্ত আদিৰ বাজে মেচ, কছাৰী, ৰাভা, গাৰো আদি বহুত জাতি আছে। বৰ্ত্তমান সময়ত আন আন ঠাইৰপৰা বৈশ্য, মাৰোৱাৰী, শিখ, কুৰ্ম্মী, মুনিয়া, চাওঁতাল প্ৰভৃতি জাতীয় মানুহ আহি বাস কৰিবলৈ ধৰিছে। ব্ৰাহ্মণ, কায়স্থ ব্যতীত আন আন জাতিৰ ভিতৰত বিধৱা বিবাহ প্ৰচলিত আছে। বৰ্ত্তমান সময়ত ৰাজবংশী জাতিৰ মাজত কিছুমানে যজ্ঞসূত্ৰ গ্ৰহণ কৰিছে।

বিখ্যাত ঐতিহাসিক আৰু ভাষাতত্ত্ববিৎ পণ্ডিত মিষ্টাৰ বেইনৰ মতে, আৰ্য্য জাতিৰ ভাৰতবৰ্ষলৈ অহা ঠালৰ মানুহ দুভাগ হৈ, এভাগ পশ্চিম কোনে খাইবাৰ দুৱাৰেদি, আৰু আন ভাগ পূব কোনে পাটকাই দুৱাৰেদি, একে সময়তে ভাৰতত প্ৰবেশ কৰিছিল। আৰ্য্য জাতিৰ যে এটা দলে উত্তৰ পূবেদি আহি অসমত উপনিবেশ স্থাপন কৰিছিল, সেই সম্বন্ধে বিশ্বাস যোগ্য প্ৰমান বহুত আছে। মিষ্টাৰ গেইট্ চাহাবেও অসমৰ ইতিহাসত এই বিষয়ে ফট-ফটীয়াকৈ লিখি থৈছে। তেওঁৰ মতে পুৰণি অসমৰ ব্ৰাহ্মণ ও কলিতা জাতি আৰ্য্য জাতিৰ বংশধৰ। ইহঁতৰ আকৃতি প্ৰকৃতি আৰু সামাজিক আচাৰ ব্যৱহাৰ অনাৰ্য্য জাতিবিলাকতকৈ বহুত বেলেগ।

( ভাষা )

এই জিলাত অসমীয়া, বঙ্গালী আৰু পাৰ্ব্বত্য ভাষাৰ প্ৰচলন আছে। ইয়াৰ আচল ভাষা অসমীয়া। কিন্তু তাতে বঙ্গালী আৰু ঢেকেৰী ভাষা মিহলি হৈছে। ইং ১৯২৫ চনৰপৰা স্কুলবিলাকত অসমীয়া ভাষাৰ কিতাপ দিয়া হৈছে।

কোচ বংশীয় মহাৰাজ নৰনাৰায়ণে ১৫৫৫ খৃঃ আহোম ৰজা চুকাম্‌ফা স্বৰ্গদেৱলৈ যি চিঠি লিখিছিল তাৰ ভাষা জানিবৰ কাৰণ চিঠিখন উদ্ধৃত কৰা গল:—

"স্বস্তি সকল দিগ্‌দন্তি কৰ্ণতালাস্ফাৰ সমীৰণ প্ৰচলিত হিমকৰ হাৰ হাসকাস কৈলাস পাণ্ডৰ যশোৰাশি বিৰাজিত ত্ৰিপিষ্টৰ ত্ৰিদশ তৰঙ্গিনী সলিল নিৰ্ম্মল পৱিত্ৰ কলেৱৰ ধীষণ প্ৰচণ্ড ধীৰ ধৈৰ্য্য মৰ্য্যাদা পাৰাবাৰ সকল দিগ্-কামিনী গীয়মান গুণ সন্তান শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ মহাৰাজ প্ৰতাপেষু—

লেখনং কাৰ্য্যঞ্চ। এথা আমাৰ কুশল তোমাৰ কুশল নিৰন্তৰ বাঞ্ছা কৰি। এখন তোমাৰ আমাৰ সন্তোষ সম্পাদক পত্ৰাপত্ৰি গতায়ত হইলে উভয়ানুকুল প্ৰীতিৰ বীজ অঙ্কুৰিত হইতে ৰহে। তোমাৰ আমাৰ কৰ্ত্তব্য যে বৰ্দ্ধিতাক পাই পুষ্পিত ফলিত হইবেক আমৰা সেই উদ্যোগত আছি। তোমাৰো এগোট কৰ্ত্তব্য উচিত হয়। নাকৰ তাক আপনে জান অধিক কি লিখিম। সত্যানন্দ কৰ্ম্মী ৰামেশ্বৰ শৰ্ম্মা কালকেতু ও ধুমা সৰ্দ্দাৰ উদণ্ড চাউলিয়া শ্যামৰাই, ইমৰাক পাঠাইতেছি তামৰাৰ মুখে সকল সমাচাৰ বুঝিয়া চিতাপ বিদায় দিবা। * * * ১৪৭৭ মাস আষাঢ়"।

বিয়াৰ গীতো মিশ্ৰিত ভাষাত তিৰোতাবিলাকে গায়; যেনে:—

"বৰ আহিল ৰে—লাল বিলাল কৰি বহিল ৰে।
শাল গাছেৰে ডাল পিৰা—বহিছে বৰুৱা ৰে। গোহাই
পূজা কৰে অৰুণা চৌধুৰী, বৰুণা পিৰাতে বহি ৰে"।

"কোৰপৰা আহি নাউয়া এ বহিলি শিলত, লৰা
চৰা কৰা যদি মৰিবি কিলত"।

"কোন ঘাটত যাবি ৰাধে জল। ভৰিবাক হে—
চলা সখী বউ জল তুলি লৌ সোণাৰে কলহী ভৰি হে"।
"কোৰপৰা আহি নাউয়া এ মূৰে দিলা হাত
কিবা জাতি কিবা কুল নকলি আমাক"। ইত্যাদি—

শ্ৰীপদ্মলোচন দাস, ডিহিদাৰ।
বৈটামাৰি, গুৱালপাৰ।

# আসাম।

তুমিয়েনে দেবি, গৌৰৱ-আধাৰ
সকলো দেশৰ শেখৰীভূতা
বিস্মিতা প্ৰকৃতি গাই নানা তানে.
যাৰ পুন্যময় মহিমা গাথা?

গুপ্ত দণ্ড ধৰি স্থাপি হিমাচল,
গাঁথিছিল আগে তোমাকে ধাতা,
অন্য দেশ পিচে, তোমাক সংযোজি,
তুমিহে প্ৰাচীনা আসাম মাতা।

মহাপূণ্যময় সুখৰ আকৰ
নিৰখি তোমাক জগত-আই ;
আচৰিলে তপ ব্ৰহ্মা, হৰি, হৰে,
পুৰণি কালত শোভি ই ঠাই।

আৰাধি মায়াক স্থাপিলে জগত,
কৰিছিল ভস্ম মদন হৰে।
সতী-ছিন্ন-অঙ্গ পৰি পালে পুন
ইয়াতে হেকয়া জীৱন স্মৰে।

তেতিয়াৰেপৰা আৰ্য্যৰ বসতি,
আসাম আমাৰ পবিত্ৰ দেশ,
ধৰ্ম্মাৰণ্য আৰু পুণ্যভূমি নাম,
নাই যত দুখ ক্লেশৰ লেশ।

মণি, বত্ন, কাম, সৌমাৰ নামেৰে,
চাৰিটি পীঠত কৰিলে ভাগ ;
কৰি য'ত বাস বাঢ়ে নিত্যসুখ,
নেলাগে অকণো চিত্তবিৰাগ।

সিটি কামপীঠ, উৎসৰ্গিলে গিৰী,
উমাৰ বিয়াত যৌতুক কৰি ;
জগতজননী দিলে তাতে বৰ,
নহব ইয়াত দুৰ্ভিক্ষ মাৰী ;

যতে ততে মৰি হব মুক্ত জীৱ,
মোৰ প্ৰসাদত অন্যথা নাই ;
সদাই বসন্ত ব'ব শীতবাত,
সুশস্য, সুবৃষ্টি হব সদায়।

তেতিয়াৰেপৰা স্বৰ্গসুখময়,
নাই কোনো আৰু ক্লেশৰ লেশ।
স্বৰ্ণময়ী তুমি, স্নেহৰ জননী.
সৰ্ব্ব শস্যেভৰা আসাম দেশ।

খাদ্য, ভোগ্য যত বসন, ভূষণ,
তোমাত একোৰে নাটনি নাই,
বিবিধ দুষ্প্ৰাপ্য খনিজেৰে ভৰা,
সুজলা সুফলা আসাম আই।

কিবা মনোহৰ শোভে শৈলমালা,
উচ্চ তৰুৰাজি, সুফল সদায়.
চন্দন অগৰু লতা নানা বিধ.
বিবিধ কুসুমে সুগন্ধ বিলায়।

অতি স্বচ্ছজল, নদ নদীচয়,
স্তম্ভিত পথিক দেখিলে শোভা,
উপবীত যেন ব্ৰহ্মপুত্ৰ নদ,
ধীৰ পূৰ্ণনীৰ স্ফটিক প্ৰভা।

পাশ্চাত্য জাতিৰ কামান গৰ্জ্জন,
বৰটোপ, বোমা, বন্দুক, গুলি,
সকলোৰে হেতু, বাৰুদ ইয়াতে,
প্ৰখ্যাত প্ৰথমে উৎপন্ন বুলি।

বৰাহ জ্যোতিষী, বহু গনি পঢ়ি,
নোৱাৰি বুজিব, গ্ৰহৰ গতি.
নবগ্ৰহত কৰিলে নিশ্চয়,
ৰাশি চক্ৰ তাত সহজে পাতি।



ঋষিসকলৰ পুণ্য তপোবন,
কত প্ৰসিদ্ধ দেৱৰ নিলয়,
বশিষ্ঠ, কামাখ্যা, মাধৱ প্ৰভৃতি,
কত পীঠস্থান কুণ্ড পুণ্যময়।

কাশী, প্ৰয়াগৰ সমকক্ষ বুলি,
শাস্ত্ৰৰ নিৰ্ণিত মুক্তিৰ স্থান,
আসাম নামেৰে ভূষিছে তোমাক,
নাই তুল্য দেখি তোমাৰ আন।

"অ"-সকলোতে সমনীতি আছে,
অথবা সিহেতু নাম আসাম,
প্ৰতাপী আহোম শাসক তোমাৰ,
তাৰ প্ৰতিশব্দ সেয়েৰা নাম।

দানৱ ভূপতি শাসিছিল ধৰা,
সাম্যনীতি গুণে ৰঞ্জি প্ৰজাক,
পোন প্ৰথমতে মহীৰঙ্গ নামে,
ক্ৰমে দৈত্যবংশী নৃপতিজাক।

তাল. চাপৰিৰ বীৰ-সংকীৰ্ত্তন,
পাতাল পুৰীৰ নৰ্ত্তক গীত ;
তেতিয়াৰে পৰা, বল স্মৃতি চিহ্ন,
দেখিলে শুনিলে জুৰাই চিত।

অসুৰ জাতিৰ আসুৰী চিকিৎসা,
দ্ৰব্য মন্ত্ৰ গুণে ৰোগৰ নাশ ;
ধন্বন্তৰী বেজে পোন প্ৰথমতে,
কৰিলে বেজালি গুচালে ত্ৰাস।

অমৰ-বাঞ্ছিতা ৰুক্মিণী কুমাৰী,
ভীষ্মক ৰজাৰ হৃদয়ধন,
এই আসামতে ললে জনম,
নৰকৰ সুতা যোড়শীগণ।

নিছিল কৃষ্ণে নৰকক মাৰি,
ষোড়ষ হাজাৰ সুন্দৰী নাৰী,
কামৰ তনয় অনিৰুদ্ধ দেৱে,
বাণৰ তনয়া উষা সুন্দৰী।

কৰ্ম্মনাশা গিৰী আৰু অগ্নিগড়,
পৰি পৰি ব'ল স্মৃতিৰ চিন।
মত্ত সিংহ সম ভগদত্ত ৰজা,
জাগে তাৰ কথা কীৰ্ত্তি অসীম।

আহোম বংশীয় নৃপতি সবৰ.
যুগমীয়া চিন দেখি বিস্ময়,
প্ৰাসাদ, মন্দিৰ, গড়, পুষ্কৰিণী,
পৰি আছে ভীম কামানচয়।

যেই পিনে চাৱাঁ সেই পিনে পাৱাঁ,
অতীতৰ চিন স্মৃতিৰে গথা।
বিশাল আকাশে শত মুখে গায়,
আসাম দেশৰ গৌৰৱ কথা।

হায়! সুমৰি পৰে অশ্ৰুনীৰ.
জয়মতী সতী তোমাৰ কৃতি,
অক্ষৰে অক্ষৰে আঁকিছা হিয়াত,
নহব বিস্মৃত আসাম জাতি।

শত জাহ্নবীৰ জলতো অধিক
জয়সাগৰৰ পবিত্ৰ নীৰ
তব পদৰজ সংস্পৃষ্ট স্নানৰ
য'ত এৰিছিলা পুণ্য-শৰীৰ।

আৰু কত জনা আসাম ললনা,
মুল, মূলা আৰু কুসুম আদি,
ভুলালে যৱন, হেৰুৱালে প্ৰাণ,
ধৰিছিল গুলি আচল পাতি।

সিসব সতীও তোমাৰ সঙ্গিনী,
যাক সুমৰণে পাতক হৰে,
আসাম মাতৃৰ স্নেহৰ সন্ততি,
সুমৰি চকুৰ লোতক ঝৰে।

ললিত কৱিতা মাধুৰী সঙ্গীত
ৰচোতা যিবোৰ আছিল কৱি,
অনন্তকন্দলী, ৰামসৰস্বতী,
শঙ্কৰ, মাধৱ পুণ্যৰ ছবি।

আৰু কতজন দামোদৰ আদি,
কৰিছিল সত্ৰ ধৰ্ম্মৰ প্ৰচাৰ ;
সিসব কৰিব ধাৰ্ম্মিকসবৰ
স্মৃতি মাত্ৰ ৰল জুৰি সংসাৰ।

সিদিনাও সেয়া তোমাৰে সন্তান
তীক্ষ্ণ প্ৰতিভাৰ আনন্দৰাম,
কৰ্ম্মবীৰ বুলি হ'ল সুবিখ্যাত,
জলাই চৌদিশে তোমাৰ নাম।

অত প্ৰতিভাৰ অত ঐশ্বৰ্য্যৰ,
অত বীৰবৰ জননী তুমি।
নাই আজি কোনো তেজস্বী সন্তান,
আসাম কেৱল শ্মশান ভূমি,

পৰমুখাপেক্ষী, পৰআজ্ঞাবাহী,
আপোনাৰ তত্ব নাই মনত ;
মাতৃৰ বিপদ, পুষ্পহাৰ প্ৰায়,
মানিছে সোৱোপা সন্তান যত।

সকলো দেশৰ কৌস্তভ ৰতন,
তুমিয়েনে দেৱি, আসাম আই ?
সুধিলে বিদেশী, কি দিম উত্তৰ,
আজি অসমীয়া নিৰ্জ্জীৱ প্ৰায়।

শ্ৰীদেবেন্দ্ৰনাথ চক্ৰবৰ্ত্তী,
যোৰহাট, তৰাজান।

---

# মন্ত্ৰ-সাহিত্য।

মন্ত্ৰৰ পুথিবিলাকো আমাৰ দেশত সাহিত্যৰ এটা বিশেষ অঙ্গ। মন্ত্ৰ-পুথিবিলাকৰ আলোচনা নকৰিলে সাহিত্যৰ গুৰি ধৰা অসম্ভৱ কথা। কথিত ভাষাত সাহিত্যৰ প্ৰথম অভিব্যক্তি আমাৰ দেশত নিচুকনি গীত আৰু মন্ত্ৰত। মন্ত্ৰবিলাকৰ ভাব আৰু ৰচনা প্ৰণালী প্ৰভৃতিৰ প্ৰতি মন কৰিলেই এই মন্ত্ৰবিলাক প্ৰাচীন বুলি জানিব পাৰি। সুপ্ৰাচীন মন্ত্ৰবোৰৰ ৰচনা কাল নিৰ্ণয় কৰিব পাৰিলেহে প্ৰকৃত পক্ষে অসমীয়া সাহিত্যৰ আদিকাল বা জন্ম শক নিৰূপিত হব আৰু তাৰ লগে লগে অসমীয়া জাতিৰ জ্ঞান, বিদ্যা, আচাৰ-ব্যৱহাৰ আদিও কত প্ৰাচীন কালৰ-পৰা চলি আহিছে তাকো জানিব পৰা যাব।

মন্ত্ৰশক্তিত, অৰ্থাৎ মন্ত্ৰ উচ্চাৰণ কৰি তাৰ দ্বাৰা ঈশ্বৰ বা দেৱতাসকলক সন্তুষ্ট কৰা নাইবা তাৰ দ্বাৰা ৰোগ ব্যাধি গুচোৱাৰ বিশ্বাস হিন্দু জাতিৰ অতি প্ৰাচীন আৰু মজ্জাগত। যেতিয়াৰপৰা মানুহৰ মনত স্তৱ স্তুতি বা মন্ত্ৰ পাঠৰ দ্বাৰা ঈশ্বৰক সন্তুষ্ট কৰিব পৰা ভাব উপজিছে, তেতিয়াৰেপৰাই মন্ত্ৰ দ্বাৰাই ৰোগ ব্যাধি উপশম কৰা ভাবো মানুহৰ মনত উদ্ভৱ হৈছে। এই দুই ভাব মানুহৰ মনত সমকালতে ওপজা সমসাময়িক ভাব। এই দুয়ো ভাবৰ কাৰ্য্য কাৰণ সম্বন্ধ আছে। এক ভাবৰপৰা আন ভাব আহিছে। গতিকে অতি প্ৰাচীন কালতে দুভাগ মন্ত্ৰৰ সৃষ্টি হৈছে। দুভাগ প্ৰধান মন্ত্ৰৰ ভিতৰত প্ৰথম ভাগ হৈছে, পৰমেশ্বৰ বা পৰমেশ্বৰৰ বিভূতি স্বৰূপ দেৱতাসকলৰ আৰাধনাত প্ৰযুক্ত হোৱা বৈদিক পৌৰাণিক তান্ত্ৰিক প্ৰভৃতি মন্ত্ৰবোৰ। দ্বিতীয় ভাগ হৈছে,পৰমেশ্বৰ বা তেওঁৰ বিভূতি প্ৰকাশক দেৱতাসকলৰ অনুগ্ৰহপৰা ওপজা ৰোগ ব্যাধি প্ৰভৃতি গুচোৱা কাৰ্য্যত প্ৰয়োগ হোৱা নানা প্ৰকাৰ মন্ত্ৰবিলাক। মন্ত্ৰৰ এই দুই বিভাগেই প্ৰধান আৰু আদি বিভাগ। পিচত মন্ত্ৰবিলাকৰ, জাৰণ উচাটন আদি কাৰ্য্যত প্ৰয়োগ কৰাৰ বাবে, নানা উপবিভাগ সৃষ্টি হৈছে।

মন্ত্ৰ উচ্চাৰণ কৰা মাত্ৰেই আমাৰ মনত পৰে দেৱতাৰ আৰাধনা কৰা নাইবা ৰোগ ব্যাধি গুচোৱাৰ অৰ্থে



প্ৰয়োগ হোৱা বিশেষ ভাবে ৰচিত আৰু বিশেষ ভাবে উচ্চাৰিত বিশেষ শব্দ সমষ্টিৰ কথা।

এই শব্দ সমষ্টিৰ আচলতে কিবা শক্তি আছেনে নাই, নাইবা শব্দ সমষ্টিৰপৰা কেতিয়াবা কিবা বিশেষ ফল লাভ কৰিব পাৰিনে নোৱাৰি, ইত্যাদি বিষয় আলোচনা কৰা এই প্ৰবন্ধৰ মোক্ষ্য উদ্দেশ্য নহয়। এই প্ৰবন্ধৰ উদ্দেশ্য, অসমীয়া ভাষাত ৰচিত মন্ত্ৰবিলাক সম্বন্ধে ইতিহাস আৰু সাহিত্যৰ ফালেদি আলোচনা কৰা ; আৰু মন্ত্ৰবিলাক কাৰ দ্বাৰা কোন সময়ত প্ৰথম ৰচিত হৈছিল আৰু তাৰ ভিতৰত আমাৰ জাতীয় আচাৰ, ব্যৱহাৰ, সভ্যতা প্ৰভৃতিৰ বিষয়ে কিবা কথা থাকিলে তাকো সুধী-সমাজত প্ৰকাশ কৰা। গতিকে, মন্ত্ৰ শব্দৰ ওপৰত লিখা অৰ্থ বুজিলে নাইবা " মননাৎ ত্ৰায়তে যস্মাৎ তস্মাৎ মন্ত্ৰ ইতি স্মৃতঃ" এই ব্যুৎপত্তিগত অৰ্থৰ দ্বাৰা সকলো মন্ত্ৰকে সামৰি ললেও, ইয়াত কেৱল অসমীয়া ভাষাত লিখা মন্ত্ৰৰ বিশেষ ভাগটোহে আলোচনা কৰা হব। অসমীয়া মন্ত্ৰবিলাকৰ ক্ৰম পৰিণতি দেখুৱাবৰ অৰ্থে আৱশ্যক অনুসৰি ৰোগ ব্যাধিত প্ৰয়োগ হোৱা বৈদিক পৌৰাণিক আৰু তান্ত্ৰিক শাস্ত্ৰৰ বিষয়েও চমুকৈ দুই চাৰি আষাৰ কথা কোৱা হব।

সংস্কৃত ভাষাত ৰচিত মন্ত্ৰৰ নিচিনা অসমীয়া ভাষাত ৰচিত মন্ত্ৰৰো তিনটা বিভাগ আছে। কিন্তু অসমীয়া ভাষাত দেৱতাৰ আৰাধনাত প্ৰয়োগ কৰা মন্ত্ৰৰ সংখ্যা অতি অলপ। জাৰণ উচাটন আদি কৰ্ম্মত প্ৰয়োগ হোৱা মন্ত্ৰ বহুত থাকিলেও, সেইবিলাক মন্ত্ৰ সুগঠিত সাহিত্যৰ শ্ৰেণীৰ নহয়। গতিকে, অসমীয়া ভাষাত ৰোগ ব্যাধিত প্ৰয়োগ হোৱা মন্ত্ৰবিলাকহে সুগঠিত সাহিত্যৰ শ্ৰেণীত পৰে। সেই দেখি, ইয়াত সেইবোৰ মন্ত্ৰৰহে আলোচনা কৰা হব।

হিন্দুৰ সকলো কথাৰ, অৰ্থাৎ সভ্যতা, জ্ঞান, বিদ্যা, ধৰ্ম্ম, কৰ্ম্ম, কলা আদিৰ মূল ভাব যেনেকৈ বেদৰ ভিতৰত আছে, তেনেকৈ মন্ত্ৰবিলাকৰো মূল ভাব বেদৰপৰা পোৱা। অথৰ্ব্ব বেদত আন আন নানা কথাৰ নিচিনা ৰোগ ব্যাধিত প্ৰয়োগ হোৱা মন্ত্ৰও বহুত দেখিবলৈ পোৱা যায়। অথৰ্ব্ব বেদৰ দুটা এটা মন্ত্ৰ সায়ণ ভাষ্যত লিখা প্ৰয়োগ বিধিৰে সৈতে তলত উল্লেখ কৰা হল।

জ্বৰ আদি ৰোগত প্ৰয়োগ হোৱা মন্ত্ৰঃ—প্ৰয়োগ বিধি-"তথা জ্বৰাতি সাৰাতি নাড়ীব্ৰণেষু তদুপশমন্ কামাস্থ অনেনৈৱ সূক্তেন মুঞ্জশিৰোনিৰ্ম্মিত ৰজ্জু বন্ধনং ক্ষেত্ৰ মৃত্তিকয়া বল্মিক মৃত্তিকয়া বা সপিলেপনং চৰ্ম্ম খল্বা মুখেন অপান নাড়ী ব্ৰণ মুখানাং বমনংচ কাৰ্য্যা "। অৰ্থাৎ জ্বৰ অতিসাৰ আৰু নাড়ীব্ৰণ আদি ৰোগত তলত লিখা মন্ত্ৰেৰে অভিমন্ত্ৰিত মুঠাসূত্ৰ নিৰ্ম্মিত জৰী বান্ধিব, নাইবা পথাৰৰ মাটি আনি বা উঁই-হাফলুৰ মাটি আনি, জাৰি লৈ ঘঁহি দিব। নাড়ীব্ৰণ হলে ব্ৰণৰ মুখত গাখীৰৰ চাসনিৰে লেপ দিব আৰু ব্ৰণৰ মুখ ধুই চৰ্ম্মখণ্ডৰ দ্বাৰা বান্ধি ৰাখিব। মন্ত্ৰ—"বিদ্মা শৰস্য পিতৰং পৰ্জ্জন্যং ভূৰিধায়সং। বিদ্মো তস্য মাতৰং পৃথিবী ভূৰি বৰ্চ্চসং"। অনুবাদ অনাৱশ্যক। গৃহ-পালিত পশু আদিৰ ৰোগত প্ৰয়োগ কৰা মন্ত্ৰ :——প্ৰয়োগবিধি—"তথা গবাং ৰোগ প্ৰশমন পুষ্টিপ্ৰজনন কৰ্ম্মসু অনেনৈৱ সূক্তেন সলবণং কেবলং উদকং বা পায়য়েৎ।" ভাবাৰ্থ—গৰুৰ ৰোগ গুচাবলৈ, অনেক গৰুক হৃষ্টপুষ্ট কৰিবলৈ, তলত লিখা মন্ত্ৰেৰে লোণ মিহলি কৰা পানী জাৰি খুৱাব। নহলে, কেৱল মাত্ৰ শুদা পানীকে জাৰি খুৱাব ; মন্ত্ৰঃ—"অশ্বয়ো ৰস্ত্যাধ্বভিৰ্জ্জা ময়ো অধ্বৰয়াতাং পৃঞ্চতি মধুনা পয়ঃ।" ভূত প্ৰেত পিশাচ আদিৰ উপদ্ৰৱ নিবাৰণ কৰা মন্ত্ৰও অথৰ্ব্ব বেদত আছে। প্ৰয়োগবিধি—"আবিষ্ট ভূত পিশাচ চ্ছায়াছাই নাক্ষলী বাৰণতুষা বতক্ষণহোমাদিনৌ অষেসৌ ইত্যপনোদন সূক্ত কৰ্ত্তব্যানি অপনোদন কৰ্ম্মনি অনেন গণেন কুৰ্য্যাদিত্যৰ্থ।" অৰ্থাৎ, আবিষ্ট ভূত পিশাচ আদি খেদোৱা আৰু সিহঁতৰ উপদ্ৰৱ নিবাৰণ কৰা তুষাৰতক্ষণ হোম আদি খেদোৱা কৰ্ম্মসকল এই খেদোৱা মন্ত্ৰসকলেৰে কৰিব। মন্ত্ৰঃ—"ত্বংহি দেৱ বন্দিতো হন্তা দাস্যোবৰ্চ ভূৰিথ" ইত্যাদি। লোক শিক্ষাৰ অৰ্থে বেদৰ আন আন কথা-বিলাকৰো যিদৰে মূল ভাব ৰক্ষা কৰি পুৰাণ আদি শাস্ত্ৰত অৰ্থ বিস্তাৰ কৰা হৈছে, প্ৰায় সেই দৰেই ঈশ্বৰ বা দেৱতা সম্বন্ধীয় মন্ত্ৰকে আদি কৰি ৰোগ ব্যাধি গুচোৱা মন্ত্ৰবিলাকৰো পুৰাণ শাস্ত্ৰত আলোচনা

হলে, অসমীয়া ভাষাত মন্ত্ৰ ৰচনাৰ আৰম্ভ আৰু তাৰ ক্ৰম পৰিণতি কেতিয়ালৈকে চলি আহিছিল সেই বিষয়ে দেশৰ কথিত ভাষাত গ্ৰন্থ ৰচনাৰ আৰম্ভ, ৰচিত গ্ৰন্থৰ ভাষা ভাব আৰু উপাখ্যান বস্তু আদিৰ দ্বাৰা যিদৰে সাহিত্য সম্বন্ধীয় আন আন গ্ৰন্থবোৰৰ ৰচনাৰ কাল আদি সম্বন্ধে আলোচনা কৰা হয়, সেইদৰে মন্ত্ৰবিলাকৰ সম্বন্ধেও আলোচনা কৰিবলৈ চল পোৱা যাব। আৰু সেইদৰে কৰা আলোচনা অযৌক্তিকো নহব।

মন্ত্ৰবিলাকৰ অনেকত পৌৰাণিক উপাখ্যানবিলাকৰ বৰ্ণনা থাকিলেও সকলো মন্ত্ৰ পুৰাণ ৰচনাৰ পাচৰ কালৰ নহয়। অনেক মন্ত্ৰ যে পুৰাণ ৰচনাৰ আগৰ কালত ৰচিত আৰু অনেক আগৰ ৰচিত মন্ত্ৰতো যে পিচে পুৰাণৰ উপাখ্যান যোগ কৰা হৈছে, তাক নিঃসন্দেহে কব নোৱাৰিলেও, অনুমান কৰিবৰ যথেষ্ট কাৰণ আছে। মন্ত্ৰবিলাকৰ অধিকাংশই স্তুতি বা উপাসনামূলক; সেই দেখি মন্ত্ৰবিলাকৰ ৰচনা কালৰ বিষয় আলোচনাকৰিব লাগিলেই প্ৰথমে আমাৰ মনত পৰে এইটোলৈ, কোন সময়ৰপৰানো আমাৰ মাজত জনসাধাৰণৰ কথিত ভাষাত ঈশ্বৰক উপাসনা কৰা আৰু গ্ৰন্থ ৰচনা কৰাৰ প্ৰথা প্ৰচলিত হল? ভাৰতবৰ্ষত যে বৌদ্ধ ধৰ্ম্মৰ প্ৰচাৰৰ পিচতহে জনসাধাৰণৰ কথিত ভাষাৰে ঈশ্বৰ উপাসনা কৰা আৰু গ্ৰন্থ ৰচনাৰ প্ৰথা প্ৰচলিত হয়, ই সকলো শিক্ষিত লোকৰে জনা কথা। আৰু এই কাৰ্য্য যে বৌদ্ধাচাৰ্য্য-সকলেহে প্ৰথমতে কৰে সিও সকলোৰে জনাজাত। সেই দেখি আমাৰ দেশৰ দেশী ভাষাৰ মন্ত্ৰবিলাক এই দেশত বৌদ্ধ ধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ হোৱাৰ পিচত বৌদ্ধ যতিসকলৰ দ্বাৰা ৰচিত হৈছিল বুলি কলে একো অযৌক্তিক নহব; কাৰণ, প্ৰাচীন কালত এই দেশত বৌদ্ধ ধৰ্ম্মই জনসাধাৰণৰ ধৰ্ম্ম আৰু বৌদ্ধ শ্ৰমনবিলাকেই জনসাধাৰণৰ পৰিচালক আৰু চিকিৎসক আদি আছিল। ইয়াৰপৰাই বৌদ্ধ শ্ৰমণসকলে দেশ বিদেশত ধৰ্ম্মজ্ঞান আৰু সভ্যতা প্ৰচাৰ কৰিছিল। বৌদ্ধ ধৰ্ম্মীসকলৰ পবিত্ৰ তীৰ্থ বুদ্ধদেৱৰ পৰিনিৰ্ব্বানৰ স্থান বৈশালী নগৰ এই দেশতে থকা বুলি কোনো কোনো পণ্ডিতে মত প্ৰকাশ কৰিছে। ব্ৰহ্ম বা মান দেশৰ জনসাধাৰণে এই দেশক এতিয়াও বৈশালী বোলে বুলি শুনা যায়। এই বৈশালী অৰ্থাৎ, পৰবৰ্ত্তী কালৰ কামৰূপ দেশৰ বৌদ্ধ ভিক্ষুসকলেই যে অসমীয়া মন্ত্ৰৰ প্ৰথম ৰচক আছিল, তাক অইন কাৰণেও অনুমান কৰিব পাৰি।

বৌদ্ধবিলাকৰ ধৰ্ম্মৰ মূল সূত্ৰ ভূতদয়া। ভূত বা প্ৰাণীসকলৰ দুখ মোচন কৰা বৌদ্ধ ধৰ্ম্মৰ প্ৰধান অঙ্গ আৰু বৌদ্ধবিলাকৰ প্ৰধান কৰ্ত্তব্য কৰ্ম্ম আছিল। এই কাৰণেই বৌদ্ধ ভিক্ষুসকলে বিশেষকৈ চিকিৎসা বিদ্যাৰ আলোচনা কৰিছিল। নাগাৰ্জ্জুণ প্ৰভৃতি প্ৰসিদ্ধ বৈদ্য আৰু ৰসগ্ৰন্থ প্ৰণেতাসকল বৌদ্ধ আছিল। বৌদ্ধবিলাকে ভূতদয়া প্ৰকাশ কৰিবলৈ লোকৰ উপকাৰৰ অৰ্থে, প্ৰচাৰৰ সুবিধাৰ নিমিত্তে, চিকিৎসা বিদ্যাৰ আলোচনা কৰিছিল। সেইদেখিয়েই অনুমান কৰিব পাৰি যে তেওঁবিলাকেই প্ৰথমতে চিকিৎসা কাৰ্য্যৰ সুবিধাৰ বাবে অসুৰবেদসম্মত এই মন্ত্ৰবিলাক ৰচনা কৰিছিল। এই অনুমানৰ আৰু এটা ভাল হেতু আছে—যি বৌদ্ধসকলে পৰবৰ্ত্তী কালত হিনযান, মহাযান আদি সম্প্ৰদায় গঠন কৰি মন্ত্ৰৰ ভঁৰাল তন্ত্ৰশাস্ত্ৰবোৰ প্ৰথম ৰচনা কৰিলে, সেই বৌদ্ধবিলাকেই অসমীয়া মন্ত্ৰ আদি ৰচক বোলাও কোনো অসঙ্গতি বা যুক্তিৰ বিৰোধ দেখা নাযায়। অসমত আজিও সকলো ধৰ্ম্মপ্ৰচাৰকে মোক্ষ্যতঃ ভূতদয়া আৰু ঠাই বিশেষে তেওঁলোকৰ এজনে এজনে ধৰ্ম্ম প্ৰচাৰৰ সুবিধাৰ অৰ্থে চিকিৎসা ব্যৱসায় চলাই আছে। এই প্ৰথাও বৌদ্ধ ধৰ্ম্মৰে সুপ্ৰাচীন প্ৰথাৰ অৰ্থাৎ, ধৰ্ম্ম প্ৰচাৰকে চিকিৎসা ব্যৱসায় চলোৱাৰে চিন। সকলো যুগতে আৰু সকলো ধৰ্ম্মতে ৰোগমুক্ত কৰাটো ধৰ্ম্মপ্ৰচাৰৰ অস্ত্ৰৰূপে ব্যৱহৃত হৈ আহিছে। বুদ্ধদেৱ, যিশুখৃষ্ট, শ্ৰীচৈতন্যদেৱ প্ৰভৃতিৰ জীৱনীত তেনে ঘটনাৰ বহুত উল্লেখ দেখা যায়। মন্ত্ৰবিলাকৰ ভিতৰত অপেক্ষাকৃত আধুনিক কালত ৰচিত হোৱা মন্ত্ৰও অনেক আছে; সেইবিলাক এৰি আৰু আদি মন্ত্ৰৰ ভাষাৰ প্ৰতি ভাল দৰে মনোযোগ কৰিলে বিজ্ঞলোক মাত্ৰেই বুজিব পাৰিব যে, অন্ততঃ পক্ষে অসমীয়া কিছুমান মন্ত্ৰ বৌদ্ধ দোহা গ্ৰন্থৰ ৰচিত হোৱাৰ সমসময়তে ৰচিত হৈছিল। আৰু ৰচনাৰ সুবিধাৰ অৰ্থে অসম বা পুৰণি কামৰূপ



ৰাজ্যৰে বৌদ্ধ শ্ৰমনসকলে কামৰূপী ভাষাত ৰচনা কৰা আৰু আজি কালি নেপাল দেশৰপৰা আনি মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী মহাশয়ে বঙ্গালী বুলি প্ৰচাৰ কৰা দোহা গ্ৰন্থৰ কেইফাকিমান পদ আৰু মন্ত্ৰৰ পুথিৰো কেইফাকিমান পদ তলত তুলি দিলো। যদি দুয়ো পদৰ ভাষাৰ গঢ় আৰু লিখাৰ ভঙ্গিতা একে ধৰণৰ হয় তেনেহলে যে মন্ত্ৰবিলাকো প্ৰথমতে দোহা গ্ৰন্থৰ লগত একে সময়তে ৰচিত হৈছিল, এই কথাত কোনো সন্দেহ নাথাকে।

মহামহোপাধ্যায় শাস্ত্ৰীয়ে বৌদ্ধ দোহাবিলাক বঙ্গলা বুলি প্ৰচাৰ কৰাৰ আগতে ভাবি চোৱা উচিত আছিল যে নেপাল এক সময়ত প্ৰাচীন কামৰূপ ৰাজ্যৰে অন্তৰ্ভুক্ত আছিল; আৰু অনেক কাললৈ নেপালৰ ৰাজবংশৰ লগত কামৰূপৰ ৰাজবংশৰ বিবাহ আদি প্ৰচলিত আছিল; সেইবোৰ কাৰণেহে কামৰূপী ভাষাত লিখা পুথি নেপালত পোৱাৰ সম্ভৱ হৈছে। বঙ্গ দেশৰ লগত নেপালৰ তেনে সম্বন্ধৰ কথা আছে জানো?

দাহা।

কহন্তি গুৰু পৰমাৰ্থেৰ বাট।  
কৰ্ম্ম কুৰঙ্গী সমাধিক পাট॥  
কমল বিকশিন কহিলে জমৰা।  
কমল মধু পিবতি ধোকো ভমৰা॥

মন্ত্ৰ।

তিন নৈশ্য নৈৰাকাৰ।  
নাম কহন্তি ভুনিয়া সত্ৰজাৰ॥  
যুম্ন মুখুম্ন ৰত্ন পাট।  
শুন শুন ব্যাধি হোৰে ঘাট॥

দোহা।

ভুলা ধুলি ধুলি আম্বুঁৰে আম্বুঁ।  
আম্বু ধুলি ধুলি নিবৰৰ নেম্বু॥  
ডেউৰে হেৰ অ নপাৰি আই।  
শান্তি ভনই কিপ সভাবি অই॥

মন্ত্ৰ।

ভাঙ্গু ইটা ভাঙ্গু মাটি।  
আম্বুধুলি দেখ কাটি।  
সাত সমুদ্ৰ ডেউৰ হেৰই।  
কল গাঠি কাতি নাশই॥

দোহা।

দুলি দুহি পিটা ধৰণ নযাই।  
বখেৰ ডেন্তলি কুম্ভীৰে খাই॥  
আঙ্গুল খৰ পণ স্থলভোৰি আতি।  
কালেত বৌৰি নিল আধৰাতি॥

মন্ত্ৰ।

হচং বুধা হচং দুলি দুহি ভগৱন্ত।  
হৰ কালি হচং বুধা হচং দাৰুৱা পোৱা॥  
বি আতি ধৰিবৈলে ডেন্ত নিধাই খাপৰি।  
হচং পৰম ঈশ্বৰ ভগৱন্ত॥

দোহা।

এতকাল হাঁই আছিল স্বমোহে।  
এবে মই বুজিলো সদগুৰু মোহে॥  
এবেঁ চিঅ ৰাণ মফু নটা।  
গল সমুদে টলিয়া পঁইটা॥

মন্ত্ৰ।

শুন শুন ব্যাধি আছিলি মোহে।  
বিধতাই কৰিলে বোহে॥  
চি অ ৰাঅ বি অ ৰাঅ ব্যাধিগণ।  
পঁইটা তুলি কৰিলো চন॥

এইবিলাক মন্ত্ৰ আৰু দোহাত পঁইটা চিঅ ৰাঅ বিআতি, ডেন্তলি, হচং, কালি, বুধা, দুলি, দুহি, ডেউৰ, আম্বু, ধুলি, পাট, কহন্তি আদি শব্দ আৰু দুইবো ৰচনা প্ৰণালী লক্ষ্য কৰিবৰ বিষয়। ইয়াতে এই কথাষাৰো কৈ থোৱা উচিত যে এই দোহাবিলাক মই সাহিত্য পৰিষদ পত্ৰিকাৰপৰা আৰু মন্ত্ৰবিলাক নলবাৰীৰ ভোগমনী কলিতা বুলি এজন বেজৰপৰা সংগ্ৰহ কৰিছোঁ।

নাথ পন্থৰ হঠযোগী সিদ্ধাচাৰ্য্যসকলৰ সময়তো অনেক মন্ত্ৰ ৰচিত হৈছিল। তাৰ প্ৰমাণ বহুত মন্ত্ৰত

আছে। যেনে "সিদ্ধ গুৰুৰ পাৱ, ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাৱ"। ইয়াত সিদ্ধ গুৰু শব্দৰ দ্বাৰা কাক বুজাইছে ভালকৈ বিবেচনা কৰি চোৱা উচিত। ওজা-বিলাকে দুইৰকম অৰ্থৰ কথা কয়। কিছুমানৰ মতে সিদ্ধ গুৰু মানে যাৰ পৰা মন্ত্ৰ শিকি সিদ্ধি লাভ কৰা যায়, তেওঁ, অৰ্থাৎ মন্ত্ৰ শিক্ষাৰ গুৰু। আন কিছুমানে কয় যে গুৰু মানে যি অজ্ঞানতা দূৰ কৰিব পাৰে। অজ্ঞানতা দূৰ কৰা কাৰ্য্যত সিদ্ধ একমাত্ৰ পৰম জ্ঞানী পৰম যোগী শ্মশানবাসী মহাদেৱ; গতিকে সিদ্ধ গুৰু মানে মহাদেৱ। দেৱাদিদেৱ মহাদেৱ যে সিদ্ধ গুৰু পদৰ বাচ্য হব পাৰে, ইয়াত অৱশ্যে দেখোতে আপত্তি কৰিব লগা কথা একো নাই। কিন্তু মন্ত্ৰ সাহিত্যত যে এই দুয়ো অৰ্থ সঙ্গত নহয় তাক অলপ ভাবি চালেই হব। মহাদেৱক সিদ্ধ গুৰু বুলিব পাৰিলেও সিদ্ধ গুৰু শব্দে যে দেৱাদিদেৱ ভগৱান মহাদেৱক বুজায় এনে কথা বা প্ৰয়োগ কতো নাই আৰু অভিধান আদিতো এনে অৰ্থ কৰা নাই। গতিকে এই মতবাদৰ বিশেষ মূল্য নাই। দ্বিতীয়তে, সিদ্ধ গুৰু শব্দে শিক্ষাগুৰুক বুজোৱা হলে, এই কথাযাৰ অৰ্থাৎ— "সিদ্ধ গুৰুৰ পাৱ ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাৱ"—মন্ত্ৰৰ শেষ ভাগত নাথাকি আদি ভাগতে থাকিলহেতেন, যিহেতু সকলো অসমীয়া পুথিতে প্ৰথমতে গুৰুক নমস্কাৰ কৰা প্ৰথাহে প্ৰচলিত আছে। আৰু শাস্ত্ৰ অনুসাৰেও মঙ্গলাচৰণ স্বৰূপে আদিতহে গুৰুৰ নাম স্মৰণ কৰাৰ প্ৰথা আছে। কোনো বিশেষ প্ৰমাণ নাপালে মন্ত্ৰ গ্ৰন্থত এই প্ৰথাৰ লৰচৰ হোৱা বুলি ধৰিবৰ কোনো হেতু নাই। একো কাৰ্য্যই কাৰণ নহলে নহয়। গতিকে যেতিয়ালৈকে কোনো কাৰণ, অৰ্থাৎ মন্ত্ৰৰ পুথিত পিচতহে গুৰুক স্মৰণ কৰিব লাগে এনেকুৱা বিশেষ নিয়ম পোৱা নাযায়, তেতিয়ালৈকে সাধাৰণতে আন পুথিত যি দৰে আগতে গুৰুক নমস্কাৰ কৰে, মন্ত্ৰৰ পুথিতো সেই প্ৰথাকেহে অনুসৰণ কৰিব লাগিব।

ইয়াত আৰু এটি চাব লগা কথা এই যে, সিদ্ধ গুৰু কথাটো সদায় "কামৰূপ কামাখ্যা"ৰ লগত যোগ হৈ আছে। ইয়াৰ দ্বাৰা এইটো অনুমান কৰা অসঙ্গত নহব যে—সিদ্ধ গুৰু মানে কামৰূপ কামাখ্যাত যোগ সাধন কৰা আৰু জনসাধাৰণৰ মাজত ঈশ্বৰৰ অৱতাৰ বুলি সন্মানিত হোৱা কোনো সিদ্ধ মহাপুৰুষ। হঠযোগ প্ৰদীপিকা বুলি প্ৰাচীন সংস্কৃত পুথিত সিদ্ধাচাৰ্য্যসকলৰ নামৰ এখন তালিকা পোৱা যায়। সেই তালিকা দেখিলে, মন্ত্ৰৰ পুথিৰ সিদ্ধগুৰু পদৰ যে অৰ্থ সেই সিদ্ধাচাৰ্য্যসকল, তাত কোনো সন্দেহ নাথাকে. যিহেতু, সেই তালিকাৰ ভিতৰতে থকা শ্ৰেষ্ঠ মহাপুৰুষ গোৰক্ষনাথৰ নাম মন্ত্ৰ পুথিবিলাকত বিশেষৰূপে পোৱা যায় যথা—"স্বৰ্গ মৰ্ত্ত্য পাতালত গোৰক্ষনাথৰ পাৱ ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাও" ইত্যাদি। অনেকে ভাবে এই গোৰক্ষনাথ বৌদ্ধ যতি আছিল; আৰু অনেকৰ মতে এওঁ হিন্দু শৈৱ সন্ন্যাসী। গোৰক্ষনাথ বৌদ্ধই হওক নাইবা হিন্দুয়েই হওক এই কথাৰ ইয়াত বিশেষ প্ৰয়োজন নাই। এওঁ যে অতি প্ৰাচীন কালৰ লোক আৰু এওঁৰ সময়তে নাইবা এওঁৰ প্ৰচাৰিত নাথ পন্থৰ প্ৰভাৱ আমাৰ দেশত বিশেষৰূপে থকাতে, অন্ততঃ কেতবিনিমান অসমীয়া মন্ত্ৰৰ পুথি ৰচিত হৈছিল, তাকে কোৱাহে যাই উদ্দেশ্য। এওঁৰ বিষয়ে পূৰ্ব্ব-বঙ্গ আৰু প্ৰাচীন কামৰূপ ৰাজ্যত প্ৰচলিত থকা ময়নামতীৰ গীত আৰু আন আন কিছু কিছু জনা যায়।

সৰ্ব্বসাধাৰণৰ অৱগতিৰ নিমিত্তে হঠযোগ প্ৰদীপিকাৰ পৰা সিদ্ধাচাৰ্য্যসকলৰ নামৰ তালিকা তলত তুলি দিয়া হল:—

শ্ৰীআদিনাথো মৎস্যেন্দ্ৰ সাবৰানন্দ ভৈৰবাঃ।
চৌৰঙ্গী মীন গোৰক্ষ বিৰূপাক্ষ বিলেশয়াঃ॥
মন্থানো ভৈৰবো যোগী সিদ্ধিবুৰ্দ্ধাশ্চ কন্থডিঃ।
কোৰণ্টকঃ সুৰনন্দঃ সিদ্ধ পাদাশ্চ চৰ্পটাঃ॥
কানেৰী পূজ্যপাদশ্চ নিত্যনাথোনিৰঞ্জনঃ।
কপালী বিন্দুনাথশ্চ কাকচণ্ডীশ্বৰাহ্বয়ঃ॥
আল্লামঃ প্ৰভুদেৱশ্চ ঘোৰাচলাচ চিণ্টিনিঃ।
ভালুকী নবদেৱশ্চ খণ্ডঃ কাপালিকস্তথা॥
ইত্যাদয়ো মহাসিদ্ধাঃ হঠযোগ প্ৰভাৱতঃ।
খণ্ডয়িত্বা কালদণ্ডং ব্ৰহ্মাণ্ডে বিচৰন্তি॥



এইবিলাকৰ ভিতৰত অনেক নাম বা শব্দ মন্ত্ৰৰ পুথিবিলাকত আৰু আন আন মৌলিক মন্ত্ৰতো আছে। আল্লাৰ নাম থকা মন্ত্ৰও বহুত পোৱা গৈছে। "আল্লাম"ৰ অপভ্ৰংশ হৈ "আল্লা" হোৱা একো বিচিত্ৰ নহয়। হয়তো আল্লাৰ নাম থকা মন্ত্ৰ এই দেশলৈ মুছলমান অহাৰ বহুত আগতে ৰচিত হৈছিল; আৰু তাত 'আল্লাম' শব্দ আছিল। পিচত কালক্ৰমে সিদ্ধাচাৰ্য্যবিলাকৰ কথা মানুহৰ মনৰ পৰা আঁতৰি গৈ অতল গৰ্ভত লুকোৱাত আৰু দেশত মুছলমান প্ৰভাৱ প্ৰবল হোৱাত মুছলমানী ঈশ্বৰ বাচক "আল্লা" শব্দই হিন্দুৰ "আল্লাম" শব্দৰ ঠাই অধিকাৰ কৰিলে।

আমাৰ কথাখিনিৰ দ্বাৰা এইটো কব পাৰি যে, অসমীয়া মন্ত্ৰবিলাক বৌদ্ধ যুগতে ৰচিত আৰু সেইবিলাকৰ ভাষাৰো বৌদ্ধ দোহাৰ গীতৰ ভাষাৰ লগত সাদৃশ্য আছে আৰু প্ৰাচীন কেতখিনিমান মন্ত্ৰৰ ৰচনা প্ৰণালীও এনে; আৰু নাথ পন্থৰ গোৰক্ষনাথ প্ৰভৃতি সিদ্ধাচাৰ্য্যসকলৰ অভ্যুদয়ৰ সময়তো অনেক অসমীয়া মন্ত্ৰ ৰচিত হৈছিল। গতিকে এই অনুমান বা আভাস সঁচা হলে (সম্প্ৰতি মিছা বুলিবৰ কোনো কাৰণ দেখিবলৈ পোৱা নাই) অসমীয়া সাহিত্যৰ গুৰি যে কত কাল আগুৱাই যাব তাক ঐতিহাসিকসকলেহে ঠিক কৰিব পাৰিব; আৰু ডাক ভণীতা আদিৰো বহু কাল আগতে যে অসমীয়া ভাষাত লিখিত পুথি আছিল সিও স্থিৰ হয়। এইবোৰ আলোচনা কৰিবৰ হলে লাগে ধন, লাগে মানুহ। আমাৰ নাই ধনো আৰু এইবোৰ কাম কৰিব পৰা কৰ্ম্মী মানুহো। তথাপি আসাম সাহিত্য সভা নাইবা কামৰূপ অনুসন্ধান সমিতি নাইবা এইবোৰ বিষয়ত অনুৰাগ থকা আন কোনো অৰ্থশালী লোকে উদ্যোগ কৰিলে যে একেবাৰে একো কৰিব নোৱাৰিব এনে নহয়। সেই দেখি তেনে কাম কৰিব খোজা কোনো অনুষ্ঠান নাইবা কোনো ব্যক্তি বিশেষৰ সুবিধাৰ অৰ্থে, ইয়াত অপ্ৰাসঙ্গিক হলেও, কি উপায়েনো এই মন্ত্ৰ-সাহিত্যসকল সংগ্ৰহ কৰি দেশী, বিদেশী পণ্ডিতসকলৰ বৈজ্ঞানিক ভাবে আলোচনাৰ সুযোগ কৰি দিব পাৰি, সেই সম্বন্ধে তলত অলপ উল্লেখ কৰা হল।

এজন মানুহে মন্ত্ৰৰ পুথিবোৰ সংগ্ৰহ কৰি আৰু তাৰ আলোচনাৰ বাবে সকলো আহিলা-পাতি গোটাই লৈ বৈজ্ঞানিক ভাবত আলোচনা কৰা যে আমাৰ দেশৰ মানুহৰ পক্ষে অতি টান কাম, তাক নকলেও হব। আমাৰ দেশৰ শিক্ষিত মানুহখিনি আঙুলিৰ মূৰতে লেখিব পাৰি। এই আঙুলিৰ মূৰত লেখিব পৰা মানুহখিনিৰ ভিতৰতে যি দুই একে এইবিলাক আলোচনাত যোগ দিয়ে বা যিসকলৰ যোগ দিবৰ ইচ্ছা আছে, তেওঁলোক আটাইবিলাক চাকৰি কৰা নাইবা ওকালতী আদি ব্যৱসায় কৰা লোক। এইবিলাক মানুহে চাকৰি বা ওকালতী আদি ব্যৱসায় এৰি এইবিলাক কৰিলে পেট প্ৰৱৰ্ত্তাবই নোৱাৰে। আৰু আমাৰ দুৰ্ভাগ্যক্ৰমে নিজৰ খাই কুলৰ মহ খেদিব পৰা মানুহৰ সংখ্যা আমাৰ নাই বুলিলেও অতিৰঞ্জিত কৰা নহয়। গতিকে সময় আৰু অৰ্থৰ অভাৱত গাৰেঁ ছুঁয়ে এইবোৰ বিচাৰি খোচাৰি সত্য অনুসন্ধান কৰা তেওঁলোকৰ পক্ষে অসম্ভৱ। আৰু আন বিদেশী পণ্ডিতসকলেও মূল পুথি-পাজি সংগ্ৰহ কৰি মৌলিক গৱেষণা কৰাৰ কোনো সুচল নাই। কিন্তু মূল পুথি-পাজিবোৰ একেলগে একে ঠাইতে পালে অনেকে এইবোৰ আলোচনাৰ সুযোগ পাব পাৰে। সেই দেখি সৰ্ব্ব প্ৰথমে এই পুথিবোৰ সংগ্ৰহ কৰাই প্ৰধান কাম।

আসুৰিক বেজবিলাকৰ মৃত্যু আৰু আসুৰিক বেজালীৰ অৱনতিৰ লগে লগে বেজালী মন্ত্ৰৰ পুথিবোৰ এনেহ পাবলৈ টান হৈছে। তাতে যি কিছু পুথি পোৱা যায় তাকো একেলগে একেজন বেজৰ ঘৰতে পাবলৈ নাই। তদুপৰি বেজবিলাকে এই পুথিবোৰ আন মানুহক দিবও নোখোজে। ইত্যাদি কাৰণত পুথিবোৰ সংগ্ৰহ কৰাও সহজ নহয়। তথাপি ঠায়ে ঠায়ে মুখ্যাল মানুহবিলাকক কোনো অনুষ্ঠানৰপৰা অনুৰোধ কৰিলে আৰু সেই মুখ্যাল মানুহবিলাকে ইচ্ছা কৰিলে, অনেক পুথি যে সংগ্ৰহ কৰি দিব নোৱাৰে এনে নহয়। পুথিবোৰ সংগৃহীত হলেও মূল পুথিবিলাক পোৱা নাযায়। গতিকে পুথিবিলাক সংগ্ৰহ কৰি লৈ তাক নকল কৰাৰও লাগিব। পুথি সংখ্যাত বহুত হলেও সকলোবিলাক

আকাৰত ভাঙ্গৰ নহয়। অনেক পুথি ১০। ১২ পতীয়া; ৫০। ৬০ বা ১০০। ১৫০ পাত থকা পুথি বৰ বেচি নহয়। সেই দেখি এইবোৰ পুথি নকল কৰাত ৫০০৲ ৬০০৲ শ মান টকা হলেই হব যেন লাগে। অৱশ্যে এই টকা বৰ সাৱধানে খৰচ কৰিব লাগিব। এতিয়া প্ৰায় গাৱেঁ গাৱেঁ ছাত্ৰবৃত্তি, মাইনৰ বা মেট্ৰিকলৈ পঢ়া লৰা বিচাৰিলে পোৱা যায়। এই লৰাবিলাকৰ দ্বাৰাই তেওঁলোকক পৰিশ্ৰমিক ৰূপে ২। ৪ টকা দিলেই পুথি নকল কৰাব পাৰি। কেৱল এই নকলবোৰ মূলৰ অনুৰূপ হৈছেনে নাই তাক চাবলৈ মানুহৰ দৰ্কাৰ হব। এই কাম স্কুলৰ পণ্ডিত আৰু টোলৰ অধ্যাপকসকলৰ দ্বাৰা কৰাব পাৰি। তেওঁলোকক অনুৰোধ কৰিলে পুথি মোকাবিলাদি চোৱা কাম তেওঁলোকে আনন্দেৰে সৈতে কৰি দিব বুলি মোৰ বিশ্বাস। এই প্ৰণালীৰে সমুদায় পুথি (যিমান পৰা যায় আৰু পোৱা যায়) সংগ্ৰহ কৰি গুৱাহাটীৰ কামৰূপ অনুসন্ধান সমিতিত নাইবা যোৰহাটৰ সাহিত্য সভাৰ পুথি-ভঁৰালত একেলগ কৰি ৰাখিলে ভবিষ্যতে দেশীয়েই হওক নাইবা বিদেশীয়েই হওক, পণ্ডিতলোকৰ আলোচনাৰ বাবে সুবিধা হব। আৰু অসমীয়া সাহিত্যৰ সম্প্ৰতিকে অগঠিত ইতিহাস ৰচনাতো বিশেষ সহায় হব পাৰিব।

মোৰ বক্তব্য প্ৰায় শেষ হৈ আহিল, দু-এষাৰমান কথা কৈ এই প্ৰবন্ধৰ সামৰণি মাৰিব লাগিব। অসমীয়া মন্ত্ৰবোৰ কি কি কাৰ্য্যত প্ৰয়োগ হয় তাৰ কথাও পাচত অতি সংক্ষেপে উল্লেখ কৰা হৈছে। কিন্তু সেই মন্ত্ৰবিলাকৰ দুটা প্ৰধান ভাগৰ বিষয়ে এতিয়াও কোনো কথা কোৱা হোৱা নাই।

সকলো কাৰ্য্যতে প্ৰয়োগ হোৱা মন্ত্ৰবোৰ দুভাগে বিভক্ত। এভাগক বোলে সিদ্ধ মন্ত্ৰ আৰু আন ভাগক বোলে সাধ্য মন্ত্ৰ। সিদ্ধ মন্ত্ৰবিলাক প্ৰায় আটাইখিনিয়েই তন্ত্ৰ শাস্ত্ৰৰ বীজ মন্ত্ৰৰ নিচিনা। তন্ত্ৰ শাস্ত্ৰ যে এই কামৰূপ দেশৰ শাস্ত্ৰ, কামৰূপ দেশতে যে তান্ত্ৰিক মতৰ সৃষ্টি আৰু পুষ্টি হৈছিল এই কথা নকলেও হব। আৰু এই কাৰণেই কামৰূপৰ মানুহ মাত্ৰেই কিছুপৰিমাণে তান্ত্ৰিক আছিল, আৰু এতিয়াও আছে। মুখ্যতঃ এই হেতুকেই তন্ত্ৰ শাস্ত্ৰৰ বীজ মন্ত্ৰবোৰ সাধৰণ কথিত ভাষালৈও অপৰিবৰ্ত্তিত আকাৰে আহিছে। অং ক্ৰীং, হ্ৰীং ক্লীং হুং ইত্যাদি বীজ নাইবা তাৰ লগত আৰু দুই এটি শব্দৰ যোগত একো একো বীজ মন্ত্ৰ হয়। অসমীয়া ভাষাতো তেনে ভাবে একো একোটি নাইবা তাৰ লগত আৰু আন আন দুই এটি শব্দৰ যোগত একোটি বীজ বা সিদ্ধ মন্ত্ৰ হোৱা দেখিবলৈ পোৱা যায়। এইবিলাক মন্ত্ৰ পূৰ্ব্বকালত সিদ্ধাচাৰ্য্যসকলৰ মুখৰপৰা ওলাইছিল আৰু সেই সেই প্ৰকাৰে এবাৰ উচ্চাৰণ কৰিলেই এই মন্ত্ৰবোৰৰপৰা ফল লাভ হৈছিল। সেই দেখিয়েই এই মন্ত্ৰবিলাকক সিদ্ধ মন্ত্ৰ বোলে। এই সিদ্ধ মন্ত্ৰৰ উদাহৰণ দি প্ৰবন্ধ বঢ়োৱাৰ কোনো প্ৰয়োজন নাই।

আন ভাগক বোলে সাধ্য মন্ত্ৰ। এই সাধ্য মন্ত্ৰবিলাক প্ৰায় পদ্য ছন্দত লিখা। অনেকৰ অৱশ্যে যতি আৰু মিত্ৰাক্ষৰৰ তেনে মিল নাই। এইবোৰ মন্ত্ৰ আপেক্ষিক আধুনিক কালত বেজসকলৰ দ্বাৰা ৰচিত হোৱা বুলি অনুমান কৰিব পাৰি। এই মন্ত্ৰবোৰ স্বৰ লয় আৰু সুৰযোগত উচ্চাৰণ কৰিব লাগে। তাৰ ফলত প্ৰত্যেক শাৰী মন্ত্ৰ বা মন্ত্ৰৰ প্ৰত্যেক শব্দ উচ্চাৰণ কৰোঁতেই বিশেষ বিশেষ শব্দৰ একোটি কম্পন উদ্ভৱ হয়। এই যে শব্দৰ বিশেষ বিশেষ কম্পন বা শক্তি, ই মানুহৰ মন আৰু শৰীৰ দুয়োৰো ওপৰত ক্ৰিয়া কৰিব পাৰে আৰু সেই দেখিয়েই মন্ত্ৰ গাই বেজসকলে বহুত কঠিন ৰোগ আৰোগ্য আৰু উপশম কৰিব পাৰে। এই স্বৰৰ কম্পন তুলি মন্ত্ৰ পাঠ কৰা শিকিবলৈ বেজবিলাকৰ অনেক যত্ন আৰু অনেক শিক্ষাৰ দৰ্কাৰ হয়। বিশেষতঃ বেজবিলাক সত্ত্ব গুণাৱলম্বী লোকো হব লাগে। এই মন্ত্ৰবোৰৰ বাবে এনেকৈ সাধন কৰিব লগা গতিকেই এইবোৰৰ নাম হৈছে সাধ্য মন্ত্ৰ। এই সাধ্য মন্ত্ৰ অভ্যাস কৰিবলৈ নিজে পৰিশ্ৰম কৰিলেও নহয়। এইবোৰ কৰ্ম্মত পটু, অভিজ্ঞ বেজক গুৰু মানি শিক্ষা কৰিব লাগে। তেহে যথাযথ ভাৱে উচ্চাৰণ কৰি যথাযথ শব্দৰ যথাযথ কম্পন উৎপন্ন কৰিব পাৰি। ভাল বেজে সাধ্য মন্ত্ৰ স্বৰ লয় আৰু সুৰযোগত উচ্চাৰণ কৰি ৰোগীক জাৰিবলৈ ধৰিলে ৰোগীৰ ওচৰত থকা আন মানুহেও সেই মন্ত্ৰৰ শক্তি



অনুভৱ কৰিব পাৰে। কামৰূপ জিলাৰ বাইহাটা অঞ্চলৰ এজন ভকত বুলি এজন বেজে স্বৰ লয় আৰু সুৰযোগত মন্ত্ৰ পাঠ কৰিব পাৰিছিল। সাধ্য মন্ত্ৰৰ উদাহৰণ স্বৰূপে তলত কেইফাকিমান মন্ত্ৰ তুলি দিয়া হল।

ব্ৰহ্মা বোলে শুনা বিৰালীগণ,
মনুষ্যৰ ধৰা কোন কোন আছে।
স্বৰূপে কহিবা নকহিবা আন।
মিছা মাতা যদি চপাই কাটিম নাক কাণ।
প্ৰথমতে বৰ বিৰালী আগ বাঢ়ি,
তাই কহিলা ব্ৰহ্মাত গোচৰি:
শুনা পিতৃ মনুষ্যৰ মুণ্ডে থাকোঁ ধৰি,
বাৰ গোটা গোমৰ বিষ মই থাকোঁ ধৰি।
মুণ্ডে বিষ চৰি বল হৰে হীন,
এতেকে জানিবা বৰ বিৰালীৰ চিন।

আৰু বেচি উদ্ধৃত কৰাৰ সকাম নাই। মন্ত্ৰৰ ভাষাৰ সম্বন্ধে কব লগা বহুত আছে। কিন্তু সেই সকলো কথাৰ আলোচনা কৰিব লাগিলে সুকীয়াকৈ নকৰিলে নহয়। সেই দেখি তেনে চেষ্টা ইয়াত কৰা নহল। বহু ভাষাবিদ্ পণ্ডিতে এইবোৰ আলোচনা কৰিলে বহু তথ্যপূৰ্ণ কথা ওলাব। সংক্ষেপে ইয়াকে কব পাৰি যে মন্ত্ৰবিলাকত সংস্কৃতমূলক, সংস্কৃত, প্ৰাকৃত, বুঞ্জিৰ নোহোৱা প্ৰাচীন কালৰ বুদ্ধ-দোহা শাস্ত্ৰৰ অসমীয়া ভাষাৰ নিচিনা ভাষাৰ শব্দ, আধুনিক অসমীয়াত ব্যৱহাৰ হোৱা শব্দ, দাতি কাষৰীয়া জাতিৰ ভাষাৰ শব্দ আৰু আৰবী পাৰস্য শব্দও পোৱা যায়। সাধাৰণতঃ যাক "দোৱান" বোলা যায়, তেনে দোৱানত লিখা মন্ত্ৰও আছে। এইবিলাক সকলোৰে পৃথক পৃথক উদাহৰণ দিব লাগিলে এই প্ৰবন্ধ বাঢ়ি যাব। সেই দেখি সেইবোৰ চেষ্টা নকৰি মন্ত্ৰ সাহিত্যৰ ৰচনা প্ৰণালী কেনেকৈ ক্ৰমে ক্ৰমে বুঞ্জিৰ নোহোৱা অসমীয়াৰ পৰা আজি কালিৰ প্ৰাঞ্জল অসমীয়াত পৰিণত হল, তাক দেখুৱাবৰ অৰ্থে ক্ৰমাগতে বুঞ্জিৰ নোহোৱাৰ পৰা বুঞ্জিৰ পৰা ভাষালৈ কেইফাকিমান মন্ত্ৰ তুলি দিয়াহল:—

বুঞ্জিৰ নোহোৱা ভাষা:—

কাল কাজল পাচলৈ যাই।
কাল কাজল পৰিয়া যাই।
কাজলা পৰে কলিঙ্গা বিষ।
ৰাজা চাপ মঙ্কুৰি।
ভিঙ্গিবৰ কত।
কতঙ্গা বৌৰষী উঠে উঠে।
তৈৰ্স্তচে বান্দাসে হেলও মাৰে।
চুতকাল নিবাৰো।
ওঁংকাং স্বাহা চুৰচন্দ ভাঙ্গো মুখচন্দ ভাঙ্গো।
ভাঙ্গো চৌৰষী গাঠি।
ঈশ্বৰৰ আজ্ঞায়ে চুৰচন্দ ভাঙ্গি কৰিলোঁ নাশ।
তাম্ৰ শশী তুলাৰ বান্দ দিলে।
ও লোকৰ মেৰিলো বান।
শশী শশী থিকা আৰু মুকুতাৰ হাৰ।

কিছু বুঞ্জিৰ পৰা ভাষা, যেনে:—

চন্দ্ৰ সূৰ্য্য গোঁসাই দিলা ভাটী
মেলিলো চুৰচান্দ সৰু হাবা কলৰ গাঠি।
মজিলোঁ মজিয়া পাৰিলোঁ আনি।
মেলিলো সৰু কলৰ গাঠি।
হাতসকল কতনীবল মেলিলোঁ যৌদীবুৰ।

বুঞ্জিৰ পৰা ভাষা, যেনে:—

উপজিলা ৰাত্ৰি দিনত গৈলা।
পুত্ৰসহিতে এৰা এৰি ভৈলা।
নকলো জীৱন কৰিলোঁ ভেদ।
এতেকে দিলেক হৃদিত খেদ।
জুগজিগ তোৰ বাঞ্ছা সঙ্গ।
নজানিলো তোৰ মনৰ ৰঙ্গ।

আধুনিক প্ৰাঞ্জল ভাষা, যেনে:—

শুনা শুনা ব্যাধি তোৰ কহোঁ জন্ম জাতি।
ব্ৰহ্মাত হন্তে তোৰ ভৈল উৎপতি।
সৃষ্টি কৰিবাৰ ব্ৰহ্মাৰ ভৈলা মন।
মৃত্তিকাৰ মনুষ্য সাজি কৰিলা যতন।
হাত, ভৰি, নাক, কাণ, চক্ষুক যে দিলা।
প্ৰাণ দিব লাগি ব্ৰহ্মা মনত গুণিলা।
হাসু হাসু কৰে সবে তুলি আছে দাঁত।
সবে আছে কেৱল নাহিকে মাত্ৰ মাত।

ইয়াতো মন্ত্ৰবিলাকৰ আখ্যান বস্তুৰ বিষয়েও দুই আষাৰ কোৱা উচিত যেন ভাবো। মন্ত্ৰবিলাকৰ তিনটি কথা সকলো পুৰাণ শাস্ত্ৰত মিল আছে। সেই তিনটি কথা সংক্ষেপে কলে এয়ে হয়। ব্ৰহ্মাই সৃজন কৰে, বিষ্ণুৱে পালন কৰে, আৰু কালৰূপী ৰুদ্ৰদেৱে সংহাৰ কৰে। অন্যান্য পৌৰাণিক উপাখ্যান মন্ত্ৰৰ ভিতৰত যি পোৱা যায় সেই বিলাক পুৰাণ শাস্ত্ৰৰ লগত মিল নাই। আৰু অনেক উপাখ্যান বিকৃত যেন দেখা যায়। ইয়াৰ দ্বাৰাও মন্ত্ৰবোৰ যে অতি প্ৰাচীন, অনাৰ্য্য, পুৰাণৰ বিষয়বোৰ জন-সমাজত ভাল দৰে প্ৰচাৰ হোৱাৰ আগতে ৰচিত, তাকহে প্ৰমাণ কৰে। পৌৰাণিক আখ্যানৰ ভিতৰত অমৃত মথন, দক্ষযজ্ঞ ধ্বংস বীৰভদ্ৰৰ উৎপত্তি ইত্যাদি কথা মন্ত্ৰৰ পুথিত আছে। আৰু আধুনিক ভাটীয়ালী মন্ত্ৰত বেউলা লখিন্দৰৰ গল্পও পোৱা যায়। ভাটীয়ালী মন্ত্ৰ বেউলা লখিন্দৰৰ উপাখ্যানেই। ইয়াৰ বাহিৰেও অনেক গল্প মন্ত্ৰত আছে। সেইবিলাকৰ যে মূল কি তাক পোৱা বৰ টান। তলত দুটামান তেনে গল্পৰ সংক্ষেপ টোকা দিয়া হল।

১। লঙ্কাৰ ৰাৱণে বীৰসকলক পেৰাত বন্দী কৰি থৈ দিছিল। পিচত শ্ৰীৰামচন্দ্ৰে ৰাৱণক বধ কৰি বিভীষণক ৰাজপাটত বহুৱাই বীৰসকলক পৰীক্ষা চাবৰ অৰ্থে ভলা গছত ধৰিবলৈ দিলে। বীৰে ধৰা মাত্ৰে ভলা গছডাল মৰিল। তাৰ পিচত শ্ৰীৰামচন্দ্ৰে মন্ত্ৰ মাতি ভলা গছডাল জীয়ালে। সেইদেখি এতিয়াও ভলা গছৰ আগত বিষ থাকিল।

২। সৃষ্টিৰ প্ৰথমতে ব্ৰহ্মাদেৱে "আচল পিচল কায়" গোপাল নৰসিংহক সৃজন কৰিলে। গোপাল নৰসিংহে নাচি নাচি ফুৰে আৰু যত বিষ ব্যাধি আছে মানে ধৰি ধৰি খায়।

৩। বৈদ্যগণে ব্ৰহ্মাত গোচৰ দিলে, হে পিতৃ আমি বেদৰ বাহিৰা গাঁঠি আৰু কিতাপ কোৱাণৰ গাঁঠি নাশিব নোৱাৰোঁ। আপুনি উপায় কৰোক। তেতিয়া ব্ৰহ্মাদেৱে কিছু সময় মৌন থাকি গুপ্ত উচ্চাৰণ কৰি উচ্চ শব্দ কৰিলে। পিচত বেদৰ বাহিৰা কিতাপ কোৱাণৰ গাঁঠি কাটি গু কৰি দিবলৈ গু কৰতি উৎপন্ন হল।

সামাজিক কথাও মন্ত্ৰবিলাকত কিছু পোৱা যায়। যদিও এতিয়া তাৰ বিশেষ আঁতি-গুৰি নাই তথাপি তাৰ মূল্য আছে। ভাল অনুসন্ধান হলে আৰু সকলো মন্ত্ৰৰ পুথি আবিষ্কৃত হলে এইবোৰ কথাৰ আঁতি-গুৰি নোলাব বুলি কোনে কব পাৰে? তাৰ ভিতৰত তলত কিছু উল্লেখ কৰা হল।

পাচ জাতি কোঁচৰ কথা আছে। তাৰ ভিতৰত আলুখোৱা কোঁচ এবিধ। গাৰো চাৰি জাতিৰ কথা আছে; যেনে, হানা গাৰো, জখলা গাৰো, যবন গাৰো, চকৰা খোৱা গাৰো। কছাৰী তিনি জাতিৰ কথা আছে; যেনে, ফুল লোৱা কছাৰী, চোৰ কছাৰী, আৰু কেঁকোৰা খোৱা কছাৰী। সাত জাতি কেওটৰ কথাও আছে, যথা—ভেৰ কেওট, টেৰ কেওট, জালো কেওট, হালিৰি কেওট, কৈবৰ্ত্ত কেওট, আটফুৰি কেওট, শুগি খেৱানী কেওট। ছয়ত্ৰিশ জাতি মনুষ্যৰো উল্লেখ আছে

ইয়াৰ বাহিৰেও মন্ত্ৰৰ পুথিত এইবোৰ কথা পোৱা যায়:—ৰামগিৰী কছাৰী আৰু ৰানগিৰী সন্ন্যাসী বুলি দুজন বা এজন মানুহৰ নাম; শঙ্কু বুলি এজন প্ৰসিদ্ধ বেজৰ কথা আৰু অজপা ফুল বুলি এটি প্ৰসিদ্ধ ফুলত অজপা মন্ত্ৰ সিদ্ধ হোৱাৰ কথা আছে। তন্ত্ৰ শাস্ত্ৰত অজপা মন্ত্ৰ বুলি এটি মন্ত্ৰ আছে আৰু সেই মন্ত্ৰৰ অনেক মহিমাও বৰ্ণিত আছে। সেই অজপা মন্ত্ৰই অসমীয়া মন্ত্ৰৰ পুথিত উল্লেখ কৰা অজপা মন্ত্ৰ হয়নে নহয় ঠিক কৰা টান। অনেক আধুনিক মন্ত্ৰৰ পুথিত ফিৰিঙ্গি বঙ্গালৰ কথাও আছে। ফিৰিঙ্গি বঙ্গালৰ কথা থকাতহে এই মন্ত্ৰক আধুনিক বোলা হৈছে। হাচান, হুচেন আৰু বিবী ফতেমাৰ নামো মন্ত্ৰৰ পুথিৰ ভিতৰত আছে। আচৰিত কথা, আগত এটি বীজ দি, আল্লাৰ নামৰ মন্ত্ৰ কৰা হৈছে, যেনে হং আল্লায় নমঃ। এইবিলাক কথা মই যিখিনি মন্ত্ৰৰ পুথি দেখিছোঁ তাৰ পৰাহে কোৱা। মন্ত্ৰৰ পুথি অসংখ্য, মই তাৰ অতি সামান্য অংশহে দেখিছোঁ।

লিখিত মন্ত্ৰৰ বাহিৰেও মুখে মুখে প্ৰচাৰিত হোৱা অনেক মন্ত্ৰ আছে, যেনে:—লোণ জৰা, আদা জৰা, টনকা জৰা ইত্যাদি। এই বোৰৰ সংখ্যা কোৱা অসম্ভৱ।



এইবোৰৰ বাহিৰেও আৰু এক শ্ৰেণীৰ মন্ত্ৰ আমাৰ দেশত প্ৰচলিত আছে। সেই মন্ত্ৰবিলাকক "দীখাৰ-চাট্ট" বোলে। এই জাতীয় মন্ত্ৰ বেজবিলাকতকৈ সত্ৰাধিকাৰী মহন্ত ভকতসকলেহে বেচি জানে। "দীখাৰচাট্ট" মাৰণ উচাটন আদি নানা কাৰ্য্যত প্ৰয়োগ কৰা হয়। এইবোৰ মন্ত্ৰ প্ৰায়ে শ্ৰীচৈতন্য, হৰিব্যাস, শ্ৰীশঙ্কৰ প্ৰভৃতিৰ নাম যুক্ত।

মন্ত্ৰৰ পুথিবিলাকৰ ভিতৰত আৰু তলতে তিনি শ্ৰেণীৰ নাম পোৱা যায়। এক শ্ৰেণীৰ নাম হৈছে সংস্কৃতমূলক, এক শ্ৰেণীৰ নাম হৈছে দেশৰ ভাষাৰ অনুৰূপ, আৰু এক শ্ৰেণীৰ নাম হৈছে বুজিব নোৱাৰা। পাঠকৰ্বগতিৰ নিমিত্তে তলত তিনিও শ্ৰেণীৰ মন্ত্ৰৰ নাম কেইটামান লিখা হল।

সংস্কৃতমূলক নাম।

সূচী সৰ্পঢাক, ৰাম সৰ্পঢাক, বীৰভদ্ৰগোপাল, নৰসিংহ, বজ্ৰকুট, গাতুড়ী ইত্যাদি।

দেশৰ ভাষাৰ অনুৰূপ নাম।

বাৰভণী, ওঠৰভণী, বেজালী, ভাটিয়ালী, ৰাজ-মোহিনী দেৱমোহিনী, বিহালী, বেজালী, কষ্টনাকালা ইত্যাদি।

বুজিব নোৱাৰা নাম।

শাস্ত্ৰা সুদগিৰী, মেছন্দৰী, চামন, কলপ, ইলিং, খোখন্দ ইত্যাদি।

শ্ৰেণীভেদ নকৰি তলত কিছুমান মন্ত্ৰৰ নাম দি এই প্ৰবন্ধ শেষ কৰা হল, যেনে:—

১। ওঠৰভনী ২। অৱৰাজ ৩। ইলিং ৪ খোখন্দ ৫। শকুলী ৬। সৰ্পঢাক ৭। সৰু নাৰায়ণী ৮। বৰ নাৰায়ণী ৯। বজ্ৰকুট ১০। গাতুড়ী ১১। নাগিনী ১২। তিনিভনী ১৩। ন-ভনী ১৪। বাৰভনী ১৫। মণিৰাজ ১৬। কাল-বেজালী ১৭। ভাটীয়ালী ১৮। সৰ্পঢাক ১৯। জন্মসৰ্পঢাক ২০। সুচীসৰ্পঢাক ২১। নাড়ীসৰ্পঢাক ২২। ৰামসৰ্পঢাক ২৩। উৰাণসৰ্পঢাক ২৪। জপকৰতি ২৫। উৰাণকৰতি ২৬। ৰামকৰতি ২৭। কালকৰতি ২৮। ব্ৰহ্মকৰতি ২৯। গু-কৰতি ৩০। মহাকৰতি ৩১। ৰুদ্ৰকৰতি ৩২। জয়-কৰতি ৩৩। বীৰাকাহিনী ৩৪। ভৈৰবদেৱান ৩৫। ভৈৰৱী ৩৬। সৰু নৰসিংহ ৩৭। বৰ নৰসিংহ ৩৮। অজপা ৩৯। দীক্ষাচাট ৪০। লাস্তাবাট ৪১। শনিবাট ৪২ লাস্তামুদগিৰী ৪৩। কালবজ্ৰ ৪৪। ৰাজমোহিনী ৪৫। শঙ্কৰমোহিনী ৪৬। দেৱমোহিনী ৪৭। বাটজাৰা ৪৮। ঘাটজাৰা ৪৯। ফুল-জাৰা ৫০। কলপ ৫১। চামন ৫২। মেছন্দৰী ৫৩। ব্ৰহ্ম-চাৰণ ৫৪। ক্ষেত্ৰপাল ৫৫। বিলাহীবেজালী ৫৬। হিয়ালয় ৫৭। কান্দুলীকানা ৫৮। হুঙ্কাৰকৰতি ৫৯। গোপাল নৰসিংহ ৬০। পক্ষীৰাজ ৬১। দেৱকৰতি ৬২। বীৰভদ্ৰ ৬৩। মণিৰাজ ইত্যাদি

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী।

---

## ৺হেমচন্দ্ৰ গোস্বামী।

বিলাপে আসামে আজি তিয়া ভুকুৱাই;
কলৈ গল হেমচন্দ্ৰ হায় নাই নাই।
সুমাল হেমৰ জ্যোতি হ'ল হা-হাকাৰ
আসাম সাহিত্য ক্ষেত্ৰ আজি অন্ধকাৰ।
গৌ শুনা গায় গীত উলাহ মনেৰে
অমৰ কন্যাই মিলি অমৰ নগৰে,
হেমক আদৰে দেৱগণে সসম্ভ্ৰমে;
বজাই মৃদঙ্গ, ঢোল অতি ৰং মনে।

উঠিছে স্বৰ্গত আজি আনন্দৰ ধ্বনি,
শোকত বিহ্বলা কান্দে আসাম জননী।
মৰ্ত্ত্যত জনমি হেম স্বৰ্গলৈ গ'ল,
অমৰ কীৰিতি ৰাশি চিৰকাল ৰল।
নাথাকে ই জগতত সঁচা বিনা মিছা;
ঐশ্বৰ্য্য বিভূতি লই কি সুখ ভাবিছা?
সংসাৰক ভাবা মাথোঁ বুলি কৰ্ম্ম ভূমি,
জ্ঞান প্ৰচাৰৰ অৰ্থে জনমিছা তুমি।

নিনাও সকলো চোৰা এই জগতৰ,
জ্ঞান বিলাবৰ হেতু জন্ম মানুহৰ।
মানুহেই দিয়া নাম পোহৰ আন্ধাৰ,
মানুহ নোহোৱা হলে নিনাও সংসাৰ।
জ্ঞানৰ মূৰতি এই মানৱৰ জাতি,
কু-নামেৰে নকৰিবা ইয়াৰ অখ্যাতি।
বঢ়াই লোকৰ জ্ঞান এৰে যি জীৱন
নহয় মৰণ তাৰ অমৰ সিজন।
ধন্য হেমচন্দ্ৰ তুমি জীৱন গঢ়িলা,
মাতৃ-ভাষা সেৱাতেই জীৱন কটালা;
জনমোতে ধৰিছিলা কান্দোন যেতিয়া
হাঁহিছিল পৰিয়ালে ৰঙ্গেৰে তেতিয়া।
তুমি গলা হাঁহি হাঁহি এৰে স্বৰ্গধাম
কন্দুৱাই সকলোকে, ৰাখি যশ নাম।
দেশৰ অপাৰ ক্ষতি যাৰ মৰণত
সাৰ্থক জনম তাৰ এই মৰতত।
ক্ষতি হল আসামৰ তোমাৰ মৃত্যুত,
দিওক ঈশ্বৰে শান্তি তোমাক স্বৰ্গত।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য।

---

# গুৱালপৰীয়া লোকৰ সাহিত্য চৰ্চ্চা।

গুৱালপাৰ প্ৰাচীন কামৰূপৰ প্ৰধান স্থান। মহাৰাজ নৰনাৰায়ণৰ সময়ত কোচবিহাৰ আৰু গুৱালপাৰেই প্ৰাচীন কামৰূপী বা অসমীয়া ভাষা চৰ্চ্চাৰ কেন্দ্ৰস্থান আছিল। আজি আমি যিবোৰ গ্ৰন্থকে আগত লৈ অসমীয়া ভাষাৰ বিজয় দুন্দুভি বজাইছোঁ, প্ৰায় সেই সকলোবোৰৰ জন্মস্থান গুৱালপাৰ আৰু কোচবিহাৰ। এইবোৰ গ্ৰন্থৰ সৰহ-খিনিৰ লিখক সেই কালত কোচবিহাৰত আৰু গুৱাল-পাৰত বাস কৰা বা জন্মলাভ কৰা মনীষিসকল।

ইংৰাজ আমোলৰ প্ৰথম ভাগত যেতিয়া আমাৰ প্ৰদেশত বঙ্গলা ভাষা চলিবলৈ ধৰে, সেই সময়ত অন্যান্য জিলাৰ দৰে গুৱালপাৰেও কিছুদিন কিং কৰ্ত্তব্য বিমূঢ় হৈ আছিল। যেতিয়া আমাৰ প্ৰদেশৰ দূৰদৰ্শী লোক-সকলৰ ঐকান্তিক যত্নত পুনৰ আমাৰ চিৰন্তনীয়া ভাষা চলিবলৈ আৰম্ভ হয়, সেই সময়ত গুৱালপাৰে নানা কাৰণত আমাৰ লগত পূৰাকৈ যোগ দিব নোৱাৰিলে। তাৰ ফলত আজি কিছুমান কুচক্ৰীৰ চক্ৰান্তত গুৱাল-পাৰৰ ভাষাক বঙালী ভাষা বুলি প্ৰতিপন্ন কৰিবলৈ কিছুমানৰ অহোপুৰুষাৰ্থ চলিবলৈ ধৰিলে। কিন্তু গুৱালপাৰে অন্যান্য জিলাৰ দৰে ভাষা চৰ্চ্চাত সম্পূৰ্ণৰূপে যোগ দিব নোৱাৰিলেও যত্ন নকৰি বহি থকা নাছিল; আৰু আজিলৈকে সেই জিলাৰ ভাইসকলে সাহিত্যৰ উন্নতিৰ অৰ্থে যিবোৰ কাম কৰিছে, সি অন্য জিলা বাসীয়ে কৰাতকৈ সংখ্যাত আৰু মূল্যত কম নহয়। আমাৰ সাহিত্য সন্মিলনৰ ধুবুৰীত বহা ৯ম অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে গুৱালপৰীয়া ভদ্ৰলোকে লিখা, প্ৰকাশ কৰা আৰু সম্পাদন কৰা কিতাপৰ তালিকা এটা প্ৰস্তুত কৰিছিল; আমি তাক তলত দিলোঁ। এই তালিকাটো দেখিলে গুৱালপৰীয়া ভাইসকলৰ অসমীয়া সাহিত্যলৈ কিমান আগ্ৰহ তাক বুজিব পাৰি।



গুৱালপাৰবাসীয়ে লিখা, প্ৰকাশ কৰা আৰু সম্পাদন কৰা কিতাপৰ তালিকা ঃ—

১। কমল কলি—বিবিধ কবিতা পুথি; অসমীয়া; লিখক—শ্ৰীযুত সীতানাথ ব্ৰহ্ম চৌধুৰী; প্ৰকাশক—শ্ৰীযুত নিবাৰণ চন্দ্ৰ বক্স চৌধুৰী; ছপা।
২। নতুন ধাৰাপাত—অঙ্কৰ পুথি; অসমীয়া; লিখক ও প্ৰকাশক—শ্ৰীযুত প্যাৰীমোহন নাথ; ছপা।
৩। শতপত্ৰ পাঠ—কাৰ্য্যশিক্ষা; অসমীয়া; লিকখ ও প্ৰকাশক—শ্ৰীযুত প্যাৰীমোহন নাথ; ছপা।
৪। ভীষ্মৰ শৰশয্যা—অমিত্ৰাক্ষৰ ছন্দৰ কাব্য; অসমীয়া; লিখক—চৌধুৰী; ছপা।
৫। শ্ৰীমন্নাম ঘোষা—ধৰ্ম্ম-পুথি।
৬। সংসাৰ চিত্ৰ—উপন্যাস; অসমীয়া; লিখক—শ্ৰীযুত চিন্তাহৰণ পাটগিৰি; প্ৰকাশক—শ্ৰীযুত যুগলচন্দ্ৰ সিংহ; ছপা।
৭। কিৰাত পৰ্ব্ব—ধৰ্ম্ম-পুথি; পুৰণি অসমীয়া; লিখক—৺কবিশেখৰ; হাতে লিখা। কোচ-বেহাৰ ৰাজ লাইব্ৰেৰীত পোৱা যায়; লিখক গৌৰীপুৰ ৰজাৰ পূৰ্ব্বপুৰুষ।
৮। জয়দেৱ-স্তুতি—ধৰ্ম্ম-পুথি; পুৰণি অসমীয়া; লিখক—৺জয়সিংহ; হাতে লিখা; কোচ-বিহাৰ ৰাজ লাইব্ৰেৰীত পোৱা যায়; লিখক বগৰিবাৰীৰ জমিদাৰৰ পূৰ্ব্বপুৰুষ।
৯। বিজ্নী ৰাজবংশাৱলী—ঐতিহাসিক পুথি; বঙ্গলা; লিখক ও প্ৰকাশক—৺বিৰূপাক্ষ ন্যায়বাগীশ; ছপা।
১০। হৰিবংশ—কাব্য; অসমীয়া; লিখক—কবি ৺ভৱানন্দ; সম্পাদক—পণ্ডিত শ্ৰীযুত ৰমানাথ বিদ্যালঙ্কাৰ; হাতেলিখা
১১। কৰ্চী স্তোত্ৰম্—ধৰ্ম্ম-পুথি; সংস্কৃত আৰু বঙ্গলা; সম্পাদক—পণ্ডিত শ্ৰীযুত ৰমানাথ বিদ্যালঙ্কাৰ; হাতেলিখা।
১২। পুষ্পমালাৰ্পনম—কাব্য; সংস্কৃত; লিখক—পণ্ডিত শ্ৰীযুত ৰমানাথ বিদ্যালঙ্কাৰ; হাতেলিখা।
১৩। কালীবন্দনা—ধৰ্ম্ম-পুথি; পুৰণি অসমীয়া; লিখক—৺গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য; হাতেলিখা।
১৪। অশ্বমেধ যজ্ঞ—ধৰ্ম্মপুথি; পুৰণি অসমীয়া; হাতেলিখা; গৌৰীপুৰ ৰাজলাইব্ৰেৰীত পোৱা যায়।
১৫। সৰল স্বাস্থ্যবিজ্ঞান—স্বাস্থ্যৰক্ষা; অসমীয়া; লিখক—ডাঃ শ্ৰীযুত ৰামলোচন দাস; হাতেলিখা।
১৬। পঞ্চমালা—কবিতা-পুথি; অসমীয়া; লিখক—শ্ৰীযুত মফিজুদ্দিন আহম্মদ; হাতেলিখা, বৰ ভাল কিতাপ।
১৭। প্ৰহ্লাদ চৰিত্ৰ বা হৰিনামমাহাত্ম্য—ধৰ্ম্ম পুথি; অসমীয়া; লিখক—শ্ৰীযুত হৰকিশোৰ চৌধুৰী; হাতেলিখা।
১৮। সচিত্ৰ আখৰ মালা, ১ম ভাগ—অসমীয়া; লিখক—শ্ৰীযুত হৰিকিশোৰ চৌধুৰী; হাতেলিখা।
১৯। গীতিমালা—ধৰ্ম্ম পুথি; অসমীয়া; লিখক—শ্ৰীযুত হৰকিশোৰ চৌধুৰী; হাতেলিখা।
২০। শঙ্কৰবিজয়—নাটক; অসমীয়া; লিখক—শ্ৰীযুত গোবিন্দপ্ৰসাদ দাস পাটগিৰি; হাতেলিখা।
২১। ভূমিকম্প—খণ্ড কাব্য; কামৰূপী ভাষা; লিখক—৺ভৰদেৱ গ্ৰহাচাৰ্য্য; হাতেলিখা।
২২। মাৰ্জ্জিত সিংহ—বুৰঞ্জীমূলক নাটক; অসমীয়া; লিখক—শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা; অসমৰ ভূমিকম্পৰ বিশেষ বিৱৰণ।
২৩। শান্তিভঙ্গ—সামাজিক নাটক; অসমীয়া; লিখক—শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা।
২৪। অদৃষ্ট—পৌৰাণিক নাটক; অসমীয়া; লিখক—শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা।
২৫। প্ৰতিধ্বনি—গান; অসমীয়া; লিখক—শ্ৰীযুত মলিনচন্দ্ৰ বৰা; হাতেলিখা।
২৬। দোহাবলী—তুলসীদাসৰ দোহাৰ ভাঙ্গনি; অসমীয়া; লিখক—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী; হাতেলিখা।
২৭। কবিতাৰ কিতাপ—খণ্ড কাব্য; অসমীয়া; হাতেলিখা।
২৮। সমাজনীতি আৰু ৰাজনীতি—গদ্য পুথি; অসমীয়া; লিখক—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী; হাতেলিখা।

২৯। ৰৰিন্‌চন্ ক্ৰুচো—উপকথা ; অসমীয়া ; লিখক আৰু প্ৰকাশক—শ্ৰীযুত গিৰীন্দ্ৰনাথ নাথ ; ছপা।
৩০। ৺প্ৰসন্নকুমাৰ ঘোষৰ জীৱনী—জীৱনী ; অসমীয়া ; লিখক—শ্ৰীযুত গিৰীন্দ্ৰনাথ নাথ ; ছপা।
৩১। ৺শঙ্কৰদেৱৰ জীৱনী—জীৱনী ; অসমীয়া ; সংগ্ৰহকৰোতা—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; প্ৰকাশক—[illegible] শ্ৰীযুত দুৰ্গাধৰ বৰকটকী ; ছপা।
৩২। গীতা—পদ্যত ভাঙ্গনি ; অসমীয়া ; লিখক—শ্ৰীযুত কেশৱচন্দ্ৰ চৌধুৰী ; হাতেলিখা।
৩৩। মহাভাৰত—পদ্যত চমুকৈ লিখা ; অসমীয়া ; লিখক—শ্ৰীযুত কেশৱচন্দ্ৰ চৌধুৰী ; হাতেলিখা।
৩৪। ৰাজবংশী কুলপ্ৰদীপ—ৰাজবংশী জাতিৰ বিৱৰণ ; বঙলা ; লিখক—শ্ৰীযুত হৰকিশোৰ অধিকাৰী ; ছপা।
৩৫। কমতেশ্বৰ—ঐতিহাসিক নাটক ; অসমীয়া ; লিখক—শ্ৰীযুত সুশীলকুমাৰ চক্ৰবৰ্ত্তী ; এম, এচ্, চি, বি, এল ; হাতেলিখা।
৩৬। শ্ৰীশঙ্কৰদেৱ—নাটক ; অসমীয়া ; লিখক—শ্ৰীযুত সুশীলকুমাৰ চক্ৰবৰ্ত্তী এম, এচ্, চি, বি, এল ; হাতেলিখা।
৩৭। ৺হৰি দেৱ—পদ্যত লিখা জীৱনী ; অসমীয়া ; লিখক—শ্ৰীযুত ভগৱানচন্দ্ৰ বৰুৱা ; হাতেলিখা।
৩৮। সংকীৰ্ত্তন—সংকীৰ্ত্তনৰ পুথি ; অসমীয়া ; লিখক—শ্ৰীযুত ভগৱানচন্দ্ৰ বৰুৱা ; হাতেলিখা।
৩৯। ভূগোল—অসমৰ ; অসমীয়া ; লিখক ও প্ৰকাশক—৺মুন্সী হাস্মত উল্লা ; ছপা।
৪০। আসামৰ ভূগোল ; অসমীয়া ; লিখক ও প্ৰকাশক—শ্ৰীযুত কেতুৰাম দাস ; ছপা।
৪১। বৰ্ণমালা পৰিচয়—অসমীয়া ; লিখক ও প্ৰকাশক—শ্ৰীযুত উমেশচন্দ্ৰ দাস ; ছপা।
৪২। নল দময়ন্তী—নাটক ; অসমীয়া ; লিখক—শ্ৰীযুত শ্যামাচৰণ দাস ; হাতেলিখা।
৪৩। বাল্মীকি—জীৱনী ; অসমীয়া ; লিখক ও প্ৰকাশক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; ছপা।
৪৪। ব্যাসদেৱ—জীৱনী ; অসমীয়া ; লিখক ও প্ৰকাশক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; হাতেলিখা।
৪৫। বশিষ্ঠ—জীৱনী ; অসমীয়া ; লিখক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; হাতেলিখা।
৪৬। বিশ্বামিত্ৰ—জীৱনী ; অসমীয়া ; লিখক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; হাতেলিখা।
৪৭। দুৰ্ব্বাসা—জীৱনী ; অসমীয়া ; লিখক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; হাতেলিখা।
৪৮। ভীষ্ম—জীৱনী ; অসমীয়া ; লিখক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; হাতেলিখা।
৪৯। ব্যাকৰণবোধ—ব্যাকৰণ ; অসমীয়া ; লিখক—শ্ৰীযুত গোবিন্দচন্দ্ৰ দাস ; হাতেলিখা।
৫০। নিজৰা—যোগশিক্ষা ; অসমীয়া ; লিখক ও প্ৰকাশক—শ্ৰীযুত বিষ্ণুনাথ বৰুৱা ; ছপা।
৫১। বিশুদ্ধ সনাতন ভাগৱতী ধৰ্ম্ম—ধৰ্ম্ম-গ্ৰন্থ ; অসমীয়া ; লিখক—শ্ৰীযুত বিষ্ণুনাথ বৰুৱা ; হাতেলিখা।
৫২। কথা নিজৰা—গল্প ; অসমীয়া ; লিখক ও প্ৰকাশক—শ্ৰীযুত বিষ্ণুনাথ বৰুৱা ; ছপা।
৫৩। জুবিলী—ৰাজভক্তি বিষয়ক কবিতাৰ কিতাপ ; বঙ্গলা ; লিখক ও প্ৰকাশক—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; ছপা।
৫৪। শুম্ভ-নিশুম্ভ বধ—গীতাভিনয় ; বঙ্গলা, লিখক—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; হাতেলিখা।
৫৪। আখৰমালা—সৰু সৰু লৰা-ছোৱালীৰ বাবে বৰ্ণপৰিচয় ; অসমীয়া ; লিখক আৰু প্ৰকাশক—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; ছপা।
৫৬। জয়মালা—ৰাজভক্তি বিষয়ক কবিতা ; বঙ্গলা ; লিখক—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; হাতেলিখা।
৫৭। গোৱালপাৰাৰ তথ্য—ঐতিহাসিক ; অসমীয়া ; লিখক—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; হাতেলিখা।
৫৮। কুলপ্ৰদীপ—ৰাজবংশী জাতিৰ ইতিবৃত্ত ; বঙ্গলা ; লিখক—শ্ৰীযুত হৰকিশোৰ অধিকাৰ ; হাতেলিখা।
৫৯। স্যমন্তক হৰণ—নাটক ; অসমীয়া আৰু বঙ্গলা ; লিখক—শ্ৰীযুত পদ্মলোচন ডিহিদাৰ ; হাতেলিখা।
৬০। অঙ্কুৰ—পদ্যপুথি ; অসমীয়া ; লিখক—শ্ৰীযুত ইন্দ্ৰমোহন দাস ; হাতেলিখা।



৬১। সাতভায়া—গল্পপুথি ; অসমীয়া ; লিখক—শ্ৰীযুত ইন্দ্ৰমোহন দাস ; হাতেলিখা।
৬২। সোণৰ মালা—প্ৰবন্ধ পুথি ; অসমীয়া ; লিখক—শ্ৰীযুত ইন্দ্ৰমোহন দাস ; হাতেলিখা।
৬৩। বেদান্ত দৰ্শন—দৰ্শন ; অসমীয়া ; লিখক—শ্ৰীযুত দুৰ্গাকিঙ্কৰ শাস্ত্ৰী ; হাতেলিখা।
৬৪। শুভচনীৰ পাচালী—বঙ্গলা ; লিখক আৰু প্ৰকাশক—শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী ; ছপা।
৬৫। মঙ্গলচণ্ডীৰ পাচালী—বঙ্গলা ; লিখক আৰু প্ৰকাশক—শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী ; ছপা।
৬৬। মাণিক মিত্ৰৰ উপাখ্যান—সাধুকথা ; বঙ্গলা ; লিখক আৰু প্ৰকাশক—শ্ৰীযুত ৰোহিনীকান্ত চক্ৰবৰ্ত্তী ; ছপা।
৬৭। বিষ্ণু ও বিষ্ণু উপাসক—ধৰ্ম্ম-সম্বন্ধীয় ; বঙ্গলা ; লিখক—শ্ৰীযুত নবেশ্বৰ দাস ; ছপা।
৬৮। মেছ ভাষা—গণিত সম্বন্ধীয় ; বঙ্গলা ; লিখক—শ্ৰীযুত কেতুৰাম দাস ; হাতেলিখা।
৬৯। ব্ৰহ্মপুত্ৰ মাহাত্ম্য—ধৰ্ম্ম-সম্বন্ধীয় ; বঙ্গলা ; লিখক—৺কৃষ্ণমোহন চক্ৰবৰ্ত্তী ; ছপা।
৭০। গৃহপুকুৰ—জ্যোতিষ সম্পৰ্কীয় ; বঙ্গলা ; ৺কৃষ্ণমোহন চক্ৰবৰ্ত্তী ; হাতেলিখা।
৭১। বড়োনি মিছা আয়েন—বড়োজাতি সম্বন্ধীয় ; বড়ো ভাষা ; লিখক—শ্ৰীযুত নৰপতি চৌধুৰী ও শ্ৰীযুত গঙ্গাচৰণ চৌধুৰী ; ছপা।
৭২। গোস্থাই মেথাই—বড়োজাতী সম্বন্ধীয় কবিতা ; বড়ো ভাষা ; লিখক—শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম নাজাৰী ; ছপা।

শ্ৰীনন্দিনাথ গোস্বামী।

---

# পূজ্যপাদ ৺নৰদেৱ অধিকাৰ গোস্বামীৰ কথা।*

৺শ্ৰীশ্ৰীনৰদেৱ অধিকাৰ গোস্বামী নগাঁও জিলাৰ দক্ষিণপাট বড়া গৃহস্থী সত্ৰত ১৮৫১ চনৰ ফাগুন মাহত ৺বিশ্বদেৱ গোস্বামীৰ ঔৰসত আৰু ভদ্ৰেশ্বৰী দেৱীৰ গৰ্ভত জন্মগ্ৰহণ কৰে। তেওঁতৰ আগৰ গৰাকী অধিকাৰ ৺শুভদেৱ গোস্বামী তেখেতৰ ভাতৃয়েক আছিল আৰু তাৰো আগৰ অধিকাৰ ৺বাসুদেৱ গোস্বামী তেখেতৰ নৰপিতাক আছিল।

অসমৰ আন আন সত্ৰৰ দৰে দক্ষিণপাট সত্ৰও বৈষ্ণৱ ধৰ্ম্ম প্ৰবৰ্ত্তক সত্ৰ। শঙ্কৰদেৱ স্বৰ্গী হোৱাৰ পাচত নগাঁৱত স্বনামখ্যাত দেৱ দামোদৰ দেৱ আৰু বংশীগোপাল দেৱে মাধৱদেৱৰ লগত পাটবাউসিত এখন সত্ৰ পাতে আৰু পাচত মাধৱদেৱৰ লগত ভিতৰি কিছু কথাত মতান্তৰ ঘটিলত দেৱ দামোদৰ দেৱে মাধৱদেৱৰ পৰা পৃথক হৈ বেলেগে সত্ৰ পাতে।

পাটবাউসিত দুজন সজ্ ব্ৰাহ্মণৰ লৰা, বংশীগোপাল দেৱৰ শিষ্য হয়। একজন নিৰঞ্জনদেৱ আৰু আন জন বনমালী দেৱ। নিৰঞ্জনদেৱ বংশীগোপাল দেৱৰ লগতে থাকে আৰু বনমালীদেৱ দেৱ দামোদৰ দেৱৰ লগলৈ যায়। নিৰঞ্জনদেৱেই আউনিয়াটি সত্ৰৰ আদি গুৰু আৰু বনমালীদেৱ দক্ষিণপাট সত্ৰৰ আদি গুৰু। চুহ্মোপনি সত্ৰ জয়ধ্বজ সিংহ ৰজাই পতা। বনমালীদেৱ বৰ বিচক্ষণ বুদ্ধিৰ গোসাঁই আছিল, আৰু তেখেতৰ সম্পৰ্কে বহুত অলৌকিক কথা শুনা যায়।

৺নৰদেৱ অধিকাৰ গোস্বামী দক্ষিণপাটৰ ১২শ অধিকাৰ

---

* এই সংখ্যাৰ মুখতে আমি এখেতৰ চিত্ৰপট চপাইছোঁ।
সম্পাদক, আ. সা. স. পত্ৰিকা।

পুৰুষ। এখেতৰ দিনত সত্ৰৰ বহুত উন্নতি হয় আৰু সাল-সলনি হয়। নিচেই কম বয়সতে বড়া সত্ৰৰপৰা ৺বামদেৱ গোসাঁয়ে ৺নৰদেৱ গোসাঁইক চোকা বুদ্ধি আৰু অসীম সাহৰ চিন দেখা পাই মূল সত্ৰলৈ আনে আৰু উপযুক্ত পণ্ডিত শিক্ষকৰ তলত সংস্কৃত অধ্যয়ন কৰিবলৈ দিয়ে। অলপীয়া বয়সতে এখেতে হিন্দুৰ সকলো বেদ, দৰ্শন আৰু সংহিতা পঢ়ি আয়ত্ব কৰা দেখি, এখেতক পঢ়াবলৈ দলা-অধিকাৰে কামৰূপৰপৰা অনা মহামহোপাধ্যায় পণ্ডিত ৺বীৰেশ্বৰ ভট্টাচাৰ্য্যই বিচুৰ্ত্তি খাইছিল। নিতৌ নামঘৰত এখেতৰ ভাগৱতৰ ব্যাখ্যা যেয়ে শুনিবলৈ পাইছিল সেয়ে এখেতৰ দৰ্শন শাস্ত্ৰত ব্যুৎপত্তিৰ প্ৰগাঢ়তা অনুমান কৰিব পাৰিছিল।

৺নৰদেৱ গোসাঁইৰ পণ্ডিতালি, সদালাপ আৰু আটাইতকৈ তেখেতৰ সকলোৰে প্ৰতি নিৰ্ভাজ মৰম, এই তিনটা কথাৰ নিমিত্তে তেখেত সদায় মানুহৰ মনত চিৰস্মৰণীয় হৈ থাকিব। জনা-বুজা কোনো লোকে তেখেতৰ লগত কথা-বাৰ্ত্তা পাতিবলৈ গলে, কেতিয়াও অসন্তুষ্ট হৈ নাহে আৰু যি বিষয়ৰ কথাকে হওক লাগিলে, তেখেতে পৰিপাটিৰূপে কথা পাতিব পাৰিছিল আৰু নজনা কথা নেজানো বুলি কৈ জানিবলৈ অলপো বেয়া নাপাইছিল। তেখেতে মুছলমান ধৰ্ম্মৰ কোৰাণ আৰু খৃষ্টান ধৰ্ম্মৰ বাইবেলো পঢ়ি চাইছিল। চাৰ চাৰ্লচ্ ইলিয়ট্ চাহাবে এবাৰ সত্ৰলৈ গৈ তেখেতৰ লগত ধৰ্ম্মৰ সম্পৰ্কে আলাপ কৰি বৰ সন্তোষ পাইছিল আৰু কৈছিল যে তেখেতৰ দৰে সকলো ধৰ্ম্মৰ জ্ঞান থকা হিন্দু পণ্ডিত অতি বিৰল। পশ্চিমৰ এজন মৌলবী চাহাবেও এবাৰ তেখেতক দেখা-সাক্ষাত কৰি তেখেতক যথাৰ্থ গোস্বামী বুলি বহুত প্ৰশংসা কৰিছিল।

গুৱাহাটীলৈ লৰ্ড কৰ্জন চাহাব অহোঁতে ৺নৰদেৱ গোস্বামীয়ে তেওঁক তাত দেখা কৰিবলৈ গৈছিল। প্ৰভু ঈশ্বৰে নিজৰ নাৱতে থাকি চাহাবৰ লগত দেখা-সাক্ষাত কৰি চাহাবক আশীৰ্ব্বাদ দিছিল আৰু লৰ্ড কৰ্জনে তেখেতক ৰূপৰ কোমা-অৰ্ঘা এজোৰ দি সন্মান কৰিছিল। চাৰ্ বেম্‌ফিল্ড্ ফুলাৰ চাহাবেও এবাৰ সত্ৰত দেখা দি সোনালী আখৰেৰে ছপা কৰা এখনি ভগৱদ্গীতা দি তেখেতক সন্মান দেখুৱায়। তেখেত অতি সাত্বিক ভাবৰ পুৰু আছিল আৰু পিন্ধা-উৰা, খোৱা-লোৱা, চলন-ফুৰ সকলোতে অতি সাত্বিক ভাবত চলিছিল।

আমাৰ দেশত আগেয়ে স্কুল কাছাৰিত যেনেকৈ বঙ্গলা ভাষা চলিছিল, সত্ৰ সভাতো তেনে আছিল। নাট আদিও বঙ্গলা বা বঙ্গসুৰা ভাষাত চলিছিল। এই লিখকৰ লগত এই বিষয়ে প্ৰভুৰ বহুত তৰ্ক বিত হৈছিল। প্ৰথমে যেতিয়া প্ৰভু ১৯০১ চনত তেজপুৰত চহৰ ফুৰিবলৈ গৈছিল আৰু লিখকে তেজপুৰ শিক্ষকৰ কাম কৰিছিল, তেতিয়াই প্ৰভুৰ লগ কেবাদিনো এই বিষয়ে কথাবাৰ্ত্তা হয়। পাচত বঙ্গ ভাষা একেবাৰে গুচাই সত্ৰৰ সকলো নাট সঙ্গীত প্ৰভুৱে নিজে অসমীয়া ভাষাৰে ৰচনা কৰে; আৰু পাচলৈ প্ৰভুৰ অসমীয়া ভাষাৰ প্ৰতি বৰ অনুৰাগ জন্মে, কেৱল মাত্ৰ কয় যে "ভাত-মাছ খোৱা ভাষাৰে নেলেখি অসমীয়া ভাষা সংস্কৃতীয়া ঠাচত লেখিব লাগে"। এই অনুৰাগৰ ফলতে ১৯২৪ চনত "আসাম-সাহিত্য সভাক ৫০০০৲ হাজাৰ টকা দান কৰে, যাতে তাৰ সুতেৰে সদায় অসমীয়া ধৰ্ম্মকিতাপ একোটি ছপা হৈ প্ৰকাশ পাই থাকে।

শিষ্য কি পৰশিষ্য, সকলোৰে প্ৰতি প্ৰভুৰ অক পটীয়া মৰমৰ কথা বহুতে বহুত প্ৰকাৰে গম পায়। দুখীয়া ছাত্ৰক পঢ়িবলৈ সহায় কৰা, কোনো মানুহ বিশেষ বিপদত পৰিলে অৰ্থেৰে উদ্ধাৰ কৰাৰ উদাহৰণ বহুতো দিব পাৰি। কিন্তু ব্যক্তিগত হিচাবত ইয়াত লিখিলে কোনোৱে কিজানি কোনো কথাত বেয়া পাব পাৰে, গতিকে এই লিখকৰ জীৱনত ঘটা এটা ঘটনা উল্লেখ কৰিলেই প্ৰভুৰ অন্তৰৰ মৰমৰ দৃষ্টান্ত যথেষ্ট হব বুলি ইয়াত দিয়া হল।

লিখকে গুৱাহাটী কলেজৰ স্কুলত শিক্ষকতা কৰি থাকোঁতে কটন কলেজত অসমীয়া ছাত্ৰ ভৰ্ত্তি হোৱা আৰু পঢ়াৰ অসুবিধা সম্পৰ্কে বাতৰি কাগজত লেখি প্ৰকাশ কৰা দোষত কামৰপৰা বিদায় পায়; আৰু বিদায় পাই ওকালতী পঢ়িবলৈ কলিকতালৈ যাবৰ অভিপ্ৰায় দেখুৱাই প্ৰভুলৈ এখন চিঠি লেখে। তাত অন্য একো কথাৰ উল্লেখ নাছিল। চিঠি লেখাৰ



কিছু দিনৰ পাচত প্ৰভুক সেৱা কৰিবলৈ যোৱা হল। যেতিয়া গধূলি হৈছে। সেৱা কৰি উঠা মাত্ৰকে "চাহ খাই" খোৱা হলনে তাৰ প্ৰভুয়ে খবৰ ললে। এইটো ইয়াতে কোৱা উচিত যে যেতিয়া কোনো মানুহে সেৱা কৰিবলৈ যায়, প্ৰভুৰ প্ৰথম প্ৰশ্ন হৈছে, খোৱা-লোৱাৰ দিহা হৈছে নে নাই; তাৰ পাচতহে অন্য কথাৰ আলাপ আৰম্ভ হয়। আমাৰো তেনে প্ৰশ্নৰ উত্তৰ শেষ হোৱাতে প্ৰভুৰ ওচৰত থকা ভকতসকলক বাহিৰলৈ যাবলৈ কৈ আৰু আমাক প্ৰভুৰ নিচেই কাষলৈ মাতি নি প্ৰভুৱে এইদৰে কথা-বাৰ্ত্তা পাতে:—প্ৰভু—"ওকালতী পঢ়িবলৈ কলিকতালৈ যাম বুলি লেখিছিলা, যোৱা ঠিকনা কৰিছা জানো?" উ:—"হয়, প্ৰভু ঠিকনা এক প্ৰকাৰ হৈছে।" প্ৰভু—"হাতত পইচা আছে জানো?" (আমি এই অৰ্থেৰেই যোৱা হৈছিল যদিও, ব্যক্ত কৰিবলৈ পোৱা নাছিলো।) উ:—"প্ৰভু, সেইটোহে অলপ অসুবিধা।" প্ৰভু—"কিমান লাগিবহঁক, কলিকতাত থাকিবলৈ" ? উ:—"৪০০৲ মান টকাৰ কমে সুবিধা নহব।" প্ৰভু—"চাৰি মাহত ৪০০৲ টকা লাগিব নে? হাত ধৰি খৰচ কৰিব লাগে।" উ:—"প্ৰভু, যোৱা অহা খৰচ আৰু তাৰ লগতে কিতাপো কিছু কিনিব লাগিব।" প্ৰ—"বাৰু, কলিকতালৈ যোৱাৰ এসপ্তাহ মানৰ আগতে আমালৈ যোৱাৰ ঠিকনা লেখিবা, আমি টকাটো পঠাই দিম, বা নিজেও লৈ যাবহি পাৰিবা। এতিয়া নিদিওঁ আকৌ খৰচ হৈ যাব পাৰে, বুজিছা?" পাচত ভকত-সকলক মতাই আনি সাধাৰণ আলাপ আৰম্ভ কৰিলে। আকৌ পাচত যেতিয়া আমি ওকালতী পৰীক্ষা পাছ কৰি প্ৰভুক সেৱা কৰিবলৈ যাওঁ, প্ৰভুক একো নোকো-ৱাকৈয়ে আগৰ দৰে উপ্‌যাচি কয়, "চলিহা, এতিয়া তোমাক ওকালতীত ভৰ্ত্তিৰ বাবে ২৫৲ টকা আৰু বছেৰে-কীয়া "পট্টাৰ" বাবে ২৫৲ টকা লাগিব, হেৰ কাকতি চলিহাক ৫০৲ টকা ভঁৰালৰপৰা আনি দেহি, তেওঁৰ এই টকাৰ এতিয়াই দৰ্কাৰ হব"।

লিখকৰ এয়ে যে প্ৰভুৰপৰা পোৱা মৰম এনে নহয়। মাজে সময়ে বিশেষ অভাৱত পৰিলে প্ৰভুৱে সহায় নকৰাকৈ নাথাকিছিল। প্ৰভুৰ সহায়ত কেবাজনো শিষ্য চাহৰ খেতিত ধনী হৈ এতিয়া জিলিকিব লাগিছে। বাস্তৱিকতে ৺নৰদেৱ গোস্বামী এগৰাকী আদৰ্শ আৰু ভক্তিৰ উপযুক্ত গুৰু আছিল, আৰু দক্ষিণপাট সত্ৰ থাকে মানে তেখেতৰ নাম জ্বলি থাকিব।

শ্ৰীদেৱেশ্বৰ চলিহা

---

# ৺পদ্মাৱতী দেৱী ফুকননী আৰু তেখেতৰ এটি প্ৰবন্ধ।

অসম দেশৰ পৰম গৌৰৱৰ স্থল, প্ৰাতঃস্মৰণীয় ৺আনন্দৰাম ফুকনৰ ঔৰসত আৰু সুবিখ্যাত ৰাজগুৰু ফুকনৰ ঘৰৰ গুণৱতী জীয়াৰী ৺মাহিন্দ্ৰী দেৱীৰ গৰ্ভত পদ্মাৱতী দেৱীৰ জন্ম হয়। এই মাহিন্দ্ৰী দেৱীৰ ভনীয়েক ৺ৰত্নসুন্দৰী দেৱীয়েই আমাৰ আন এজন গৌৰৱৰ স্থল আৰু প্ৰাতঃস্মৰণীয় অসম সন্তান ৺গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ প্ৰথমা পত্নী আছিল। এনে মাক-বাপেকৰ তত্বাৱধানত পদ্মাৱতী দেৱীয়ে সৰু বয়সৰে পৰা সৎশিক্ষা পাই মন স্থিৰ আৰু বহল কৰিবলৈ নথৈ সুবিধা পাইছিল।

পদ্মাৱতী দেৱী যোৰহাটৰ ৰসেশ্বৰ ঘৰৰ ৺শশধৰ ডেকা ফুকনৰ পুতেক ৺নন্দীশ্বৰ ফুকন ডাঙৰীয়ালৈ পৰিছিল। ৺নন্দীশ্বৰ ফুকন ডাঙৰীয়া সুশিক্ষিত, সুধাল আৰু ওখ মনৰ মানুহ আছিল। তেখেতে নগাঁৱৰ কাছাৰিত, সেই কালৰ এটি ডাঙৰ কাম কৰিছিল আৰু নগাঁৱতে থাকি তাতে তেখেতৰ মৃত্যু হয়। তেখেতৰ মৃত্যুৰ পাচত, পদ্মাৱতী ফুকননী নগাঁৱৰপৰা গুৱাহাটীলৈ উঠি আহিল আৰু গুৱাহাটীতে যোৱা পুহ মাহত বুঢ়া বয়সত তেখেতৰ মৃত্যু হল।

শিকাৰ গৌৰৱ দেখুৱাই সমাজত আদৰ সন্মান লভি উচ্চ স্থান অধিকাৰ কৰি গৈছে আৰু ভাৰতবৰ্ষতে এখন অনাথা তিৰোতাৰ আশ্ৰম স্থাপন কৰি, স্বজাতীয়সকলৰ উপকাৰ সাধি গৈছে। সংস্কৃত বিদ্যা যে জ্ঞানকৰী, তাৰ কোনো সন্দেহ নাই।

নব্য সম্প্ৰদায়ৰ স্ত্ৰী পুৰুষসকলৰ এইবিলাক পুৰণি কলীয়া কথাবে মনোৰঞ্জন নহবও পাৰে; তেখেতসকলে দকৈ গমি চালে বুজিব পাৰিব, আগৰ দিনৰ আৰ্য্য, আইসকলৰ দৰে শক্তিমতী, ক্ষমতা চলাব আৰু সেই ক্ষমতাৰ শুভফল দৰ্শাব পৰা তিৰোতা আজি কালি নাই। মই বিদ্যা-বুদ্ধিহীনা প্ৰায় ৮০ বছৰীয়া হোজা দিনৰ বুঢ়ী। মোৰ মনত হলে পুৰাকালৰ কথা, আৰ্য্যা আইসকলৰ চৰিত্ৰ সোৱাদ লাগে আৰু তেওঁলোকৰ ভাব-গতি উচ্চ যেন পাওঁ। সেইসকলৰ অনুকৰণ কৰি যাব পাৰিলে আৰু জ্ঞানকৰী সংস্কৃত বিদ্যা ভালকৈ শিক্ষা কৰিব পাৰিলে আমি সমাজত আকৌ উচ্চ স্থান পামহঁক, এনে আশাং কৰোঁ। বিদ্যাৱতী তিৰোতাৰ গৌৰৱ বাঢ়ে আৰু উচ্চ স্থান লাভ হয়।

সভাৰপৰা অনুগৃহীত পত্ৰ এখনি পাই তাৰ উত্তৰ বা প্ৰবন্ধটোকে ইমান দিনে পঠাব পৰা নাই। কাৰণ বোগৰ পাটীত পৰি আছোঁ। এতিয়াও গা বৰ অধিক হৈছে আছে। কোনো ৰূপে এই কেশাৰীকে লিখি পঠাই আদেশ পালন কৰা হল। লিখা অতি অশুদ্ধ হৈছে। মনোনীত হয় যদি, নিজগুণে ক্ষমা কৰি ছপাই লিখাব পাৰিব। নহলে, পাঠ নকৰিবও পাৰিব। ইতি—

বিনীতা

শ্ৰীপদ্মাৱতী দেৱী ফুকননী।

১৩৩৩ চন, ১ আহিন। গুৱাহাটী।

---

# ৺সুধালতা দুৱৰা।

আমাৰ পৰম শ্ৰদ্ধাভাজন শ্ৰীযুত ৰমাকান্ত বৰকাকতী ডাঙৰীয়াৰ বিদুষী কন্যা সুধালতা দুৱৰাৰ যোৱা ৫ মে তাৰিখে অকাল মৃত্যুৰ কথা আমাৰ পাঠক পঠিকাসকলে আগেয়েই শুনিছে। আমাৰ যোৱা সংখ্যা ওলোৱাৰ ২।৪ দিনৰ আগতে, কিন্তু ছপা হৈ যোৱাৰ পাচত, এই শোকৰ ঘটনা ঘটিছিল; সেই দেখি, যোৱা সংখ্যাত আমি ইয়াৰ উল্লেখ কৰিব নোৱাৰিলোঁ।

সুধালতা দুৱৰা অসমীয়াৰ গৌৰৱৰ স্থল আছিল। অসমীয়া মহিলাৰ ভিতৰত এখেতেই প্ৰথমতে বিশ্ববিদ্যালয়ৰ উপাধি পাইছিল। এখেতে দীৰ্ঘ জীৱন লাভ কৰি, বহুকাললৈ অসমীয়া মহিলাক আদৰ্শ দেখুৱাই, সাহিত্যৰ উন্নতি সাধন কৰি থাকিব বুলি আমি পৰম আশা কৰিছিলোঁ। জগদীশ্বৰে তাৰ বিপৰীত ব্যৱস্থা কৰিলে। আচল কাৰ্য্যক্ষেত্ৰত ভৰি দিবলৈ নৌপাওঁতেই, কুমলীয়া বয়সতে তেওঁ আমাৰ সকলো আশা নিৰ্ম্মূল কৰি, আমাক কন্দুৱাই গুচি গ'ল।

সুধালতাই বি, এ, আৰু বি, টি, পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমতে কলিকতাৰ বেথুন কলেজত কামত সোমাইছিল। সেই কামত থাকোঁতেই ১৯২৩ চনত অতি কৃতিত্বেৰে সৈতে তেওঁ সংস্কৃতত এম, এ, পৰীক্ষা পাচ কৰে। এই পৰীক্ষা পাচ কৰোঁতে তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। এই কৃতিত্বৰ বাবে তেওঁ কেবাটাও সোণৰ আৰু ৰূপৰ পদক পাইছিল। এম, এ, পাচ কৰাৰ পাচত, আজি ৮ বছৰৰ পূৰ্ব্বে, এলাহাবাদৰ Crosthwaite Girls' University স্কুলত তেওঁ শিক্ষয়িত্ৰী কামত সোমাই, পাৰিদৰ্শিতাৰ গুণত উন্নতি লাভ কৰি, শেহৰ তিনি বছৰ অতি সুখ্যাতিৰে সেই স্কুলৰে (principal) প্ৰধান শিক্ষয়িত্ৰীৰ কাম কৰিছিল। তেওঁৰ ভনীয়েক শ্ৰীমতী সুখলতা আইদেৱো সেই স্কুলতে শিক্ষয়িত্ৰী আছিল; আৰু দুয়ো একে লগে থাকি একে



লগত কাম কৰি, নিজৰ সচ্চৰিত্ৰ আৰু কাৰ্য্যকুশলতাৰ বাবে সকলোৰেপৰা নথৈ শ্ৰদ্ধা লাভ কৰিছিল।

ভনীয়েক শ্ৰীমতী সুখলতা, ভায়েক মণিলাল, আৰু এটি ভনীয়েক আৰু ভাগিনী ছোৱালীয়েসৈতে, এলাহাবাদৰ পৰা যোৱা ২ মে তাৰিখে সুধালতা দুৱৰা যোৰহাটৰ ঘৰ পায়হি। তাৰ পাচদিনা তেওঁ, শ্ৰীমতী সুখলতা, মণিলাল আৰু ভাগিনীয়েক, কেউজনৰে পেটৰ অসুখ হৈ আৰু বমি আহিবলৈ ধৰিলে। অনেক চিকিৎসা কৰাতো কোনো ফল নহল। ৫ মে তাৰিখে সুধালতাই কেৱল ৩২ বছৰ বয়সত আৰু তাৰ পাচ দিনা মণিলালে পৰিবাৰবৰ্গক আৰু তাৰ লগতে দেশবাসী সকলোকে শোকৰ সাগৰত পেলাই অনন্ত ধামলৈ পয়াণ কৰিলে।

সুধালতাই অসমীয়া সমাজৰ মুখ উজ্জ্বল কৰিছিল। তেওঁ আমাৰ লগৰে অসমীয়া বুলি আমি বৰ গৌৰৱ অনুভৱ কৰিছিলোঁ। সামাজিক ব্যৱহাৰতো তেওঁ অতি বিনীতা আৰু সুৰুচিসম্পন্না আছিল আৰু সকলোৰেপৰা শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিছিল। তেওঁৰ স্কুলৰ কৰ্ত্তৃপক্ষ, শিক্ষয়িত্ৰী, ছাত্ৰ, সকলোৰে তেওঁ অতিশয় প্ৰিয়পাত্ৰ আছিল। তেওঁৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰি, অকল অসম দেশৰে নেলাগে, ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰপৰাও অনেকে শ্ৰীযুত বৰকাকতী ডাঙৰীয়ালৈ চিঠি লিখিছে। এনেজন গুণী, লোকপ্ৰিয় আৰু বিদুষী মহিলাৰ অকাল মৃত্যু অসমীয়া সমাজৰ পক্ষে মহৎ দুৰ্ভাগ্যৰ বিষয়। এওঁৰ মৃত্যুত অসমীয়া সমাজৰ নথৈ হানি হল। আমি ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ, তেওঁৰ আত্মাৰ যেন সদ্গতি হয়।

বৰকাকতী ডাঙৰীয়াক প্ৰবোধ দিবলৈ আমি কোনো কথা বিচাৰি নেপাওঁ। তেখেত সুবিজ্ঞ; ঈশ্বৰৰ বিধান শিৰ পাতি লোৱাৰ বাহিৰে মানুহৰ আন কোনো উপায় নাই; আৰু এই দুৰ্ঘটনাৰ বাবে, তেখেতৰ লগতে তেখেতৰ সকলো দেশবাসীয়ে মৰ্ম্মান্তিক বেজাৰ পাইছে—ইয়াকে ভাবি যেন তেখেতে অলপ সান্ত্বনা লাভ কৰে। তেখেতক আৰু তেখেতৰ পৰিবাৰৰ সকলোকে আমি আমাৰ আন্তৰিক সমবেদনা জনাইছোঁ।

---

# ৺পৰশুৰাম খাওন্দ।

যোৱা ২২ জুন তাৰিখে, শুক্ৰবাৰে দিনৰ ১১ বজাত আমাৰ শ্ৰদ্ধাভাজন ডিব্ৰুগড়ৰ ৰায় বাহাদুৰ পৰশুৰাম খাওন্দ ডাঙৰীয়া ঢুকাল বুলি শুনি আমি বৰ বেজাৰ পাইছোঁ। তেখেত আমাৰ পুৰণি শ্ৰেণীৰ শিক্ষিত মানুহ আছিল আৰু সেই শ্ৰেণীৰ প্ৰায় সকলোবিলাক মানুহৰ দৰেই সুশিক্ষিত, কাৰ্য্যকুশল আৰু কৰ্ত্তব্য পালনত পৰিপাটি পুৰুষ আছিল। তেখেতৰ কৰ্ত্তব্য পালনৰ আদৰ্শ ৰ গুণ আছিল; সেই বাবেই কোনো ত্ৰুটী নথকাকৈ নিজৰ কৰ্ত্তব্য সমাধা কৰিবলৈ তেখেতে সদায় চেহে-কেহে কৰিছিল। চৰ্কাৰী সৰু বিষয়ৰপৰা ক্ৰমশঃ উন্নতি লাভ কৰি গৈ, শেহত আসাম প্ৰভিন্সিয়েল্ চিভিল্ চাৰ্ভিচলৈ উঠি, অতি সুদক্ষতাৰে সৈতে চৰ্কাৰী কাম চলাই, পৰশুৰাম খাওন্দে সকলোৰেপৰা প্ৰশংসা পাইছিল আৰু চৰ্কাৰৰ ঘৰৰপৰাও "ৰায় বাহাদুৰ" উপাধিৰে সন্মানিত হৈছিল। সেইকালত এই উপাধিৰ মোল আৰু সন্মান আজিকালিতকৈ বহুত সৰহ আছিল। খাওন্দ ডাঙৰীয়া অতিশয় বন্ধা নিয়মৰ মানুহ আছিল; আৰু ই তেখেতৰ চৰিত্ৰৰ এটা ঘাইকৈ লক্ষ্য কৰিব লগীয়া বিশেষত্ব। খোৱা, শোৱা, ফুৰা-চকা, পঢ়া-শুনা সকলোৰে তেখেতে নিৰ্দ্দিষ্ট সময় আৰু জোখ বান্ধি লৈছিল আৰু কেতিয়াও তাৰ এচুলিমানবো হেৰ্-ফেৰ্ নকৰিছিল। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৭৫ বছৰ হৈছিল। আজিকালিৰ দিনত এই বয়স পোৱা যাৰে তাৰে ভাগ্যত নঘটে। এনে বন্ধা-চটা নিয়মে তেখেতৰ আয়ুস বঢ়াত নথৈ সাহায্য কৰিছিল বুলি অনুমান হয়। তেখেতৰ আৰু এটা প্ৰধান গুণ আছিল যে

বিপদে তেখেতক বিচলিত কৰিব নোৱাৰিছিল। তেখেতে যতবিলাক ডাঙৰ ডাঙৰ শোক পাইছিল, এলা-পেচা মানুহক সেইবিলাকে তেনেই অকর্ম্মণ্য কৰিলে-হেঁতেন; তেখেত কিন্তু শেষলৈকে কেতিয়াও বিচলিত হোৱা নাছিল। তেখেতৰ ধৈর্য্যৰ প্রশংসা কৰাৰ উত্তৰত এদিন তেখেতে এই লিখকক কৈছিল—"বাপা, মোৰ টেটুত ডোল এডাল নহয়, কেবাডালো; তাকে কোনো কোনোডাল ছিগিছে, কিন্তু বাকী থকা কেডালে কেউফালৰপৰা সমানে আজুৰি মোক পোনকৈ থৈছে।"

আজি দুই তিনি বছৰৰপৰা থাওন্দ ডাঙৰীয়াৰ স্বাস্থ্য ভঙ্গ হৈ আহিছিল। তাৰ পূর্ব্বে "টাইম্‌চ অব্‌ আসাম" কাকতত, সেই সময়ৰ বহুত ৰাজনৈতিক কথাত তেখেতে নিজৰ মতামত প্রকাশ কৰিছিল। সেই লিখা-বিলাকৰপৰা তেখেতৰ, গভীৰ বিবেচনা, সাৰুৱা যুক্তি আৰু সুচিন্তিত মতৰ চিনাকি পোৱা যায়।

পুৰণি নিয়মেৰে শিক্ষা পোৱা বাবে, ৺পৰশুৰাম থাওন্দ লিখা-পঢ়াত বৰ পাকৈত আছিল। তেওঁৰ সুন্দৰ ইংৰাজী লিখা দেখিলে, নশলাগি নোৱাৰি। সেই কালৰ শিক্ষাৰ প্রথাই বেলেগ আছিল। বোধ কৰোঁ, সেই কাৰণেই তেখেতৰ শাৰীৰ প্রায় সকলো শিক্ষিত মানুহৰ দৰেই, তেখেতে প্রায় সকলো দায়িত্বপূর্ণ কামত যোগ্যতাৰ চিন দেখুৱাব পাৰিছিল। মুঠতে, তেখেত অসমীয়া সমাজৰ এগৰাকী লেখত লব লগীয়া শ্রেষ্ঠ পুৰুষ।

৺পৰশুৰাম থাওন্দ ডাঙৰীয়াৰ লগতে আমাৰ সেই শ্রেণীৰ অসমীয়া মানুহৰ অস্ত পৰিল। তেখেতে উচ্চ কৰি থৈ যোৱা ঠাইডুখৰি তেখেতৰ দৰে নির্ভুল ভাবেৰে পূৰ কৰোঁতা মানুহ সটকাই ওলাব বুলি আমাৰ মনে নধৰে। তেখেতৰ মৃত্যুত অসম দেশৰ অশেষ ক্ষতি হ'ল। আমি তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰিছোঁ আৰু তেখেতৰ সন্তপ্ত পৰিয়াললৈ আমাৰ সহানুভূতি জনাইছোঁ।

---

# সাহিত্যিক যৎকিঞ্চিৎ।

যোৱা ২য় সংখ্যা "আসাম সাহিত্য-সভা পত্রিকা"ত 'ভাষাৰ বিশুদ্ধতা' নামেৰে সাৰুৱা প্রবন্ধ এটি পঢ়ি বৰ সুখী হলোঁ। আশা কৰোঁ অকল ভাষাৰ বিশুদ্ধতা সম্বন্ধে আলোচনা নকৰি, যেন বর্ণ-বিন্যাস আদিৰ সম্পর্কেও আলোচনা কৰা হয়। কাৰণ, এনে বিধৰ আলোচনা আমাৰ সাহিত্যৰ মঙ্গলজনক। আমাৰ লিখকসকলে ভাবিব পাৰে যে, যধে-মধে এসোপা লিখিব পাৰিলেই হয়, বর্ণাশুদ্ধি আৰু বৈয়াকৰণ দোষৰ ফালে চকু দিয়াৰ আৱশ্যক কি? শ্রদ্ধাস্পদ বেজবৰুৱা ডাঙৰীয়াৰ ভাষাত কবলৈ গলে:—"এলাজু-কলীয়া, তেল-চিকতীয়া, ফটা আৰু অলেখ তাপলি-মৰা চুৰিয়া পিন্ধি যেনেকৈ ভাল মানুহ বোলাই সমাজত ওলোৱাটো হাঁহিয়াতৰ কথা, বর্ণাশুদ্ধি দোষেৰে ভমকা-ফুলীয়া ৰচনা লিখি বাহিৰলৈ উলিওৱাটোও সেইদৰে দোষৰ কথা। কোনো ইংৰাজে ইংৰাজী 'স্পেলিং আৰু গ্রামাৰ'ৰ নিয়ম নামানি বা নাজানি ইংৰাজী লিখিবলৈ গলে যেনেকৈ সি অশুধ হয়, অসমীয়া ব্যাকৰণ আৰু বর্ণাশুদ্ধি নামানি বা নাজানি কোনো অসমীয়াই অসমীয়া লিখিলেও সেইদৰে সেই লিখা অশুধ হয়। ইংৰাজ হলেই ইংৰাজী লিখিব নোৱাৰি, অসমীয়া হলেই অসমীয়া লিখিব নোৱাৰি।" (বাঁহী, ১ম বছৰ, ১০২ পিঠি।) কোনো কোনা অসমীয়া কাকতে কিছুমান শব্দৰ দুই ৰকমে বর্ণ-বিন্যাস কৰি কোনাত ঠাই দিয়ে। তাৰ দ্বাৰা বর্ণ-বিন্যাসৰ বেমেজালি বাঢ়ে। যেনে:—বেচি, বেছি; পিচে, পিছে; পাচে, পাছে; পাচত, পাছত; পিচত, পিছত; চাহাব, ছাহাব, ইত্যাদি। কোনো কোনো স্কুলীয়া কিতাপতো এনে ধৰণৰ বর্ণ-বিন্যাস থকা দেখা যায়। একেটা শ্রেণীৰ এখন পাঠ্য কিতাপত হয়তো "বেচি" আৰু আন এখনত হয়তো "বেছি" লিখিছে। শুৰিতে এইদৰে কেৰোণ লাগিবলৈ দিয়া উচিত নহয়।

আজিকালি অসমীয়া ভাষাটো, কবলৈ গলে, শুৰিয়াল নোহোৱা নাৱৰ দৰে হৈছে। এইটো বৰ পৰিতাপৰ বিষয়। আমাৰ সাহিত্যিকসকল "গাইগোটা পেটে ভঁৰাল" নহৈ একমুঠ হোৱা উচিত। আশাশুধীয়া ভাবে সাহিত্যৰ সেৱা কৰিব খুজিলে, এইফেৰা স্বার্থত্যাগ কৰিবই লাগিব। আঁকোৰ্গোজালি হৈ চলিলে জাতীয় সাহিত্যৰ যথা অনিষ্ট হবৰহে সম্ভাৱনা। এতিয়াই যিথিনি আউল লাগিছে সেয়ে আঁটিছে। "জোৰ পুৰি বৰলাৰ হাত পালেহি।" সাহিত্যিকসকল, কার্য্যতৎপৰ হওক।

অসমীয়া সাহিত্য-ক্ষেত্রত এবিধ চোৰৰ লগত প্রায়ে ভেঁটা-ভেঁটি হয়। এই বিধ চোৰৰ কোনো কোনোৱে আনৰ কবিতা আদি নিজৰ নামত প্রচাৰ কৰে আৰু কোনো কোনোৱে হয়তো আন ভাষাৰ কবিতা বা গল্প প্রবন্ধৰ অসমীয়া ভাঙনী কৰি "হেঁকাই টিলিকি" বায়। এটি ব্রহ্ম-সঙ্গীতত আছে:——

"সংসার যবে মন কেড়ে লয়, জাগেনা যখন প্রাণ,
তখনো হে নাথ, প্রণমি তোমায় গাহি বসে তব গান।"

এখন অসমীয়া কাকতত 'প্রার্থনা' নামেৰে কবিতাত ওলাইছে:——

"সংসাৰে যেতিয়া মোৰ কাঢ়ি লয় মন,
নেজাগে যেতিয়া মোৰ প্রাণ,
তেতিয়াও যেন প্রভু কৰযোৰ কৰি,
গাব পাৰোঁ তোমাৰেই গান।"

এনে উদাহৰণৰ অভাৱ নাই। মিছাতে উদ্ধৃত কৰাৰ সকাম কি?

অসমীয়া ভাষাত আজিকালি কবিতাৰ (সৰহ ভাগেই verse হে poems নহয়) অভাৱ নাই। কিন্তু কোনো কোনো কবিতা-লিখকৰ সকলো শ্রম পণ্ড হোৱা দেখা যায়; ভাষাৰ লালিত্য আদি দূৰতে থাওক, বহুত সময়ত এনেকি ৰজিতা নাপাই বেঙাই থাকে। কিছু দিনৰ আগেয়ে মাহেকীয়া কাকত এখনত প্রকাশিত কবিতা এটাত 'তুমি'ৰ লগত 'ধৰি'ক ধৰি-বান্ধি মিলাইছে, 'মতি'ৰ লগত 'বান্ধি'ক সাঙুৰি বান্ধিছে, 'প্রীতি'ৰ লগত 'তুমি'ক লেজুৰে আঁটি আঁটি প্রীতি-সম্ভাষণ জনাই দীর্ঘজীৱী হবলৈ আশীর্ব্বাদ এজোলোকা দিয়া হৈছে। এনে ধৰণৰ কবিতাৰ নাটনি নাই। কিন্তু এই দৰে 'কবি' নাম পাবলৈ ব্যর্থ চেষ্টা নকৰি, গদ্যত নিজৰ মনৰ ভাব প্রকাশ কৰাই শ্রেয়ঃ।

আমাৰ কোনো কোনো লিখকে 'ৱ'ৰ সলনি আজি-কালিও 'য়' ব্যৱহাৰ কৰি ৰচনাত মলি সানে; যেনে, 'গোৱালপাৰা'ৰ ঠাইত 'গোয়ালপাৰা' আৰু 'খোৱা, শোৱাৰ' ঠাইত 'খোয়া-শোয়া'ইত্যাদি। বঙ্গালী লিখক দুই এজনেও এই অসমীয়া 'ৱ' ব্যৱহাৰ কৰিবলৈ আগ্রহ কৰা দেখা গৈছে। ১৯১৪ চনৰ "মডার্ণ ৰিভিউ" নামেৰে এখন ইংৰাজী আলোচনীত এজন নামজলা বঙ্গালী সাহিত্যিকে লিখিছিল:—

"As regards Mr. Anderson's suggestion to adopt ৱ for the diphthong ও য় in Bengali, I may say that I have been trying to do so, though I fear with little success. খাওয়া যাওয়া are really খাআ যাআ as in করা (কর+আ), খাওন যাওন are খাঅন যাঅন as in করণ (কর+অন), খাওয়া যাওয়া are shortened forms of খাইবা যাইবা with the middle ই lost. Hence the forms খাবার যাবার। These two forms যাআ যাবা have been mixed up and given rise to the form যাওয়া। Whatever the reason may be, যাওয়া is pronounced যাৱা, or if one must avoid ৱ, যাওআ—*ja—o—a* is never যাওয়া as is spelt. On my *Bangala Bhasa* vol. 1, I have repeatedly drawn attention to the anomaly of writing য় for a short অ sound and spelling জলুয়া for জলুআ (really জলৱা). We are so accustomed to spell the words wrongly that it will not be an easy task to adopt their correct spelling. • • • (The Modern Review, Jan. 1914, p. 19.)

কিন্তু 'ৱ'ৰ অযথা ব্যৱহাৰো আমাৰ লিখাত দেখা গৈছে; যেনে, "পার্ব্বতী প্রসাদ"ৰ ঠাইত "পাৰ্ৱতিপ্রসাদ"। এনে কিম্ভূত কিমাকাৰ আখৰ যোঁটনিৰ আৱশ্যক কি?

আমি চিকিৎসা, উৎসাহ আদি কিছুমান শব্দৰ প্রকৃত উচ্চাৰণ হেৰুৱালোঁৱেই। 'ভূতৰ ওপৰতে দানহ'; এতিয়া আকৌ শ স ৰ উচ্চাৰণো হেৰুৱাবলৈ ধৰিছোঁ।

"শিৱসাগৰ"ৰ উচ্চাৰণ আমাৰ মুখত "চিৱ্চাগৰ" আৰু "শিৱপ্ৰসাদ" "চিৱপ্ৰচাদ" হোৱাটোৱেই তাৰ জ্বলন্ত প্ৰমাণ। এইটো আমাৰ শুভ লক্ষণ নে? এনে বিজতৰীয়া উচ্চাৰণৰ বাবে প্ৰায় সকলো অসমীয়াই দায়ী।

শ্ৰীমহানন্দ বৰুৱা।

---

# চাৰ্ হৰিসিঙ্গৰ প্ৰস্তাৱিত নতুন আইন।

ভাৰতীয় ব্যৱস্থাপক সভাত ডাক্টৰ চাৰ্ হৰিসিং গৌৰে তিনিখন নতুন আইনৰ প্ৰস্তাব কৰিছে। এই প্ৰস্তাৱিত আইনকেইখন সমাজ সম্পৰ্কীয়। সেই দেখি, সামাজিক হিচাবে, তাৰ বিষয়ে একেষাৰ ক'বৰ আমাৰ অধিকাৰ আছে।

প্ৰথম আইনখন হৈছে, সহবাসৰ কাৰণে ছোৱালীৰ বয়স নিৰ্দ্ধাৰণৰ বাবে। বৰ্ত্তমান চলিত আইন মতে, নিজৰ বিবাহিতা তিৰোতাৰ ১২ বছৰ আৰু নিজৰ বিবাহিতা নোহোৱা অন্য তিৰোতাৰ বয়স ১৪ বছৰ পূৰ নহলে, সেই তিৰোতাৰে সহবাস কৰিব নেপায়, আৰু কৰিলে তাৰ বাবে পুৰুষে দণ্ড পাব লাগে। প্ৰস্তাৱিত আইনে, এই বিষয়ে নিজৰ বিবাহিতা তিৰোতাৰ বয়স ১৪ বছৰলৈ আৰু অন্য তিৰোতাৰ বয়স ১৬ বছৰলৈ বঢ়াই দিব খুজিছে। আমাৰ মনেৰে, এই প্ৰস্তাৱ বৰ লাগতিয়াল যেন দেখিছো আৰু আইনত পৰিণত হলে, ইয়াৰপৰা সমাজৰ নথৈ মঙ্গল হব। সেই বাবে আমি এই প্ৰস্তাৱিত আইনৰ সমৰ্থন কৰিছোঁ।

দ্বিতীয় আইনখন হৈছে, হিন্দু জাতিৰ ভিতৰত, গিৰীয়েকৰ কুষ্ঠ ব্যাধি, পুৰুষত্ব হানি আদি গোটাদিয়েক দোষ ঘটিলে, আদালতৰ সাহায্যত বিয়া বাতিল কৰাবলৈ ঘৈণীয়েকক ক্ষমতা দিবৰ কাৰণে। আমি ভালকৈ ভাবি চিন্তি চাই, এই আইন সমৰ্থন কৰিব নোৱাৰিলোঁ। বিয়াৰ পূৰ্ব্বৰেপৰা তেনেবিলাক দোষ থাকিলে বিয়া অসিদ্ধ হব বুলি আমাৰ শাস্ত্ৰতে বিধান আছে, আৰু সি হোৱাও সম্পূৰ্ণ উচিত। কিন্তু বিয়াৰ পাচত তেনে কিবা দোষ ঘটিলে যদি বিয়া বাতিল কৰা যায়, তেন্তে তাৰপৰা সমাজৰ হিতৰ পৰিবৰ্ত্তে ঘুৰ্ঘোৰ অহিত হ'ব। এজন মানুহ লৰা-ছোৱালী হোৱাৰ পাচত যদি তেনে কিবা দোষগ্ৰস্ত হয়, আৰু সেই বাবে যদি কেচুৱা লৰা-ছোৱালীয়ে সৈতে তেওঁক নিৰাশ্ৰয় কৰি এৰি থৈ তেওঁৰ ঘৈণীয়েকে বিয়া বাতিল কৰাই গুচি যায়, তেনেহলে সমাজত কেনে বিশৃঙ্খলা ঘটিব তাক সহজেই অনুমান কৰিব পাৰি। তদুপৰি হিন্দুৰ বিয়া খ্ৰীষ্টিয়ান বা মুছলমানৰ দৰে এটা কেৱল চুক্তি নহয়। হিন্দু শাস্ত্ৰ মতে বিয়া এটা ধৰ্ম্ম-কাৰ্য্য আৰু ইয়াৰ বান্ধ পূৰ্ব্বজন্মৰেপৰা লাগি আছে আৰু পৰজন্মলৈকে থাকি যায়। সেই বাবে, এই আইন হিন্দু জাতিৰ ধৰ্ম্মবিৰুদ্ধও হয়।

চাৰ্ হৰিসিঙ্গৰ প্ৰস্তাৱিত তৃতীয়খন আইনৰ মৰ্ম্ম হৈছে যে, ১৮৭২ চনৰ "স্পেচিয়েল্ মেৰেজ্ এক্ট্" বোলা আইনখন খ্ৰীষ্টিয়ান, ইহুদী, হিন্দু, মুছলমান, পাৰ্চী বৌদ্ধ, চিখ্ আৰু জৈনৰ ভিতৰতো চলিব লাগে। ১৮৭২ চনৰ আইন মতে, ওপৰত উল্লেখ কৰা কোনো ধৰ্ম্ম অৱলম্বন নকৰা মানুহে, কোনো সামাজিক প্ৰথা মতে বিয়া নকৰি কাছাৰি ঘৰত ৰেজেষ্টৰী কৰাই বিয়া কৰিব পাৰে। তেনে বিয়া, দৰা-কন্যাৰ একে ধৰ্ম্ম বা একে জাত নহলেও, হব পাৰে আৰু আৱশ্যক হলে তাক বাতিলো কৰাব পাৰি। এতিয়া এই নিয়ম ওপৰৰ উল্লিখিত ধৰ্ম্মাবলম্বীসকলৰ ভিতৰতো চলাবলৈ যোৱাটো বৰ সাঙ্ঘাটিক কথা। তেওঁলোক সকলোৰে নিজ নিজ ধৰ্ম্মমতে বিয়াৰ একোটা ধৰা-বন্ধা প্ৰথা আছে আৰু যি যি জাতি বা ধৰ্ম্মাৱলম্বীৰ ভিতৰত বিয়া হব পাৰে তাৰো বন্ধা-ছটা নিয়ম আছে; যেনে, হিন্দুৱে নিজৰ জাতিৰ ভিতৰত আৰু গোত্ৰৰ বাহিৰত বিয়া কৰাব লাগিব; মুছলমানে মুছলমান ধৰ্ম্মমতে "পবিত্ৰ" বোলা কিতাপৰ ধৰ্ম্ম অৱলম্বন কৰা লোককহে বিয়া কৰাব পাৰে, আৰু তাৰ বাহিৰে অন্য ধৰ্ম্মৰ মানুহ বিয়া কৰিবলৈ হলে, বিয়াৰ পূৰ্ব্বেই সেই মানুহক মুছলমান কৰি লব লাগে। এইবিলাক প্ৰথা আৰু নিয়ম বহুকলীয়া অভিজ্ঞতাৰ ওপৰত স্থাপিত আৰু ধৰ্ম্মস্থানীয়। তাক উলঙ্ঘা কৰিলে, সমাজভুক্ত বুলি গণ্য হবৰ অধিকাৰ নেথাকে আৰু সমাজৰ বহিৰ্ভূত হব লাগে। সেইবাবে প্ৰস্তাৱিত আইন ধৰ্ম্ম-বিৰুদ্ধ আৰু ৰীতি-বিৰুদ্ধ। তাৰ বাজেও, ঘৰত বিজাতীয় আৰু ভিন্ন ৰুচিৰ মানুহ সুমাই, ই পৰিয়ালৰ শান্তি দূৰ কৰিব। প্ৰস্তাৱকৰ মতে, এই আইন চলিলে, ঘৰুৱা জীৱন সুখকৰ হব। আমাৰ মতেৰে, ই ঘৰুৱা জীৱন দুখ আৰু অশান্তিৰে পৰিপূৰ্ণ কৰি তেনেই অসহ্য কৰিব আৰু বিবিধ বিশৃঙ্খলা ঘটাই, সমাজ তেনেই থান্-থান্ বান্-বান্ কৰিব। ভাৰতীয় সমাজৰ বৰ্ত্তমান অৱস্থাত প্ৰস্তাৱিত আইনে উপকাৰতকৈ সহস্ৰগুণে সৰহ অপকাৰ কৰিব বুলি আমাৰ সম্প্ৰতি আশঙ্কা হৈছে। সেইবাবে আমি ইয়াক কোনো মতেই সমৰ্থন কৰিব নোৱাৰো। সংস্কাৰৰ আমি অতিশয় পক্ষপাতী, কিন্তু যি সংস্কাৰৰপৰা সমাজৰ উপকাৰৰ সলনি অপকাৰ হবৰ সম্ভাৱনা থাকে, তাৰ আমি ঘুৰ্ঘোৰ বিৰোধী।

---



# সমালোচনা।

**হৰিনাম-মহিমা**—পাইকা আখৰেৰে কট্-ফটীয়াকৈ ছপোৱা ৪৮ পিঠিৰ ভক্তি বিষয়ক কিতাপ; লিখক নগাওঁৰ শ্ৰীযুত বৃন্দাবনচন্দ্ৰ গোস্বামী বি, এল; দাম চাৰি অনা। এই সৰু কিতাপখনি পঢ়ি আমি সন্তোষ পাইছোঁ। অসহযোগ আন্দোলনৰ বাবে জেলত পৰি, চিলট জেলত থাকোতে লিখকে এই কিতাপখনি লিখিছিল। ইয়াৰ ভাষা সৰল আৰু সহজ কিন্তু ভাব গধুৰ। হৰি-নাম লোৱাৰপৰা শেহত কি উপকাৰ হয়গৈ আৰু সদায় হৰিনাম লৈ থকাৰনো প্ৰয়োজন কি, লিখকে এই কিতাপত, তাক সকলোৱে বুজিব পৰাকৈ অতি সুন্দৰ-ৰূপে বুজাই দিছে। লিখকে কিতাপত দিয়া উদাহৰণবিলাকও বৰ বিতোপন হৈছে। ডাঙৰ ডাঙৰ কথাৰ ভাবো ঘৰুৱা উদাহৰণেৰে বুজাই দিয়াত, অশিক্ষিত মানুহৰ মনতো বহুতাকৈ সোমাই পৰিব। কিতাপখনি চাই দামো সৰহ হোৱা নাই। এই কিতাপৰ বহুল প্ৰচাৰ হব বুলি আমি আশা কৰিছো। লিখকে ইয়ানতে সামৰণি নেমাৰি অন্যান্য আৰু কিতাপ প্ৰকাশ কৰা দেখিলে আমি বৰ সুখ পাম।

**দ্ৰৌপদী**—যোৰহাটৰ দৰ্পণ প্ৰেচত সুন্দৰ আখৰেৰে, সুন্দৰ কাগজত সুন্দৰকৈ ছপা। লিখক যোৰহাটৰ শ্ৰীযুত মহেশচন্দ্ৰ কটকী। কিতাপখনি গদ্যত লিখা; দাম ।৵০ ছয় অনা। কটকীদেৱ আমাৰ এগৰাকী আগলৈ উঠি অহা নতুন লিখক। সাহিত্য ক্ষেত্ৰত তেওঁৰ এয়ে প্ৰথম ভুমুকি। কিন্তু তেওঁৰ লিখাৰ ভঙ্গী দেখি, তেওঁৰপৰা আমি আগলৈ বহুত আশা কৰিছোঁ। তেওঁৰ লিখা সৰল আৰু শুধ, নিভাজ অসমীয়া; তাত এটি লালিত্য দেখিবলৈ পোৱা যায়। আজি কালিৰ বহুত কিতাপত থকাৰ দৰে "দ্ৰৌপদী"ত পাচিয়ে পাচিয়ে বৰ্ণাশুদ্ধি দোষো নাই। এই কিতাপত সৰু লৰা-ছোৱালীয়ে বুজিব পৰাকৈ সহজ ভাষাৰে আৰু পঢ়িবলৈ ভাল লগাকৈ, দ্ৰৌপদীৰ গোটেই জীৱনৰ বিৱৰণ আছে। সৰু লৰা-ছোৱালীক পঢ়িবলৈ দিবলৈ ই অতি বিতোপন কিতাপ হৈছে। এই লিখকৰ আৰু বহুত কিতাপ ওলোৱা দেখিলে আমি বৰ সন্তোষ পাম। সকলোৱে ঘৰে ঘৰে লৰা-ছোৱালীৰ হাতত একোখন "দ্ৰৌপদী" দিয়ক।

**গুণমালা**—শঙ্কৰ দেৱৰ বিখ্যাত গুণমালা পুথিৰ ইংৰাজী পদ্য ভাঙ্গনী। লিখক, অসমীয়া সাহিত্য ক্ষেত্ৰত সুবিখ্যাত আমাৰ অক্লান্তকৰ্ম্মী সাহিত্যিক, আসাম প্ৰভিন্সিয়েল্ চিভিল্ চাৰ্ভিচৰ শ্ৰীযুত বেণুধৰ ৰাজখোৱা বি, এ, ডাঙৰীয়া। ১৩২ পৃষ্ঠাৰ কিতাপ ; দাম এটকা। লিখকৰ "নাম-ঘোষা"ৰ ইংৰাজী ভাঙ্গনীৰ ন-কৈ চিনাকি দিব নেলাগে। তাৰ দৰেই, এই পুথিখনিও ইংৰাজী ভাষালৈ অবিকলকৈ ভঙ্গা হৈছে। এক ভাষাৰ কবিতা ভাঙ্গি আন ভাষাৰ কবিতালৈ নিয়া বৰ টান কাম। সেই বাবে, এই কিতাপ লিখোতে ৰাজখোৱা ডাঙৰীয়াৰ নথৈ পৰিশ্ৰম হৈছে। অসমীয়াৰ বাহিৰে আন সমাজত গুণমালাৰ সৌন্দৰ্য্য প্ৰচাৰ কৰিবৰ অভিপ্ৰায়েৰেই তেখেতে ইমান পৰিশ্ৰম কৰিব পায়। সেইবাবে এই কিতাপ ওলোৱাত আমি সন্তোষ পাইছোঁ আৰু লিখকৰ উদ্যমৰ প্ৰশংসা কৰিছোঁ। আমাৰ সাহিত্যৰ ভাল ভাল পুথিবিলাকৰ ভাঙ্গনী আন ভাষাত প্ৰকাশ হয় মানে আমি ভাল পাওঁ।

**বিপ্ৰ দামোদৰ**—ৰাজখোৱা ডাঙৰীয়াই, গুণমালাৰ দৰেই, বিপ্ৰ দামোদৰৰ চৰিত্ৰখনিও ইংৰাজীলৈ পদ্যত অনুবাদ কৰি প্ৰকাশ কৰিছে। ই অকল আঠ পাতৰ এখনি সৰু পুথি ; দাম চাৰি অনা। আমি "গুণমালাৰ" বিষয়ে যি কৈছোঁ, "বিপ্ৰ দামোদৰৰ" বিষয়েও আমাৰ সেয়ে মত ; এই পুথিৰ বিষয়ে, তাৰ ওপৰে কবলৈ আৰু আমাৰ একো নাই।

**মহাসতী জয়মতী**—ইও ৰাজখোৱা ডাঙৰীয়াৰে ১৩ পিঠিৰ, গদ্যত লিখা এখনি সৰু অসমীয়া কিতাপ। শিৱসাগৰৰ জয়সাগৰৰ পুখুৰীৰ পাৰত পতা জয়মতী উৎসৱৰ উপলক্ষে ইয়াক লিখা হৈছিল। ইয়াকো তেখেতে ওপৰত কোৱা দুখন কিতাপৰ লগতে আমালৈ সমালোচনাৰ নিমিত্তে পঠাইছে। তেখেতৰ দৰে সুপ্ৰসিদ্ধ সাহিত্যিকে, জয়মতীৰ ঘটনাৰ নিচিনা এটি সুন্দৰ ঘটনা অৱলম্বন কৰি, তেখেতৰ বিশেষত্ব থকা নিজ ভাষাৰে ১৩ পিঠিৰ সৰু কিতাপ এটি লিখিলে, সি যে বিভোপন আৰু সকলোৱে পঢ়ি চাব লগীয়া হ'ব, তাৰ কোৱাৰে কোনো সকাম নাই। আমি এই সৰু কিতাপটি পাই বৰ ভাল পাইছোঁ।

---

# নতুন উপাধি।

আমাৰ মন্ত্ৰী মাননীয় মৌলবী চৈয়দ্ চাদুল্লা চাহাবে, এইবাৰ ৰজাৰ জন্মদিনৰ উপলক্ষে, "নাইট্" উপাধি পাইছে। এইবাবে আমি বৰ সন্তোষ পাইছোঁ। এই উপাধি, অসম দেশত এতিয়ালৈকে কোনেও পোৱা নাছিল ; প্ৰথমতে তেখেতেই পাই মূৰ ভাঙ্গি দিছে। অসমত যে "নাইট্" উপাধি পাবৰে কোনো উপযুক্ত মানুহ নাই, ১০২ বছৰৰ বৃটিচ্ শাসনৰ পাচত, আজি কোনো মতে আমাৰ দেশৰ এই মিছা দুৰ্ণাম গুচিছে। মৌলবী চাহাব আমাৰ এগৰাকী কৃতবিদ্য আৰু কাৰ্য্যক্ষম পুৰুষ ; তেখেত এই সন্মানৰ উপযুক্ত পাত্ৰ আৰু ই তেখেতক তেনেই তুলি ধৰিছে। গৱৰ্ণমেণ্টে তেখেতৰ প্ৰতি এই সন্মান দেখুৱাই গোটেই অসম দেশকে সন্মানিত কৰিছে। এই নতুন সন্মান বহু কাললৈ ভোগ কৰিবৰ কাৰণে আমি চাৰ্ চৈয়দ্ চাহাবৰ দীৰ্ঘ জীৱন কামনা কৰিছোঁ।

---

# বিধিৰ বিলৈ।

পাঠক পাঠিকাসকল,

পঢ়ি শুনি চাই, আপোনালোকৰ মনে ধৰিলে, কথাটো পতিয়াব, নধৰিলে নপতিয়াব ; তাত মোৰ সমূলি বোকা-বধা নাই। কিন্তু, মিছা কথা লিখিলো বুলি মোক গালি নেপাৰিব ; তাত মোৰ পূৰা আপত্তি ; কাৰণ মই লিখিবলৈ ধৰোতে, সঁচা কথাকেহে লিখিম বুলি একো শপত খাই লোৱা নাই আৰু গল্প লিখোতে কোনেও অকল সঁচাকে নিলিখে। সেই দেখি, সকলোৱে যদি মিছা লিখিব পাৰে, মোৰো মিছা লিখিবৰ সম্পূৰ্ণ অধিকাৰ আছে। তাৰ বাবে মোক গালি পাৰিবৰ বেলে আপোনালোকৰ অকণো অধিকাৰ নাই। এতিয়া শুনক :—

( ১ )

এঘৰ বৰ চহকী মানুহ আছিল। সিহঁতৰ কোনো বস্তুৰে নাটনি নাছিল আৰু বৰ সুখেৰে দিন গৈছিল। মাটিয়ে-বাৰীয়ে, গৰুৱে-মহে, বস্ত্ৰে-বস্তুৰে, লৰাই-ছোৱালীয়ে, জয়-জয় ময়-ময় অৱস্থা হোৱাত সিহঁতৰ ঘৰ তেনেই নন্দন-বদন হৈ পৰিছিল। বাৰওটি কাল কাৰো সমানে নেযায়। "বাঁহৰ একাল মনিচৰ একাল"। কালক্ৰমত, ঈশ্বৰৰ ইচ্ছাত এই মানুহঘৰৰো পৰিবৰ্ত্তন ঘটিল। ধন-বস্তু কেনিবা উৰি গ'ল, গৰু-মহ মৰি হাজি, হেৰাই হিৰাই অন্ত হল। বেচি কিনি খাওঁতে, ৰাজহি-ততহি হোৱাতে মাটি-বাৰীখিনিও শেষ হল ; চাই থাকোতেই মানুহঘৰ নথৈ দুখীয়া হৈ পৰিল। অকল ইমানেই হোৱা হলেও কিছু কথা আছিল। কিন্তু সিহঁতৰ দুৰাৱস্থাৰ ইমানতো অন্ত নপৰিল। মানুহকেটাৰ ওপৰতো বিধতাৰ কোপ পৰিল। অলপ দিনৰ ভিতৰতে সেই দপ্‌দপীয়া গোটেইঘৰ মানুহ মৰি হাজি উচন্ হল ; শেহত বাকী থাকিলগৈ এটা ল'ৰা আৰু তাতকৈ সৰু এজনী ছোৱালী।

এই পৰিবৰ্ত্তনত, লৰাটোৰ সংসাৰলৈ বৰ বিৰাগ জন্মিল। সি কোনোমতে খুজি মাগি, ছোৱালীজনী ডাঙৰ দীঘল কৰি এঘৰলৈ উলিয়াই দিলে আৰু তাৰ পাচত বৰাগী হৈ ঘৰ এৰি গুচি গল ; কিন্তু, মাজে সময়ে আহি ভনীয়েকৰ ঘৰত দুদিন এদিন থাকি খবৰ-বাতৰি লৈ থাকিবলৈ ধৰিলে।

( ২ )

ভনীয়েকৰ প্ৰথমটো লৰা উপজিবৰ সময়ত বৰাগী আহি ওলালহি। উপজিবৰ ছদিনৰ দিনা ৰাতি বিধতাই লৰাৰ কপালত ভাগ্য-লিপি লিখি থৈ যায়হি। এই কথা সকলোৱে জানে। এতিয়াও লৰা ওপজাৰ ছদিনৰ দিনা ৰাতি হিন্দু মানুহৰ ঘৰে ঘৰে, বিধতা আহি বহিবলৈ লৰাৰ মুৰশিতানত আসন পাতি থোৱা হয়, আৰু বিধতালৈ পূজা সজাই থোৱা হয়। বৰাগীৰ ভনীয়েকৰ ঘৰতো, লৰা ওপজাৰ ছদিনৰ দিনা ৰাতি এইবিলাক সকলো আয়োজন কৰা হল। সেই ৰাতি, লৰাৰ ওচৰত এজন মানুহ সাৰে থকাৰ নিয়ম আছে। বৰাগীয়ে নিজে সাৰে থাকিবলৈ গাত লৈ, সকলো মানুহক শুবলৈ পঠালে ; আৰু লৰা থকা কোঁঠালীৰ দুৱাৰ-মুখখন ভেটি পথালিকৈ ঢাৰি-পাটী পাৰি লৈ, টোপনি নহাকৈ দীঘল দি পৰি থাকিল।

ৰাতি গহীন হল, সকলো মানুহ শুই নিহ্‌পালি দিলে ; অকল মাথোন বৰাগী পাটীত পৰি সাৰে আছে। এনেতে বিধতা আহি ওলালহি ; কিন্তু ভিতৰলৈ সোমায় কেনেকৈ ? দুৱাৰ-মুখতে বৰাগী বাট ভেটি শুই আছে। মানুহটোক ডেই যাবনে ? মানুহেই মানুহক কেতিয়াও ডেই নেযায়। এনে স্থলত বিধতাই নিজে গোট মানুহটো কেনেকৈ ডেই যায় ? শেহত বিধতাই মাত লগালে—"হেৰ মানুহটো, তই বাট ভেটি শুলি কিয় ? চাওঁ, উঠ, বাটটো এৰি দে ; মই ভিতৰলৈ সোমাওঁ"। বৰাগীয়েও ইয়ালৈকেহে বাট চাই আছিল আৰু ইয়াকে শুনি কলে—"মোৰ ঘৰত মই, য'তে মন গৈছে ত'তে শুই আছোঁ। মোক তুমি, ভিতৰলৈ সোমাবলৈ তই কোন অ" ? বিধতাই উত্তৰ দিলে—"মই বিধতা ; তোৰ ভাগিনিয়েৰৰ কপালত তাৰ ভাগ্য

লিখি থৈ যাবলৈ আহিছোঁ"। তেতিয়া বিধতাক যথোচিত সন্মান কৰি বৰাগীয়ে ক'লে—"প্ৰভু ভিতৰলৈ সোমাবলৈ বাট এৰি দিবলৈ হলে, আপুনি কৃপা কৰি মোক আগেয়ে কৈ যাওক লৰাটোৰ কপালত কি লিখিবগৈ। বিধতাই বোলে—"মই সেই কথা এতিয়া ক'ব নোৱাৰোঁ; তাৰ কপালত কলম লগাই দিলে হাতত যি আহে, তাকে লিখিম"। বৰাগীয়ে তেতিয়া, কি লিখে ঘূৰি যাওঁতে কৈ যাবলৈ বিধতাক ধৰিলে। এই কথাত বিধতা মান্তি নহয়, বৰাগীও কোনো মতে এৰা ভকত নহয়। পাচত কোনো পধ্যে বৰাগীয়ে বাট এৰি নিদিয়াত, বিধতাই, কি লিখে, কৈ যাবলৈ সৈমান হ'ল আৰু তেতিয়া বৰাগীয়েও উঠি বাট এৰি দিলে; কিন্তু বিধতা ভিতৰ সোমোৱা মাত্ৰে আকৌ দীঘল দি বাট ভেটি পৰি থাকিল। বিধতাই কপাল লিখি উভতি আহোঁতে আকৌ বৰাগীয়ে ধৰিলে আৰু বিধতাই ক'লে যে, তেওঁ লৰাৰ কপালত লোকৰ ভোজনী লৈ খাবলৈ লিখিলে; অৰ্থাৎ লৰাটো ডাঙৰ হ'লে, তাৰ আন একো ব্যৱসায় নেথাকে; সি কেৱল যেনে তেনে প্ৰকাৰে দিনটো খাবৰ জোগাৰে দিনৌ একোটা ভোজনী পাই থাকিব আৰু সেই দৰেই তাৰ প্ৰবৰ্ত্তন হব। ইয়াৰ পাচত বৰাগীয়ে বাট এৰি দিলে আৰু বিধতা নিজ ঠাইলৈ গল। তাৰ পাচ দিনা বৰাগী আগৰ দৰে নানা ঠাইত ফুৰিবলৈ ভনীয়েকৰ ঘৰৰপৰা বিদায় লৈ গুচি গল।

( ৩ )

ভনীয়েকৰ দ্বিতীয়টো লৰা হ'বৰ সময়তো আকৌ বৰাগী ওলালহি, আৰু এই বুধিৰেই বিধতাৰপৰা জানি ললে যে, তেওঁ এইটো লৰাৰ কপালত অকল লোকৰ জেওৰা দি, চকোৱা দি, ঘৰ সজা প্ৰভৃতি কাম কৰি, দিনে আৰ্জ্জি দিনে খাবলৈ লিখিলে।

তৃতিয়টো লৰা হবৰ দিনতো আকৌ আহি, সেই একে বুধি কৰিয়েই বৰাগীয়ে বিধতাৰ মুখে শুনিলে যে, এইটো লৰাই পহু ধৰি জীবিকা নিৰ্ব্বাহ কৰিব। সি য'তে জাল পাতে, ত'তে দিনৌ একোটা পহু পৰিব; তাকে বেচি সেই ধনেৰেই সি খাব লাগিব। এই দৰে দিনেপতি একোটা পহু ধৰি সি দিনৰ খৰচ দিনে উলিয়াব। তাৰ পাচত. বৰাগী আকৌ গুচি গ'ল কিন্তু আগৰ দৰেই কেতিয়াবা মাজে সময়ে আহি ভনীয়েকৰ ঘৰৰ খবৰ-বাতৰি লৈ থাকিবলৈ নেৰিলে। এই তিনটা লৰা হোৱাৰ পাচত, ভনীয়েকৰ আৰু লৰা-ছোৱালী হ'বলৈ এৰিলে।

( ৪ )

লৰা তিনটা ডাঙৰ হ'ল, ছা-ছোৱালী আনিলে, আৰু মাক মৰিলত, বেলেগ হৈ তিনিও তিনি ঘৰ হল। ইয়াৰ কিছুদিনৰ পাচতে, ভাগিনিয়েকহঁতেনো কেনেকৈ খাইছে চাই যাবৰ মনেৰে, এদিন বৰাগী ওলালহি। পোনতে বৰটো ভাগিনিয়েকৰে ঘৰৰূপ চাবলৈ, তাৰ ঘৰতে দিনদিয়েক থাকি বৰাগীয়ে দেখিলে যে, বিধতাৰ কথাৰ অকণো লৰ-চৰ হোৱা নাই। তাৰ বেহা-বেপাৰ, খেতি-পথাৰ বা আন কোনো একো ব্যৱসায় নাই। সি কেৱল দিনৌ বাটে বাটে ওলাই যায় আৰু কেনোৰে তাক মাতি নি, লৰাৰ গ্ৰহ ছাৰিবলৈ গণকে দুখীয়া মানুহক ভোজনী এটা দিবলৈ কৈছিল বুলি, কোনোৱে বা মঙ্গলতীয়ে বেমাৰ ভাল হবলৈ খাবলৈ নোহোৱা মানুহক ভোজনী এটা দিবলৈ বিধান দিছিল বুলি, একোটা ভোজনী আৰু তাৰ লগতে দুটা বা চাইটা পইচা দিয়ে। এই দৰেই দিনে তাৰ ঘৰত খাবলৈ জোৰাকৈ সি সদায় দুটা বা এটা ভোজনী পাই আনে আৰু তাৰেই কোনো মতে দুখে কষ্টে খাই আছে।

তাৰ পাচত বৰাগী মাজুটো ভাগিনিয়েকৰ ঘৰলৈ গ'ল আৰু তাৰ ঘৰতো দিনদিয়েক থাকি, সিনো কেনেকৈ খাইছে তাৰো আলেখ-লেখ বুজিলে। বৰাগীয়ে দেখিলে যে, তাৰ গাতো বিধতাই কৈ যোৱা কথা তেনেই ফলিয়াইছে। সি লোকৰ ঘৰত টাটী-চকোৱা দি, নাইবা ঘৰ-দুৱাৰ সাজি, দিনৌ অনাদিয়েক পইচা পাই আনে; আৰু এই দৰেই দিনৰ খৰচ দিনে উলিয়াই কোনো প্ৰকাৰে পেটেভাতে খাই আছে।

শেহত বৰাগী সৰুটো ভাগিনিয়েকৰ ঘৰলৈ গৈও সেই একে কথাকে দেখিলে। সিও ঠিক বিধতাই কৈ যোৱাৰ দৰেই জাল পাতি দিনৌ একোটা পহু ধৰি আনে আৰু তাকে বেচি যি ধন পায়, তাৰেই সেই



দিনৰ নিমিত্তে তাৰ ঘৰ-খৰচৰ জোৰা মাৰে। বৰাগীয়ে কিন্তু এইটো আচৰিত কথা মন কৰিলে যে, সি যতে জাল পাতে, ত'তে দিনে এটা পহু নপৰাকৈ কেতিয়াও নেথাকে।

( ৫ )

আবেলি বেলিকা ভাগিনিয়েকে জালখন লৈ ওলাই যাবলৈ ধৰোঁতে, মোমায়েকে মাত লগালে—"হেৰ বোপাই, আজি আন ঠাইলৈ যাব নেলাগে, সৌ কাকিনি তামোল তিনি জোপাৰ আগত জালখন পাতি থ"। ভাগিনিয়েকে আচৰিত মানি সুধিলে:—"মোমাই তুমি কি কথা কোৱা? তামোলৰ আগত জালত পৰিবলৈ ক'ৰপৰা পহুটো আহিব"?

মোমায়েক—"নাহে নেলাগে আহিব; তই মোৰ কথা শুন, তামোলৰ আগত জালখন পাতি থ"।

ভাগিনিয়েক—"নাহিলে কেনেকৈ হ'ব? খাবলৈ হ'ব ক'ৰ"?

মোমায়েক—"আজি ৰাক খাবলৈ মই দিম; তই চিন্তা নকৰিবি; মই কোৱা মতে কাম কৰ"। এই বুলি বৰাগীয়ে লাগতিয়াল সকলো বস্তু বজাৰৰপৰা কিনি আনিবলৈ, মোনাৰপৰা উলিয়াই ভাগিনিয়েকক ধন দিলে আৰু তাৰ হতুৱাই তামোল গছৰ ওপৰত জালখন পতাই থৈ তাত সৰু ঘণ্টা এটা বন্ধাই থলে। ভাগিনিয়েকে বজাৰৰপৰা যি লাগে কিনি-কুতি আনি ভাত খোৱাৰ দিহা কৰিলে।

( ৬ )

আবেলি গ'ল; গধূলি হল; এদাৰ দুদাৰকৈ ৰাতি এপৰ গ'ল; ঘৰৰ সকলো খাই বৈ শুলে। এপৰৰ পাচত ৰাতি আৰু এপৰ গ'ল; সকলোৰে টোপনি আহিল। বৰাগীয়ে কিন্তু কাণ উমাই পাটীত পৰি আছে। পাচত ৰাতি তিনিপৰবো এছোৱা গ'ল। এনেতে তামোল-গছৰ ওপৰত ঘণ্টা বাজিবলৈ ধৰিলে। বৰাগীয়ে লৰাই উঠি ওলাই গৈ দেখে, এটা বিয়াগম পহুয়ে জালত লাগি ঠেং ভৰি এছাৰিব লাগিছে; তেতিয়া ততালিকে ঘৰৰ সকলোকে জগাই, ভাগিনিয়েকে সৈতে গোট খাই, জালেৰে বটিয়াকৈ মেৰাই লৈ, তামোল-গছৰ ওপৰৰপৰা পহুটো নমাই আনিলে; নমাই আনি পোনতে তাৰ ঠেংকেটা ভালকৈ ছাটি লৈ, শকত ফই এডাল ডিঙিত লগাই, ডাঙৰ খুটা এটাত তাক গোটাই গোটাই চুটিকৈ বান্ধি পেলালে। তাকে কৰি বৰাগীয়ে কৰিলে কি—একঠামান বিহ-জলকীয়া বটাই আনি, তাৰে এসোপা পহুটোৰ দুইটা চকুত ফটাকানিৰে বান্ধি দি, বাকীখিনি তাৰ নাকে মুখে খুন্দি খুন্দি সুমাই দিলে; পহুটোৰ গাত চোবাত্ মেলি, পানী ঢালি দিলে, আৰু দীঘল সৌকা এডাল লৈ তাক কাণে মূৰে সাৰৌপ সাৰৌপকৈ ঘণাই গাৰ বলেৰে কোবাবলৈ ধৰিলে। পহুৱে অলপ বেলি সহি সামৰি থাকি, পোনতে ডেও দিলে, তাৰ পাচত নথৈ বেৰালে আৰু শেহত মাটিত পৰি মৰ ভাও জুৰিলে। তেও কিন্তু সৌকাৰ কোব পাতলক ছাৰি আগতকৈ ঘণহে হবলৈ ধৰিলে। অন্তত পহুৱে ভত্ নাপাই মানুহৰ কথাৰে মাত লগালে।

পহু—"হে বৰাগী, আৰু নেমাৰিবা; মোক এৰি দিয়া; মই পহু নহওঁ ঔ, মই বিধতা। মই পূৰ্ব্বে পহুক গছত উঠিব নোৱাৰাকৈ সৃজন কৰিলোঁ। সেইদেখি আজি তামোল গছৰ আগলৈ নথৈ পুৰুষাৰ্থ কৰিও কোনোমতে কোনো পহুকে তুলিব নোৱাৰি, অন্তত একো উপায় নেপাই, নিজৰ কথা ৰবলৈ. নিজেই পহু-ৰূপ ধৰি জালত লাগিলোঁহি।"

বৰাগী—"সেইটো মই কেতিয়াবাই বঢ়িয়াকৈ বুজিছোঁ; আৰু তাকে বুজিব পাৰিহে ইয়াকে কৰিছোঁ। আজি তোৰ এৰণ নাই; বুঢ়াৰ হাতত চেঙেলী পৰিলি।"

এই বুলি আৰু এবাচ্ ভালকৈ দি, বৰাগীয়ে কবলৈ ধৰিলে——"উস্ কটা! ধন-বস্তু, সা-সম্পত্তি সকলো অন্ত কৰিলি যি কৰিলি, মোৰ সেইহেন মানুহঘৰ তই দুদিনতে উচন্ কৰি দিলি। মই আৰু ভনী ছোৱালী-জনী কোনোমতে চকৰ কাণত লাগি ৰলোঁগৈ। মই বৰাগীয়েই হলোঁ; যিবা ছোৱালীজনীৰ লৰাকেটা হৈছিল, সিহঁতৰনো এটাৰো কপালত তই ভালেৰে খাবলৈ লিখিব নেপাৰনে?" এই বুলি বৰাগীয়ে পহুৰ পিঠি আকৌ ডবাডৰ কৰিবলৈ লাগিল।

অদ্ভুত পহুৱে সেহাই সেহাই মাত লগালে—"বৰাগী বঁৰা, বঁৰা ; যি হ'ল হ'ল ; আগৰ কথা এৰি পেলোৱাঁ। মই বৰ দিছোঁ, আজিৰপৰা তোমাৰ তিনিওটা ভাগিনিয়েৰাৰ অতুল ঐশ্বৰ্য্য হ'ব ; ধনে-সোণে, বয়ে-বস্তুয়ে, মাটিয়ে-বাৰীয়ে, লৰাই-ছোৱালীয়ে উপচি পৰিব ; সিহঁতৰ যশস্যা নৈ বোৱাদি বৈ যাব আৰু সিহঁতে দীৰ্ঘজীৱী হৈ, মহা সুখে-সন্তোষে আৰু অপাৰ শান্তিৰে দিন নিয়াব। এতিয়া আৰু মোক ইমানতে এৰি দিয়াঁ।"

বৰাগী—"সঁচাই কৈছানে, না কোনো মতে ভুৱা দি গা সাৰিবলৈহে ধৰিছা ?"

বিধতা—"বিধতাৰ কথাৰ কেতিয়াও লৰ-চৰ হব নোৱাৰে ; মোৰ কথাৰ তুমি কাইলৈকে প্ৰমাণ পাবা।"

বৰাগী—"বাৰু ; কিন্তু মনত ৰাখিবা, এই কথা মিছা দিলে, কোনো প্ৰকাৰে নহয় কোনো প্ৰকাৰে মই আকৌ তোমাক ফান্দত পেলাম, তেতিয়া ইয়াতকৈ চৰিব এৰা।"

ইয়াৰ পাচত, বান্ধ মোকোলাই দিলত, পহু গুচি নিজ ৰূপ ধৰি, বিধতাই পাচলৈ নোচোৱাকৈ, তৰা-ময় ছিদি ভিৰাই ধৰি লৰ মাৰিলে। তাতে আৰু কিছু দিন থাকি, ভাগিনিয়েক তিনিওটাৰে অৱস্থাৰ পৰিবৰ্ত্তন হৈ অপাৰ সুখ হোৱা নিজ চকুৰে চাই লৈ, বৰাগীয়ে বৰ ৰং মনেৰে, আকৌ তীৰ্থলৈ খোজ ললে।

---

# বিবিধ।

আমাৰ যোৱা সংখ্যাত ওলোৱা "ভাষাৰ বিশুদ্ধতা" আৰু এই সংখ্যাৰ "সাহিতিক কিঞ্চিৎ" বোলা সৰু প্ৰবন্ধ দুটালৈ ভালকৈ কাণ কৰিবলৈ, আমি আমাৰ পাঠকসকলক আৰু সাহিত্যিক মাত্ৰকে বিশেষকৈ খাটিছোঁ। তাত উল্লেখ কৰা দোষখিনি আমাৰ সাহিত্যিকসকলে এতিয়াই গুচাই নললে, পাচলৈ তাৰপৰা আমাৰ বহুত বেমেজালি ঘটিবহে বুলি আমি ভয় কৰিছোঁ।

আমাৰ ভাৱ প্ৰকাশ কৰিবলৈ নিভাঁজ অসমীয়া শব্দ যদি নথাকে, তেতিয়া আমি আন ভাষাৰপৰা সুমাই ললে একো হানি নহয়, বৰং তাৰপৰা আমাৰ ভাষা চহকীহে হয়। কিন্তু ধুনীয়া ধুনীয়া ঘৰুৱা শব্দ এৰি দি, মিছাতে আন ভাষাৰ শব্দ সুমালে, আমাৰ লিখা ভাল হওক ছাৰি তেনেই আপচু হৈ পৰে। "মই কি এই কথা নেজানো," "আমাৰ না আছে ধন, না আছে মানুহ," এনেবিলাক বিদেশী ঠাচেৰে লিখা ভাষাও অসমীয়া নহয়। বিশেষকৈ এই দুই শ্ৰেণীৰ দোষে আমাৰ ভাষাক তেনেই জুকলা কৰি পেলাব—এই কথা যেন আমাৰ লিখকসকলৰ মনত থাকে।

বৰ্ণ-বিন্যাসৰ লেটি-পেটিখিনি ভাঙ্গি লবলৈকো আমি সকলোকে খাটিছোঁ। কোনো কোনোৱে "হেমকোষ"ৰ মত নেমানো বুলিয়েই নেমানে। তেওঁলোকে ভাবে, হেমচন্দ্ৰ বৰুৱাৰ মতটো যে চলিব লাগে, তেওঁলোকৰ নিজ নিজ মতনো নচলিব কিয় ? এভাগ মানুহে আকৌ তেওঁলোকৰ নিজৰ মতৰ বাহিৰে, কোনো কথাত কোনো মানুহৰ আন কিবা মতো যে হব পাৰে, এই কথাটোকে স্বীকাৰ নকৰে ; সেইদেখি কিবা কথাত লোকৰ মতো জানিব লাগে বুলি সমূলি তেওঁলোকৰ মনত নেখেলায়েই। এই লিখকে এদিন এজন সুবিখ্যাত অসমীয়া সাহিত্যিকক সুধিছিল "আপুনি আপোনাৰ কিতাপত অমুক শব্দটো এইদৰে লিখিছে কিয় ? 'হেমকোষ'ত দেখোন আন দৰেহে লিখিছে"। তেওঁ তাৰ উত্তৰত যুক্তি যি একো দিব নোৱাৰিলেই, তাৰ উপৰি ক'লে—"জানো 'হেমকোষ'ত কি লিখিছে মই চোৱা নাই"—যেন, "হেমকোষ" নোচোৱাকৈ অসমীয়া সাহিত্যিক বোলাবলৈ যোৱাটো বৰ গৌৰবৰ কথাহে।

এইদৰেই সাতে-পাচে আমাৰ লিখাত কিছু বেমেজালিৰ গুটি গজিবলৈ আৰম্ভ কৰিছে। কিন্তু সকলোৱে একেলগে গা-লাগি ধৰিলে তাক এতিয়াই উভালি পেলাবলৈ চল লাগি আছে। তাকে নকৰিলে পাচত ডাঙৰ হল দুই হাতেও কাঢ়িব নোৱাৰা হ'ব।

আমাৰ মনেৰে আমাৰ সকলো লিখকে ধৰা-বন্ধাকৈ "হেমকোষ"ৰ মতেৰে চলিবলৈ ধৰিলেই আমাৰ সকলো বেমেজালি গুচিব। আৰু সেইদেখি সেইমতেই চলিবলৈ আমি সকলোকে অনুৰোধ কৰিছোঁ। অৱশ্যে "হেমকোষ"ৰ কোনো কথাত কিবা ভুল আছে বুলি কোনোবাই যুক্তিৰে প্ৰমাণ কৰি দিলে, আমি তাক মানিবলৈ সাজু আছোঁ আৰু লোককো মানিবলৈ ক'ম। কিন্তু বিনাযুক্তিৰে "হেমকোষ"ৰ বিধান নমনা দেখিলে আমি তাক মইমতালিৰ বাহিৰে আন একো বুলিব নোৱাৰোঁ।

• • • •

ঘুমুক-ঘানাকৈকৈ আমাৰ কাণত পৰিছেহি, বোলে চাইমন কমিচনৰ আগত এটা নতুন প্ৰস্তাব দিবলৈ কোনো কোনোৱে আলচিছে। এই প্ৰস্তাবটো হৈছে এয়ে যে, অসমৰ লগত এতিয়া জাপি থোৱা পৰ্ব্বতীয়া দেশখিনি কালি নি সুকীয়াকৈ এখন এজেন্সী মলুক পাতিব লাগে ; আৰু অসমৰ বাকী ছখন জিলা আৰু চিলত কাছাৰৰ লগতে, বঙ্গদেশৰ চাটগাওঁ, টিপাৰা, কুচবিহাৰ, ৰংপুৰ, দিনাজপুৰ আৰু মইমনসিং লগাই দি, অসম দেশখন বহলাই ডাঙৰ কৰিব লাগে।

এই প্ৰস্তাবত আমি একো মতামত নিদিওঁ ; কাৰণ দিয়াটো আমাৰ অধিকাৰৰ বাহিৰ। কিন্তু এই প্ৰস্তাব কাৰ্য্যত পৰিণত হলে, আমাৰ ভাষা আৰু সাহিত্যৰ ওপৰত ইয়াৰ ছেঁচা নপৰাকৈ নেথাকে ; আৰু সেই ছেঁচাৰপৰা অসমীয়া ভাষা আৰু সাহিত্যৰ কি উপকাৰ বা কি অপকাৰ হোৱাৰ সম্ভৱ তাক ভাবি চিন্তি চাবলৈ আমি আমাৰ দেশৰ সকলো শিক্ষিত মানুহক অনুৰোধ কৰিছোঁ।

• • • •

আজি কালি চাৰিওফালে "থিয়েটাৰে" আমাৰ দেশ ছাটি পেলাইছে। গাৱেঁ গাৱেঁ, চুবুৰিয়ে চুবুৰিয়ে থিয়েটাৰেৰেই ভৰিল। থিয়েটাৰত অভিনয় কৰিবলৈ, ভালে বেয়াই কিছুমান অসমীয়া নাটকো ওলাইছে। এই থিয়েটাৰ যিমানেই বাঢ়ি গৈছে, অসমীয়া পুৰাতনীয়া "ভাৱনা" সিমানে কমি গৈছে। কৰবাত কেনেবাকৈ কোনোবাই দুটা এটা ভাৱনা কৰিলেও, শিক্ষিত মানুহৰ আওকাণত, তাৰ অৱস্থা দিনক দিনে তললৈ গৈছে। অঙ্কীয়া ভাৱনা প্ৰায় নাইকিয়াই হল। গাঁৱা মানুহে কেতিয়াবা ভাৱনা কৰিলেও অসমীয়াৰে ন-কৈ নাট লিখি লৈহে কৰে। কিন্তু, নজনা মানুহে লিখা বাবে, এই নাটবিলাকত চাব লগীয়া বা শুনিব লগীয়া প্ৰায় একোৱেই নাথাকে। সেইদেখি ভাৱনাই আৰু আজিকালি কাৰো মনোৰঞ্জন কৰিব নোৱাৰে।

এই কথা কিন্তু কিমান ভাল হৈছে, আমি বুজিব পৰা নাই। থিয়েটাৰ চলক ; তাত আমাৰ একো আপত্তি নাই। তাৰপৰা কিছুমান ভাল ভাল নাটক ওলাই, আমাৰ সাহিত্যকো চহকী কৰিব। কিন্তু থিয়েটাৰ হৈছে শিক্ষিত মানুহৰ নিমিত্তে। থিয়েটাৰ বুজিবলৈ কিছু শিক্ষাৰ প্ৰয়োজন। আমাৰ সৰ্ব্বসাধাৰণ গাৱঁলীয়া অসমীয়াই, সম্প্ৰতি শিক্ষাৰ অভাৱত, থিয়েটাৰ ভালকৈ নুবুজা বাবে, তাৰপৰা তেওঁলোকৰ বিশেষ কিবা উপকাৰ হৈছে বুলি আমাৰ মনে নধৰে।

আৰু এটা কথালৈ আমি মন কৰিব লাগে। পুৰণি বস্তুবোৰ বেয়া বুলি দলিয়াই পেলাই, তাৰ ঠাই একেবাৰেই নতুন বস্তুৰে পূৰ কৰি চহকী হবলৈ যোৱাতকৈ, পুৰণি বস্তুকে ঘঁহি-পিহি নিকা কৰি, লাগতিয়াল সাল-সলনিৰে সময়ৰ উপযোগী কৰি লোৱাটোহে উজু কাম ; আৰু তাকে কৰিলে, নিজৰ বিশেষত্ব হেৰুৱাই মানুহ বিজতৰীয়া হবও নেলাগে।

তেনেই অকল থিয়েটাৰতে ধৰি ভাৱনা একেবাৰেই এৰি দিয়াটো আমি ভাল নেদেখোঁ। আমাৰ দেশত শঙ্কৰদেৱে প্ৰৱৰ্ত্তাই থৈ যোৱা ভাৱনাৰো সময়োপযোগী উন্নতি কৰি লোৱাটো আমাৰ বৰ প্ৰয়োজনীয় কাম। সেই ভাৱনাৰ কিবা যদি আজি কালিৰ ৰুচিৰে সৈতে খাপ খাই নপৰে, তেনেহলে তাক গুচাই লৈ, সেই আগৰ জুমুথিতে আমি নতুন প্ৰতিমা সাজিব লাগে। আজি কালি অঙ্কীয়া ভাৱনাৰ যুগ নাই ; সেই বাবে নাটৰ

ভাষা ব্ৰজাৱলী গুচাই অসমীয়া কৰিব লাগে। এনেহলেই, গীতৰ সুৰ, নাচৰ ভঙ্গী প্ৰভৃতি আমাৰ যি আছিল, তাক এৰি নিদি, ডাল-পাত যোৱা দি আমি তাকেহে ধুনীয়া কৰি ল'ব লাগে।

ইয়াকে কৰিবলৈ আমাক লাগে নতুন নাট। এই নাট লিখা কামটো অশিক্ষিত বা অৰ্দ্ধ শিক্ষিত মানুহৰ পৰা নহয়। নাটত ৰুচি থকা আমাৰ সাহিত্যিকসকলে অকল থিয়েটাৰৰ নাটকে নিলিখি, ভাৱনাৰ উপযোগী কিছুমান নাট প্ৰকাশ কৰি, তাৰে ভালকৈ ভাৱনা কৰাই দেখুৱাব লাগে; আৰু গাৱঁলীয়া মানুহক শিকাই বুজাই সেইবিলাক নাটৰ ভাৱনা কৰিবলৈ সাহায্য কৰিব লাগে। ইয়াৰপৰা এহাতে, আমাৰ গাৱঁলীয়া ৰাইজে ভাৱনাৰ পৰা শিক্ষা পাব, আৰু ইহাতে, তাৰ লগে লগে, তেওঁলোকৰ মাজত অসমীয়া সাহিত্যৰ প্ৰচাৰ হ'ব। তাৰ উপৰিও, আমাৰ ভাৱনা আৰু সঙ্গীতত আমাৰ জাতীয় বিশেষত্ব থাকি যাব।

আমি এই কথা আমাৰ সাহিত্যিকসকলৰ আৰু সঙ্গীতত ৰুচি থকা লোকসকলৰ চকুত পেলাই দিছোঁ।

* * *

শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামীদেৱে কুচবিহাৰৰ ৰাজ লাইব্ৰেৰীত অনুসন্ধান কৰি পোৱা পুথিবিলাকৰ তালিকা আমি সিবাৰ পত্ৰিকাত প্ৰকাশ কৰিছোঁ। গোস্বামী দেৱে কিছুমান ছৰিৰ প্লেটৰ কথা উল্লেখ কৰিছিল। তাৰ বাবে কুচবিহাৰলৈ, তেখেতে কোৱা মতে, চিঠি লিখি একো উত্তৰ পোৱা নহল। তালিকাৰ পুথিবিলাকৰ ভিতৰত যিখিনি লাগতিয়াল, তাৰ বেগতে নকল কৰাই আনিব লাগে; নহলে নষ্ট হৈ গলে, পাচলৈ পোৱা নেযাব। কিছুমান পুথিৰ অতি জীৰ্ণ অৱস্থা হৈছে বুলি গোস্বামী দেৱৰ ৰিপৰ্টৰপৰা জনা যায়। এই কথা আমি সাহিত্য সভাৰ চকুত পেলাই দিছো। ইয়ালৈ সোনকালে কাণ কৰি, কিবা এটা ভাল দিহা কৰিব লাগে।

* * *

অসম দেশৰ আদালতবিলাকত অসমীয়া ভাষা চলাবলৈ, তাহানি চাৰ্ জৰ্জ কেম্বেল চাহাবৰ দিনতে হুকুম হল। আৰু তেতিয়াৰেপৰা অসমীয়া ভাষা চলাইছে বুলিও কোৱা হয়। কিন্তু আমি দেখি আচৰিত হৈছো যে, কাছাৰি ঘৰৰ কোনো কোনো ফাৰম আজিলৈকে বঙ্গলা ভাষাতে আছে।

অসম দেশৰ নিমিত্তে পাউণ্ডৰ ফাৰমবিলাকলো আজিলৈকে বঙ্গলা ভাষাত কিয় ছপোৱা হয় আমি তাকো ক'ব নোৱাৰোঁ; ইয়ালৈ চাবৈ কাৰো চকু পৰাই নাই; অথচ এই পাউণ্ডবিলাক আমাৰ মানুহৰ হাততে।

অসম দেশৰ ৰেল আৰু জাহাজৰ টিকটবিলাকো ইংৰাজী আৰু বঙ্গলা ভাষাত ছপা। ইয়াৰো বঙ্গলাৰ ঠাইত অসমীয়া হোৱাটো বৰ আৱশ্যক। আন কোনো প্ৰদেশত হলে এনে বেমেজালি দেখা নাযায়। ষ্টেচনৰ নামবিলাকো টিকট আৰু ষ্টেচনতো প্ৰায়েই অশুদ্ধকৈ লিখা থাকে। এইবিলাক, অনেক ঠাইত, অসমীয়া ভাষাৰ শুদ্ধ বানানেৰে নিলিখি, কিবা কিম্ভূত কিমাকাৰ কৰি লিখি থোৱা দেখিলে, বেজাৰো লাগে, হাঁহিও উঠে।

এইবিলাক বেমেজালি শীঘ্ৰে গুচাবলৈ আমি গবৰ্ণমেণ্টৰ আৰু ৰেল-জাহাজৰ কৰ্ত্তৃপক্ষসকলৰ চকুত পেলাই দিলোঁ।

* * * *

যোৱা গুৱালপাৰ সন্মিলনত, অসম সাহিত্য সভাৰ অহা বাৰৰ সন্মিলন গুৱালপাৰ জিলাৰ কোক্ৰাজাৰলৈ নিমন্ত্ৰণ কৰিছিল। কিন্তু এইবাৰ সন্মিলন ক'ত বহে তাৰ বৰ ঠিকনা নাই; কাৰণ আমি শুনিছো যোলে, কোক্ৰাজাৰত সন্মিলন পাতিবলৈ তাৰ স্থানীয় কৰ্ম্মীসকলে কিবা কথাত অলপ আচল পাইছে। এই কথা সঁচানে মিছা আমি ক'ব নোৱাৰোঁ, কিয়নো তেখেতসকলে সাহিত্য সভাক এতিয়ালৈকে এই বিষয়ে কোনো সম্বাদ দিয়া নাই। যদিহে তেখেতবিলাকৰ সঁচাকৈয়ে কিবা আসোঁৱাহ আছে, তেনেহলে এই বাৰলৈ সন্মিলন আন কোনো ঠাইতে পাতি, কোক্ৰাজাৰত ইয়াৰ পাচত পাতিবলৈ দিহা কৰাও বেয়া নহয়।

* * * *

টুৰ্কী দেশৰ গবৰ্ণমেণ্টে, সেই দেশৰ প্ৰজাৰ নাবাজ্ পঢ়াৰ মন্ত্ৰবিলাকৰ আৰবী ভাষা গুচাই, সকলোৱে বুজিব



পৰাকৈ টুৰ্কী ভাষা কৰিবলৈ ধৰিছে। খৃষ্টীয়ানৰ বাইবোলখনো ইহুদী ভাষাত লিখা। কিন্তু ইউৰোপৰ বিভিন্ন জাতিবিলাকে তাক কেতিয়াবাই নিজ নিজ মাতৃ ভাষালৈ ভাঙ্গি ললে। এতিয়া সেইবিলাক দেশত ইহুদী ভাষাৰ বাইবোল নচলে; নিজ মাতৃ ভাষাৰে লিখা বাইবোলহে চলে।

আমাৰ ভাৰতবৰ্ষতো হিন্দু আৰু মুছলমানসকলৰ মন্ত্ৰবিলাক দুৰ্ব্বোধ্য সংস্কৃত বা আৰবী ভাষাৰ গুচাই, মাতৃ ভাষাৰ কৰি লোৱাটো বেয়ানে? উপাসনাৰ মন্ত্ৰবিলাক আৰু বিয়া প্ৰভৃতিৰ মন্ত্ৰবিলাক ভালকৈ বুজিব লাগে। বুজিব নোৱাৰা সংস্কৃত বা আৰবী ভাষাৰে, একো নুবুজাকৈ, সাপৰ মন্ত্ৰ গোৱাদি গাই গলে, তাৰপৰা কোনো লাভ নহয়, আৰু তাৰ উদ্দেশ্যও সম্পূৰ্ণ সিদ্ধি নহয়। এইদেখি আমাৰ দিনো লাগতিয়াল, আমি সকলোৱে ভালকৈ বুজিব লগীয়া আমাৰ এই অতি প্ৰয়োজনীয় মন্ত্ৰবিলাক, আজি কালি আমাৰ দেশত সংস্কৃত আৰু আৰবী ভাষা সৰহ ভাগ মানুহে নুবুজে যেতিয়া, আমাৰ মাতৃ ভাষাৰে হোৱাটোহে উচিত। কিন্তু, আমাৰ দেশত তাকে কৰে কোনে? আৰু কৰোঁতা কোনোবা ওলালেও, তাক শুনে কোনে বা শুনায় কোনে?

টুৰ্কী দেশত নাবাজ্ পঢ়াৰ সময়ত মচিদত বাজনা বজোৱাৰ নিয়মো চলাবলৈ ধৰিছে; কাৰণ সকলো সভ্য জাতিৰে, সঙ্গীত উপাসনাৰ এটা অঙ্গ। আমাৰ দেশত কিন্তু, মচিদৰ আগেদি কোনোৱে বাজনা বজাই গলেও, কটা-কটি মৰা-মৰি লাগি দিনেপতি দেশ তলতৈ গৈছে আৰু আমি সভ্য জগতৰ হাঁহি আৰু বিদ্ৰূপৰ পাত্ৰ হৈছো।

---

# সাহিত্য সম্বাদ।

ডিব্ৰুগড়ৰপৰা ওলোৱা "প্ৰচাৰক" বোলা আলোচনীখনি দেখি আমি বৰ সন্তোষ পাইছোঁ। ই আমাৰ মুছলমান ভ্ৰাতাসকলৰ উদ্যমৰ ফল। আমাৰ অসম দেশত মুছলমানৰ সংখ্যা বৰ সৰহ নহলেও, ভাৰতবৰ্ষৰ আন কেবাখনো প্ৰদেশৰ তুলনাত, নিচেই তাকৰো বুলিব নোৱাৰি। আজি কালি উচ্চ শিক্ষা পোৱা অসমীয়া মুছলমানো ভালেখিনি ওলাইছে। অসমীয়া সাহিত্যৰ চৰ্চ্চা কৰা যি দুজন এজন মুছলমান আছে, তেখেতসকলে সম্পূৰ্ণৰূপে কৃতিত্ব লাভ কৰিছে আৰু তেখেতসকলৰ কামত কোনেও আঁক ধৰিব নোৱাৰে। তথাপি কিন্তু আমাৰ মুছলমান সমাজৰপৰা অসমীয়া সাহিত্যই আশানুৰূপ সেৱা পোৱা নাই, এই কথা নুই কৰিব নোৱাৰি। আমাৰ মুছলমান সংখ্যাত তাকৰ হলেও, তেখেতসকলৰপৰা তাকৰীয়াকৈয়ে আমি যিমান সাহিত্য সম্পদ পাব লাগিছিল, সিমান পোৱা নাই; ই আমাৰ বেজাৰৰ কথা। "প্ৰচাৰক"ৰপৰা এই অভাৱ অনেক পৰিমাণে পূৰ হব বুলি আমি আশা কৰিছোঁ। "প্ৰচাৰকে" যেন দীৰ্ঘ জীৱন লাভ কৰি আমাৰ সাহিত্যৰ নথৈ উন্নতি কৰিব পাৰে, এয়ে আমাৰ সৰল কামনা।

* * *

আমাৰ শ্ৰদ্ধাস্পদ যোৰহাটৰ হাজী ফাইজুদ্দিন আহ্মদ চাহাবে অসমীয়া ভাষাত হজৰত্ মহম্মদৰ জীৱনী এখনি লিখি উলিয়াইছে বুলি শুনি আমি তেখেতৰ শলাগ লৈছো। কিতাপ খনি ভাল হৈছে বুলি শুনিও আমি বৰ ৰং পাইছো। হাজী চাহাবৰ দৰে কৃতবিদ্য আৰু অভিজ্ঞ মুছলমানে অসমীয়া সাহিত্যৰ সেৱা কৰি, লোকলৈকো বাট দেখুৱাই দিয়াটো আমাৰ দেশৰ মঙ্গলৰ চিন। এই কিতাপ খনি সোনকালে ছপা হৈ ওলাব বুলি আমি আশা কৰিছো। হজৰত মহম্মদৰ জীৱনী এখনি অসমীয়া ভাষাত আৰু বহু দিনৰ আগেয়েই ওলাব লাগিছিল।

* * *

যোৰহাটৰ ধলৰ সত্ৰৰ "যত্নমনি" ছাপাখানাৰপৰা "ধৰ্ম্ম প্ৰদীপ" নামেৰে এখনি নতুন আলোচনী ওলাইছে। সম্প্ৰতি তাৰ প্ৰথম সংখ্যাহে প্ৰকাশ হৈছে। ইয়াৰ নামলৈ চাই, এই আলোচনীত অকল ধৰ্ম্ম সম্পৰ্কীয় কথা থাকিব বুলিহে আমি অনুমান কৰিছোঁ। কাগজ-খনি ওলোৱা দেখি আমি সন্তোষ পাইছোঁ আৰু ইয়াৰ উন্নতি আৰু দীৰ্ঘ জীৱন কামনা কৰিছোঁ।

---

# শোকৰ বাতৰি

## ৺দুৰ্গাপ্ৰসাদ দত্ত মজিন্দাৰ বৰুৱা।

পত্ৰিকাৰ প্ৰত্যেক সংখ্যাতে শোকৰ বাতৰি লিখিব লগাটো আমাৰ পক্ষে অতি বেজাৰৰ কথা আৰু আমাৰ দেশৰ পক্ষে বৰ দুৰ্ভাগ্যৰ কথা। অসম দেশৰ উপযুক্ত উপযুক্ত সন্তানসকল যি অনুপাতে নোহোৱা হৈ গৈছে, তাক দেখিলে, এই দেশৰ ওপৰত জগদীশ্বৰ বিৰূপ হৈছে বুলি আশঙ্কা হয়। আজি আমি আমাৰ পাঠক পাঠিকাসকলক আমাৰ সুপৰিচিত সাহিত্যিক, শিৱসাগৰৰ দুৰ্গাপ্ৰসাদ দত্ত মজিন্দাৰ বৰুৱাৰ অকাল মৃত্যুৰ সম্বাদ দিব লগা হৈছোঁ। তেখেতে যোৱা ১৪ জুন তাৰিখে এই সংসাৰ এৰি গল।

দুৰ্গাপ্ৰসাদ দত্তৰ পিতাকে কামৰূপ জিলাৰপৰা উঠি আহি গোলাঘাটত বহিছিলহি আৰু তাতে দুৰ্গাপ্ৰসাদৰ জন্ম হয়। তেওঁ যোৰহাটৰ গৱৰ্ণমেণ্ট হাই স্কুলত, এই লিখকে সৈতে তৃতীয় শ্ৰেণীৰেপৰা একে লগে পঢ়িছিল। স্কুলত পঢ়া কালৰেপৰা তেওঁ সৰল প্ৰকৃতিৰ সজ্ চৰিত্ৰৰ আৰু স্থিৰ স্বভাৱৰ আছিল। স্কুলৰপৰা ওলাই গৈ, তেওঁ চাকৰিৰ চেষ্টা নকৰি, শিৱসাগৰত ঘৰ-দুৱাৰ কৰি লৈ, খেতি-বাতি প্ৰভৃতি স্বাধীন ব্যৱসায়ত ধৰিছিল আৰু সেই ব্যৱসায়েৰেই সুখেৰে জীৱিকা নিৰ্ব্বাহ কৰি আছিল। স্কুলত পঢ়াৰেপৰা দুৰ্গাপ্ৰসাদৰ অসমীয়া সাহিত্যলৈ ধাউতি আছিল। তেওঁ কেবাখনিও অসমীয়া কিতাপ লিখিছিল। তাৰ ভিতৰত "মহৰী," "নিগ্ৰো" "উজ্জ্বকবিতা" আৰু "স্বাস্থ্য পাঠ" বিশেষ উল্লেখযোগ্য। তেওঁৰ লিখা অতি সহজ, নিভাঁজ অসমীয়া, বৰ শুৱলা আৰু নীতিপূৰ্ণ। যেয়ে তেওঁৰ লিখা পঢ়িছে, সেয়ে এই কথা স্বীকাৰ নকৰি নোৱাৰে। সম্প্ৰতি শিৱসাগৰৰপৰা ওলোৱা "ঘৰ জেউতি" বোলা কাগজখনৰ তেৱেঁই প্ৰতিষ্ঠাতা আৰু গুৰিয়াল আছিল। আৰু খনদিয়েক কিতাপ লিখি ছপাবলৈ যুগুত কৰি থৈছোঁ বুলি তেওঁ অলপতে এই লিখকলৈ লিখিছিল। যোগমায়া ছাপাখানাত তেওঁৰ "গুৰুদক্ষিণা" নামেৰে নতুন নাটক এখন ছপাই ওলাই আছে। অসমীয়া সাহিত্য ক্ষেত্ৰত দুৰ্গাপ্ৰসাদ এগৰাকী নিৰৱ কৰ্ম্মী আছিল আৰু তেওঁ আশাশুধীয়াকৈ অসমীয়া সাহিত্যৰ সেৱা কৰিছিল। তেওঁৰ অসমীয়া সাহিত্যৰ বাবে কৰা সকলোখিনি কামতে নথৈ কৃতিত্ব আছিল। দুৰ্গাপ্ৰসাদৰ অকাল মৃত্যুয়ে আমাৰ সাহিত্য ক্ষেত্ৰত এটা ডাঙৰ দুৰ্ঘটনা ঘটাই অসমীয়া সমাজ দুখীয়া কৰিলে। তেওঁৰ আত্মাৰ সদ্গতি হওক আৰু তেওঁৰ নাম আমাৰ দেশত স্মৰণীয় হৈ থাওক। তেওঁৰ পৰিয়াল বৰ্গক এই বিপদত আমি সমবেদনা জনাইছোঁ।

---



৺চন্দ্ৰকান্ত সন্দিকৈ। ৺ইন্দ্ৰকান্ত সন্দিকৈ।